ASSAM LEGISLATIVE ASSEMBLY DEBATES

OFFICIAL REPORT

TWELFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

AUGUST SESSION

No. : 5

The 12th August, 2005

Price : 300.00

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, The 12th August, 2005.

The House met at 8.30 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Prithibi Majhi, Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS

(To which oral replies were given)

Mr. Speaker :- Now, Starred Question No. 81, Hon'ble Member, Shri Abdul Jabbar.

Sub :- Dalgaon Sialmari I.C.D.S. Project.

Shri Abdul Jabbar asked :

***81. Will the Minister of Social Welfare be pleased to state :**

a) Whether it is a fact that Shri Abdul Jabbar has been nominated as Chairman of Dalgaon Sialmari I.C.D.S. Project Vide Notification Memo No. SWD. 113/96/Pt.IV/ 192-A dated Dispur the 13th January, 2004 ?

b) Is it not a fact that Shri Abdul Jabbar, Chairman, mentioned above has been removed from the Chairmanship Vide Notification Memo No. 113/96/Pt.IV/197-A, dated Dispur the 13th October, 2004 ?

c) If so, the reasons of removal of Abdul Jabbar from the said post ?

Shri Gautam Roy (Minister, Social Welfare) replied :

a) Yes.

)) Yes, it is a fact.

:) In the interest of public service.

*শ্রীআব্দুল জব্বৰ ঃ- মাননীয় অধ্যক্ষ মহাশয়, What was the Public Interest. মাননীয় অধ্যক্ষ মহাশয়, মই মাননীয় মন্ত্রী মহাশয়ৰ পৰা জানিব বিচাৰিছো যে আই. চি. ডি. এচ. প্রজেক্ট বিলাকত সাধাৰণতে স্থানীয় বিধায়ক সকলক চেয়াৰমেন কৰি দিয়া হয়। সাধাৰণতে কিন্তু মোৰ ঠাইত সভাপতি হিচাবে জাকিৰ হুছেইনক দিছে। মই কি প্রাপ্য নহয় নেকি? এইটো ঠিক যে মই চেয়াৰমেন পাবৰ কাৰণে মাননীয় মন্ত্রীৰ ওচৰত আহি থকা নাই। যি জাকিৰ হুছেইনক আই. চি. ডি. এচ.ৰ চেয়াৰমেন দিয়া হ'ল পাব্লিক ইনটাৰেষ্ট সেইটোহে মই জানিব বিচাৰিছো। কি পাব্লিক ইনটাৰেষ্টত তেখেতক চেয়াৰমেন দিয়া হ'ল আৰু স্থানীয় বিধায়ক হিচাবে মোক দিয়া নহ'ল ?

*শ্রীগৌতম ৰয় (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহাশয়, মাননীয় সদস্যজনে যিটো চাপ্লিমেন্টৰী আনিছে তাৰ উত্তৰত ক'বলৈ বিচাৰিছো যে বহুতে আই. চি. ডি. এচ.ৰ চেয়াৰমেন হ'বলৈ বিচাৰে আৰু বহুতে নিবিচাৰে সেই কাৰণেই মই তেওক চেয়াৰমেন দিয়া হোৱা নাই। এইটো যদি তেও বিচাৰে তেনেহ'লে মই দিম চাৰ।

মাননীয় অধ্যক্ষ ঃ- হুল-স্থুল নকৰিব। যি হৈছে বাদ দিয়ক। আলোচনালৈ আহক। অন্য কথা নকব। মন্ত্রীয়ে উত্তৰটো দিব। আপুনি বহক।

*শ্রীগৌতম ৰয় (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহাশয়, There is no hard and fast rule. They are Chairman of different Committee. মাননীয় অধ্যক্ষ মহাশয়, কিছুমানে চেয়াৰমেন দিলেও ল'বলৈ টান পায় আৰু এইটোত বহুতো খেলি-মেলি আছে। সেইকাৰণেই দিয়া হোৱা নাই। আপুনি বিচাৰে যদি দিয়া হ'ব।

*শ্রীআব্দুল জব্বৰ ঃ- মাননীয় অধ্যক্ষ মহাশয়, মই বিচৰা নাই কাৰণে মাননীয় মন্ত্রী মহাশয়ে দিয়া নাই নেকি? মই কিন্তু প্রাপ্য।

*শ্রীগৌতম ৰয় (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহাশয়, এম. এল. এ. বিলাকে বহুত কামত ব্যস্ত থাকে আৰু আনহাতেদি এম. এল. এ. ফান্দ বিতৰণ আৰু অন্যান্য কামত ব্যস্ত থকাৰ পৰিপ্রেক্ষিতত বহুতে এই চেয়াৰমেনচিপটো ল'বলৈ বাধ্য নহয়। মাননীয় সদস্যজনে তামোলখন পেলাই থৈ আহি প্রশ্নটো কৰিলে ভাল হয়।

*শ্রীআব্দুল জব্বৰ ঃ- মাননীয় অধ্যক্ষ মহাশয়, মই তামোল পান খাইছো মোৰ কথা কিন্তু মাননীয় মন্ত্রীয়ে ক'বলৈ কোন? It is a clear case of breach

of privilege. You are the custodian of the House. I leave it to you for appropriate action.

***শ্রীআলি আকবৰ মিঞা** ঃ- মাননীয় অধ্যক্ষ মহাশয়, মাননীয় সদস্যজনৰ প্রশ্নৰ বিপৰীতে মাননীয় মন্ত্রী মহাশয়ে যিটো উত্তৰ দিছে তাতে মই সন্তুষ্ট হ'ব পৰা নাই। কোন কোন বিধায়কে চেয়াৰমেনচিপ ল'ব নিবিচাৰে আৰু কোন কোন বিধায়কে চেয়াৰমেন লৈছে আমাক জনাবনে? দ্বিতীয়তে, আই. চি. ডি. এচ. প্রজেক্টৰ উপদেষ্টা বাছনি কমিটি বিলাকত স্থানীয় বিধায়কসকলক চেয়াৰমেন কৰি দিয়াৰ নিয়ম পূর্ব্বৰ পৰাই চলি আহিছে। আমিটো কোনো দিনে ৰিফিউজ কৰা নাই চেয়াৰমেনৰ পদ ল'বলৈ।

***শ্রীগৌতম ৰয় (মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহাশয়, আপোনাক লাগে যদি কওক আনৰ কথা নকব। কোনে বিচাৰিছে কোনে বিচৰা নাই তাৰ লিষ্ট মোৰ তাত নাই। আপোনাক লাগে যদি দিম।

***শ্রীযোচেফ টপ্প** ঃ- মাননীয় অধ্যক্ষ মহাশয়, মই মাননীয় মন্ত্রী মহাশয়ক বহুদিনৰ পৰাই কৈ অহাৰ পিচতো মোক তাতে চেয়াৰমেন নিদিলে। বহুত বহুতবাৰ তেখেতক অনুৰোধ কৰিছিলো যে আই. চি. ডি. এচ.ত মোক চেয়াৰমেন দিব লাগে মই আশা কৰো তেখেতে নিশ্চয় বিবেচনা কৰিব।

Mr. Speaker :- Now, Starred Question No. 82, Hon'ble Member, Shri Mission Ranjan Das.

Sub :- Renovation of Girishganj P.H.C.

Shri Mission Ranjan Das asked :

***82. Will the Minister of Health & Family Welfare be pleased to state :**

a) What are the steps taken by the Govt. for sanction of fund for renovation of Girishganj P.H.C. in Karimganj District which has been damaged by consecutive storms ? (Please state it in details)

b) When fund will be sanctioned for it and renovation works will be started ?

** Speech not corrected*

Dr. Bhumidhar Barman (Minister, Health & Family Welfare) replied :

a) The P.W.D. has prepared necessary plan and estimates for the PHC buildings and the quarters. The Helath Department is yet to received the same.

b) It will depend upon availability of fund. However Deptt. will take steps to mobilise resources.

*শ্রীমিশ্বন বঞ্জন দাস ঃ- মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২২ মার্চত যি প্রবল ধুমুহা হৈছিল এই পি. এইচ. চি.টো একেবাৰে অস্তিত্ববিহীন হৈ পৰিছে। পকী দেৱাল বিলাকো ভাঙি পৰিছে। মাননীয় মন্ত্রী মহোদয়ে উত্তৰত উল্লেখ কৰিছে যে গড়কাপ্তানি বিভাগে প্লেন এষ্টিমেট দিছে। এই সংক্রান্তত মই মন্ত্রী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছো যে প্রয়োজনীয় পুঁজি কেতিয়া দিব?

*ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে এইটো পালেই প্রচেচ কৰিম, গতিকে টকা আহিলেই দিম।

*শ্রীমিশ্বন বঞ্জন দাস ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে টকা চেংচন দিব নে নিদিয়ে ?

*ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, সেইটো টকা আহিলেহে ক'ব পাৰিম। টকা আহিব বুলিয়েই ধৰি লৈছো। তেখেতৰ বহুতো স্কীম কৰি দিছো, তেখেতে অস্বীকাৰ কৰিব নোৱাৰে।

*শ্রীমিশ্বন ৰঞ্জন দাস ঃ- মাননীয় অধ্যক্ষ মহোদয়, ২০০৫ ৰ ভিতৰতে দিব লাগে।

*ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, টকা ২০০৫ তেই আহিব।

*শ্রীদীনেশ চন্দ্র চৰকাৰ ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে ইমান দিনে টকা অহা নাই টকা অহা নাই বুলি কৈ আহিছে। কিন্তু টকা কেতিয়া আহিব। গতিকে মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো যাতে এমাহৰ ভিতৰতে টকা দিয়ে।

*ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, গোলোকগঞ্জ ও প্রায়ৰিটি লিষ্টত আছে, মই দিম। মই নিজে চাই আহিছো।

Speech not corrected

*শ্রীচন্দন কুমাৰ চৰকাৰ ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা লক্ষ্য কৰি আহিছো যে মন্ত্রী মহোদয়ে টকা নাই নাই বুলি কৈ থাকে, টকাও নিদিয়ে, নিযুক্তিও নিদিয়ে। গতিকে এইবিলাক আলোচনাৰ কাৰণে এখন স্পেচিয়েল মিটিং কৰিব নেকি?

*ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, বর্ত্তমান ভেকেঞ্চী আছে, পোষ্ট বিলাকৰ ডিমাণ্ড আমি দিছো আৰু আমি নিযুক্তি দিবলৈও আগ্রহী।

বিষয় ঃ- Co-ordination কমিটিৰ মিটিং ও অঙ্গনবাদী কর্মী নিযুক্তি।

শ্রীআলী আকবৰ মিঞাই সুধিছে ঃ

*৮৩। **মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ২০০২ ৰ পৰা ২০০৫ চনলৈ কোন কোন জিলাত কোন কোন তাৰিখত অঙ্গনবাদী সম্পর্কীয় Co-ordination কমিটিৰ মিটিং পতা হ'ল?

খ) নীতি-নিদের্শনা মতে তিনি মাহৰ মূৰে মূৰে উক্ত কমিটিৰ মিটিং পাতিব লাগে, কিন্তু যি বিলাক জিলাত এই নীতি মানি চলা নাই সেই জিলাৰ সংশ্লিষ্ট বিষয়াসকলৰ বিৰুদ্ধে কি ব্যৱস্থা গ্রহণ কৰা হ'ল? (ব্যৱস্থা গ্রহনীয় পত্রাদিৰ কপি দিব)

গ) ধুবুৰী জিলাৰ নায়েৰ আলগাৰ ICDS Project ৰ অধীনত জাল (ভুৱা) ছার্টিফিকেটৰ কপি লৈ (Original কপি নেদেখাকৈ) অঙ্গনবাদী কর্মী, সহায়িকা নিযুক্তি দিয়া বুলি মহকুমাধিপতি, বিলাসীপাৰাই তদন্ত কৰি ধৰা পেলাইছে আৰু বিলাসীপাৰা থানাত এই লৈ এক কেচও ৰুজু কৰাটো সঁচানে?

ঘ) উক্ত নিযুক্তিৰ লগত জড়িত বিষয়াৰ বিৰুদ্ধে কি ব্যৱস্থা গ্রহণ কৰা হ'ল? (মহকুমাধিপতিৰ তদন্তৰ ৰিপর্ট আৰু ব্যৱস্থা গ্রহণীয় অন্যান্য পত্রাদিৰ কপি দিব)

শ্রীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) তালিকা নিচান 'ক'ত দিয়া হৈছে— (See Annexure - I)

খ) সময়ে সময়ে জিলা বিষয়াসকলক সভা পতাৰ বাবে নিদ্দেশনা দি থকা হৈছে। এই সম্পর্কত ৮-৮-০৫ ত অসমৰ মান্দলিক কার্য্যক্রম বিষয়াসকলক (Programme Officer, Divisional ICDS Cell) মাতি সভা পাতি

Speech not corrected

নিৰ্দ্দেশনা দিয়া হৈছে যে তেওঁলোকে জিলা সমাজ কল্যাণ বিষয়া আৰু সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ লগত সময় মতে উক্ত সভা পতাৰ ব্যৱস্থা কৰে যেন।

গ) মহকুমাধিপতি, বিলাসীপাৰাৰ পৰা এই সংক্ৰান্তত তথ্য বিচৰা হৈছে।

ঘ) ঐ

শ্ৰীআলী আকবৰ মিঞা ঃ- মাননীয় অধ্যক্ষ মহোদয়, মোৰ (ক) প্ৰশ্নটো হ'ল ২০০২ ৰ পৰা ২০০৩ চনলৈ কোন কোন জিলাত কোন কোন তাৰিখত অঙ্গনবাদী সম্পৰ্কীয় কো-অৰ্ডিনেচন কমিটিৰ মিটিং পতা হ'ল? কিন্তু যোৱা ৪ টা বছৰে গোৱালপাৰা জিলাখনত অঙ্গনবাদী কমিটিৰ মিটিং পতা হোৱা নাই। তাত বৰ্ত্তমান যিবিলাক কাৰ্যকৰ্য্য চলি আছে সেই বিলাকৰ কাৰণে আমি লাজ পাইছো। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে উক্ত জিলাত কিয় মিটিং পতা হোৱা নাই ।

শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মিটিং পাতিবৰ কাৰণে আমি বিভাগৰ পৰা কঢ়া নিৰ্দ্দেশ দিয়া আছে।

শ্ৰীআলী আকবৰ মিঞা ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা আকৌ জানিব বিচাৰিছো যে আপোনালোকৰ গাইড লাইন থকা স্বত্বেও Within every three (3) month ত মিটিং পাতিব লাগে, কিন্তু That has not been followed, why? নিয়মিতভাবে কিয় মিটিং পতা নাই। আপুনি হাঁহি হাঁহি নকব। য'ত জিলা উপায়ুক্তজনেই চেয়াৰমেন, তেওঁ কিয় মিটিং পাতিব পৰা নাই।

শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ প্ৰশ্নটোৰ কাৰণেহে মই হাঁহিছো। এই সংক্ৰান্তত কোনো ধৰণৰ স্পেচিফিক অভিযোগ থাকে বিধায়কজনে ডাইৰেক্টলি উপায়ুক্তক ক'ব পাৰে। আমাৰ সচিবে মিটিং পাতিবৰ কাৰণে ষ্ট্ৰীক অৰ্ডাৰ দিছে।

শ্ৰীআলী আকবৰ মিঞা ঃ- মাননীয় অধ্যক্ষ মহোদয়, চি.ডি.পি.অ. শ্ৰীঅধিকাৰীৰ বিৰুদ্ধে কিছুমান অভিযোগ পোৱা গৈছে। জাল চাৰ্টিফিকেট লৈ অঙ্গনবাদী কৰ্ম্মী নিযুক্তি দিছে। সেই নিযুক্তিৰ বিৰুদ্ধে বিষয়া গৰাকীয়ে নিজেই আকৌ পুলিচ কেচ দিছে যাৰ নং ৯৯/২০০৫ ধাৰা ৪২০। নিজেই নিযুক্তি দিছে আৰু নিজেই কেচ কৰিছে। বিষয়াজনৰ এনে অনৈতিক কামৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, চি.ডি.পি.অ.ৰ ফলচ্

চার্টিফিকেটৰ বিষয়টো এইদৰে উত্তৰ দিয়া নহ'ব। প্ৰথমতে মই স্পষ্টভাবে কৈছো এই সম্পৰ্কে আপোনালোকে অনুগ্ৰহ কৰি আমাক লিখি দিব। দ্বিতীয়তে অফিছাৰ নহ'লে কাম নচলিব ছাৰ। বিধানসভাত এনেকৈ কলে আমি উত্তৰ দিব নোৱাৰো। আপোনালোকে আমাক লিখি দিয়ক।

(Starred Question No. 84 was not taken up for disposal as the questioner was not present in the House when called for. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

Sub :- PMGSY Scheme.

Shri Tijen Basumatary asked :

***84. Will the Minister of P. W. D. be pleased to state :**

a) Whether it is a fact that the scheme under PMGSY for the year 2005-06 have been approved ?

b) If so, how many PWD Roads have been taken in Nalbari District ?

c) Whether Tihu Doomni PWD Road has been taken up under the said Yojana ?

d) If not why ?

Shrimati Ajanta Neog (Minister of State, P.W.D.) replied :

a) Yes, State Level Standing committee (SLSC) has approved the schemes under PMGSY for 2005-06 But, Govt. of India's approval awaited.

b) 11 (eleven) nos. of roads included under Nalbari District.

c) Not included.

d) As it was not recommended by Zila Parishad as per Guidelines of PMGSY works.

** Speech not corrected*

Mr. Speaker :- Now, Starred Question No. 85, Hon'ble Member, Shri Pabindra Deka.

বিষয় ঃ- ঔষধ ক্রয়।

শ্রীপবিন্দ্র ডেকাই সুধিছে ঃ

***৮৫। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) চলিত বিত্তীয় বছৰত চৰকাৰে কিমান টকাৰ ঔষধ কিনিছে ?

খ) এনেভাবে কিনা ঔষধ কোন কোন প্রতিষ্ঠানৰ পৰা কিনা হৈছে? (প্রতিষ্ঠান বিলাকৰ নাম, ঠিকনা দিব)।

গ) এনেভাবে কিনা ঔষধৰ বেছি ভাগেই নিম্ন মানৰ বুলি ৰাজহুৱা অভিযোগ উঠা কথাটো চৰকাৰৰ জ্ঞাতনে ?

ঘ) ৰাজ্যখন ভেজাল ঔষধেৰে ভৰি পৰাৰ ৰাজহুৱা অভিযোগ উঠা কথাটো চৰকাৰৰ অৱগতনে ?

ঙ) যদি অৱগত, এনে ভেজাল ঔষধৰ চোৰাং বেহা বন্ধ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছেনে ?

চ) যদি লৈছে, কি কি ব্যৱস্থা লৈছে ?

ডাঃ ভূমিধৰ বর্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) চলিত বিত্তীয় বছৰত চৰকাৰে আগষ্ট মাহলৈকে নিম্ন উল্লেখিত পৰিমাণৰ টকাৰ ঔষধ ক্রয় কৰিছে।

সাধাৰণ বাজেটৰ পৰা	-	৫,০৩,৬০,৬৭৪.০০ টকা
PMGY আঁচনিৰ অধীনত	-	৭,৮৩,০০,০০০.০০ টকা
	মুঠ =	**১২,৮৬,৬০,৬৭৪.০০ টকা**
তিনিখন মেডিকেল কলেজৰ বাবদ	-	২০০,০০০০.০০ টকা
	সর্বমুঠ =	**১৪,৮৬,৬০,৬৭৪.০০ টকা**

খ) স্বাস্থ্য সঞ্চালকে ঔষধ ক্রয় কৰা প্ৰতিষ্ঠানসমূহৰ নাম ইয়াৰ লগত সংলগ্ন কৰা হ'ল। তিনিখন মেডিকেল কলেজৰ তথ্য সংগ্ৰহ কৰি থকা হৈছে। (See Annexure - II)

গ) চৰকাৰী চিকিৎসালয়সমূহৰ বাবে ক্রয় কৰা ঔষধ বেছি ভাগেই নিম্নমানৰ বুলি অভিযোগ বাতৰি কাকতৰ যোগেদি পোৱা হৈছে যদিও অভিযোগটো সঁচা নহয়। এনে ধৰণে ক্রয় কৰা ঔষধৰ গুণগতমান নিৰ্দ্ধাৰণ কৰা প্ৰয়োজনীয় ব্যৱস্থা লৈ থকা হৈছে। সন্দেহ উপজা ঔষধৰ নমুনা আঞ্চলিক ঔষধ পৰীক্ষাগাৰৰ জড়িয়তে পৰীক্ষা কৰিহে ঔষধ চিকিৎসালয়লৈ পঠোৱা হয়।

ঘ) হয়, জ্ঞাত।

ঙ) বে-চৰকাৰী প্ৰতিষ্ঠানসমূহে ক্রয়-বিক্রয় কৰা ঔষধ ভেজালমুক্ত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লৈ থকা হৈছে। ঔষধ নিয়ন্ত্রণ বিভাগক এই ক্ষেত্রত অধিক সচেতন হ'বলৈ নিৰ্দ্দেশ দি থকা হৈছে।

চ) নিয়মমতে, বে-চৰকাৰী প্ৰতিষ্ঠানে ঔষধ বিক্রীৰ পূৰ্ব্বে আঞ্চলিক দৰৱ পৰীক্ষাগাৰ কেন্দ্রৰ পৰা নমুনা পৰীক্ষা কৰি ল'ব লাগে। তৎস্বত্বেও কোনো ক্ষেত্রত চোৰাংকৈ ঔষধ বজাৰত প্ৰবেশ কৰাটো নুই কৰিব নেৰাৰি। সেয়েহে ঔষধ নিয়ন্ত্রণ বিভাগক পূৰ্ব্বতকৈ অধিক পৰিমাণৰ ঔষধৰ নমুনা পৰীক্ষাৰ কাৰণে পৰীক্ষাগাৰলৈ পঠিয়াবৰ নিৰ্দ্দেশ দিয়া হৈছে।

উল্লেখ কৰা যায় যে যোৱা তিনিবছৰত ১২৭০ টা ঔষধৰ নমুনা পৰীক্ষা কৰি ১১৯ টা নিম্ন মানৰ আৰু ১ টা ভেজাল ঔষধ পোৱা হৈছে।

*শ্রীপবিন্দ্র ডেকা ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই প্রশ্ন কৰিছিলো যে ৰাজ্যখনৰ বহুত নিম্নমানৰ আৰু ভেজাল ঔষধ আছে আৰু মাননীয় মন্ত্রী মহোদয়ে এই কথা স্বীকাৰ কৰিছে। তেখেতে কৈছে যে যোৱা তিনি বছৰত ১২৭০ টা ঔষধৰ নমুনা পৰীক্ষা কৰি ১১৯ টা নিম্নমানৰ আৰু ভেজাল ঔষধ পোৱা গৈছে। এতিয়া মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই ১১৯ টা নিম্নমানৰ ঔষধ আৰু ভেজাল ঔষধৰ প্রমান পালে, যিসকলে এই ভেজাল আৰু নিম্নমানৰ ঔষধ যোগান কৰিছিল সেইসকলৰ বিৰুদ্ধে কি আইনগত ব্যৱস্থা গ্রহণ কৰা হৈছে।

*ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই ভেজাল আৰু নিম্নমানৰ বুলি কৈছো। এইটো বৰ গুৰুত্বপূৰ্ণ কথা। ২০০১-০২, ২০০২-০৪ ত ইয়াত

*Speech not corrected

আমি পাইছো। Sample collection আমাৰ ইয়াত ব্লাড টেষ্টিং লেবৰেটৰী এটা আছে। প্ৰথমতে ২০০১-০২ আৰু ০৩-০৪ চনত ২১৬২ টা ঔষধৰ নমুনা ব্লাড টেষ্টিং লেবৰেটৰীত পৰীক্ষা কৰিছে। দ্বিতীয়তে, আমাৰ পষ্টত যিমান মানুহ লাগে বহুত। আগতে যদি ফামচী কম আছিল ঔষধ কম আছিল। পষ্ট কিন্তু বঢ়া নাই। মানুহ বাঢ়িলে, ঔষধ বাঢ়িছে, ফামচী বাঢ়িছে। পষ্ট বঢ়াব লাগিব, কিন্তু পষ্ট বঢ়া নাই। আমি লেবৰেটৰীত যি পাইছো— ২০০১-০২ ত আমি বেয়া পাইছো। ১১ শতাংশ পাইছো। ২০০২-০৩ ত ১০.২ শতাংশ পাইছো আৰু ২০০৩-০৪ ত পাইছো ৪.২ শতাংশ। এই ঔষধ ভেজালকাৰীসকলৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ হ'লে আমি কৰ্টলৈ যাব লাগিব।

***শ্ৰীপবিত্ৰ ডেকা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ঔষধৰ নমুনা পৰীক্ষা কৰি যিবিলাক ঔষধ ইতিমধ্যে নিম্নমান আৰু ভেজাল বুলি প্ৰমাণ পাইছে, যিসকল বিষয়া ইয়াৰ লগত জড়িত আছে সেইসকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা ল'ব নে নাই ?

***ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, দোষী লোকসকলৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব। মাননীয় কোৰ্টে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা ল'ব।

***শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মেডিকেল কলেজত শিশু বিক্ৰি হৈছে, আজি ঔষধ ভেজাল হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক মই প্ৰশ্ন কৰিছো যে তেখেতৰ পি. এচ. আৰু মাননীয় মন্ত্ৰী মহোদয় চাপ্লায়াৰ নেকি? মাননীয় মন্ত্ৰী মহোদয়ে যোগান ধৰে নেকি? অসমত আজি দুৰ্নীতিয়ে চানি ধৰিছে। মাননীয় মন্ত্ৰী মহোদয়ে ৰিজাইন দিয়ক। চাপ্লায়াৰৰ কাম কৰক। আজি আমাৰ ইয়াত শিশু বিক্ৰি হ'ল। (তাৰ পিচত সদনত হুল-স্থুল কাৰো কথা শুনা নাযায়)

Mr. Speaker :- Now, Starred Question No. 86, Hon'ble Member, Shri Sushil Dutta.

বিষয় ঃ- দৰমহাৰ পৰিমাণ।

শ্ৰীসুশীল দত্তই সুধিছে ঃ

***৮৬। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) অঙ্গনবাদী worker আৰু helper সকলৰ দৰমহা কিমান? তেওঁলোকৰ দৰমহা বৃদ্ধিৰ বাবে চৰকাৰে কিবা চিন্তা কৰিছেনে?

খ) লামডিং সমষ্টিত কিমান অঙ্গনবাদী Centre আছে আৰু প্ৰতিটো Centre ৰ বিপৰীতে worker আৰু helper ৰ নাম সদনত দাখিল কৰিবনে?

** Speech not corrected.*

শ্রীগৌতম ৰয় (মন্ত্রী, সমাজ কল্যাণ বিভাগ)য়ে উত্তৰ দিছে ঃ

ক) অঙ্গনবাদী worker আৰু helper সকলক দৰমহা দিয়া নহয়। তেখেতসকলক মাননী হিচাবে যথাক্রমে ১০০০.০০ (এহেজাৰ টকা) আৰু ৫০০.০০ (পাঁচশ) টকাকৈ দি থকা হৈছে। তেখেতসকলৰ মাননী বৃদ্ধিৰ বাবে অসম চৰকাৰে বৰ্ত্তমানে কোনো নির্দ্দেশনা কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা নাই।

খ) সমষ্টি ভিত্তিত অঙ্গনবাদী কেন্দ্র স্থাপন কৰা নহয়। খন্দ উন্নয়ন ভিত্তিতহে হয়। লামডিং সংহত শিশু উন্নয়ন প্রকল্পত ১০০ টা অঙ্গনবাদী কেন্দ্র আছে। কর্মী ও সহায়িকাসকলৰ নামৰ তালিকা বিচৰা হৈছে।

*শ্রীসুশীল দত্ত ঃ- মাননীয় অধ্যক্ষ মহোদয়, অঙ্গনবাদী কর্ম্মিসকলৰ সৰু-সুৰা ল'ৰা-ছোৱালীৰ শিক্ষাৰ লগত জড়িত। এই শিশুসকলেই আমাৰ দেশৰ ধ্বনি স্বৰূপ। এই অঙ্গনবাদী কর্ম্মিসকল বৰ দুখীয়া-দুখীয়া ঘৰৰ পৰা অহা। এইসকলৰ দৰমহা বঢ়োৱাৰ কিবা চেষ্টা চৰকাৰে কৰিছে নেকি। তেওঁলোকে দৰমহা যাতে ঠিকমতে হয় তাৰ ব্যৱস্থা চৰকাৰে কৰিছে নেকি।

*শ্রীগৌতম ৰয় (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, অঙ্গনবাদী ৰৰ্কাৰ আৰু হেল্পাৰসকলক দৰমহা দিয়া নহয়। তেখেতসকলক মাননী হিচাবে ক্রমে এহেজাৰ আৰু ৫০০ টকাকে দি থকা হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্রী তৰুণ গগৈৰ নেতৃত্বত আমি তেওঁলোকক ঠিকমতে দৰমহা পাতি দিব পাৰিছো। ৩ মাহৰ ভিতৰত আমাৰ মুখ্যমন্ত্রী ডাঙৰীয়াই ১০ কোটি ৪৬ লাখ টকা মোকলাই দিছে। গতিকে আমি ঠিক মতে পাব বুলি আশা কৰিব পাৰি। অঙ্গনবাদীসকলৰ দৰমহা আমি বঢ়াব নোৱাৰো। এইটো কেন্দ্রীয় চৰকাৰে কৰিব লাগিব। আপোনালোকে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰিব পাৰে।

*শ্রীসুশীল দত্ত ঃ- মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নত্তোৰ 'খ'নংত মই এটা প্রশ্ন কৰিছিলো, যিটো মই যোৱা অধিৱেশনতো কৰিছিলো। সমষ্টি বিলাকত কিমান অঙ্গনবাদী কেন্দ্র আছে আৰু প্রতিটো কেন্দ্রৰ বিপৰীতে কিমান ৰৰ্কাৰ আৰু হেল্পাৰ আছে। আমি এইটো জানিব লাগে কাৰণ আমি কামত বহুতো অঞ্চল ঘূৰি ফুৰিব লাগে। সেই বোৰত কি কি উন্নয়ন হৈছে জনাৰ বাবে এই নামবোৰ আৰু সংখ্যা জনাতো দৰকাৰী। কর্ম্মীসকলে কি কাম কৰিছে সেইটো জনাতো এজ. এ. এম. এল. এ. আমাৰ দৰকাৰ। গতিকে বিভাগীয় মন্ত্রী মহোদয়ৰ পৰা মই এই খিনি বিচাৰিছো।

*শ্রীগৌতম ৰয় (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মোৰ চাপ্লিমেণ্টেৰিৰ উত্তৰতো আগতে দিয়ক। মাননীয় সদস্যগৰাকীয়ে কৈছে নান বিলাক দৰকাৰ। এই বিলাক

*Speech not corrected

কৰোতে আমাক কিছু সময়ৰ প্ৰয়োজন হ'ব। গতিকে মই পিচত জনাম।

Mr. Speaker :- Now, Starred Question No. 87, Hon'ble Member, Dr. Tara Prasad Das.

বিষয় ঃ- হস্পিতাল মেৰামতি।

ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ

***৮৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) যোৱা বিত্তীয় বৰ্ষত অসমত কিমান সংখ্যক হস্পিতাল, প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, চাব-চেন্টাৰ মেৰামতি/পুনৰ নিৰ্মাণ কৰা হ'ল ?

খ) স্বাস্থ্য বিভাগে বিশ্ব বেংকৰ PMGY আঁচনিৰ জড়িয়তে মুঠ কিমান পৰিমাণৰ টকা সাহায্য আৰু অনুদান লাভ কৰিছিল আৰু কোন কোন শিতানত কিমান পৰিমাণৰ টকা ব্যয় কৰিছে? (পৃথকে পৃথকে টকাৰ পৰিমাণ সহ বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

গ) যোৱা বিত্তীয় বৰ্ষত PMGY আঁচনিৰ জড়িয়তে ক্ৰয় কৰা ঔষধ নিম্নমানদণ্ডৰ বুলি অভিযোগ উত্থাপিত হোৱাটো সঁচানে? যদি সঁচা, ইয়াৰ বিহীত ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

ঘ) গাওঁ অঞ্চলৰ PHC, CHC, Sub-centre সমূহত ডাক্তৰ, নাৰ্চ আদি নিয়মিত উপস্থিত থকাৰ ঘোষণা কিমানদূৰ কাৰ্য্যকৰী কৰা হ'ল ?

ঙ) বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিত অহা বিত্তীয় বৰ্ষত নতুন হস্পিতাল, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰে কিবা আঁচনি গ্ৰহণ কৰিছে নেকি?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) যোৱা বিত্তীয় বৰ্ষত অসমত বিভিন্ন পৰ্য্যায়ৰ চিকিৎসা অনুস্থান মেৰামতি আৰু পুনৰ নিৰ্মাণ কৰা সংখ্যা তলত উল্লেখ কৰা হ'ল—

১) সামূহিক স্বাস্থ্য কেন্দ্ৰ (CHC)	-	১৭
২) প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ/ৰাজ্যিক চিকিৎসালয় (PHC/State Dispensary)	-	৫৩
মুঠ	=	৭০

PMGY আঁচনিৰ অধীনত স্বাস্থ্য উপকেন্দ্ৰ মেৰামতি তথা পুনৰ নিৰ্ম্মাণ কৰা হোৱা নাই।

খ) PMGY বিশ্ব বেংকৰ আঁচনি নহয়। অতিৰিক্ত কেন্দ্ৰীয় সাহায্য পুঁজিৰ আঁচনিহে। শিতান অনুযায়ী সাহায্য ও ব্যয়ৰ হিচাপ তলত উল্লেখ কৰা হ'ল—

চিকিৎসানুস্থানৰ মেৰামতি ও পুনৰ নিৰ্মাণৰ শিতানত ব্যয় কৰা ধনৰ হিচাব—

টকা লাখৰ হিচাপত

বিত্তীয় বৰ্ষ	আৱণ্টিত ধন	ব্যয়
২০০০-০১	৯৯৩.০০	৯৯৩.০০
২০০১-০২	১৮৬০.০০	১৮৬০.০০
২০০২-০৩	৭২৩.০০	২৬০.০০
২০০৩-০৪	১৬৭৬.০০	১০০০.০০
২০০৪-০৫	১৩৭৬.০০	১১৪০.০০
ঔষধ ও অন্যান্য উপভোগ্য সামগ্ৰী ঃ		
২০০০-০১	১৪১৭.০০	১৪১৮.০০
২০০১-০২	১৮৬০.০০	১৮৬০.০০
২০০২-০৩	১৩২৩.০০	৮১০.০০
২০০৩-০৪	১৬৭৬.০০	১৫৭৬.০০
২০০৪-০৫	১৩৭৬.৫০	১৩৭৬.০০
	৭৬৫৩.৫০	৭০৪০.০০

গ) PMGY আঁচনিৰ জড়িয়তে ক্ৰয় কৰা ঔষধৰ মানদণ্ড নিম্নমানৰ বুলি উত্থাপিত অভিযোগটো সঁচা নহয়, যিহেতু ঔষধ ক্ৰয় কৰাৰ পূৰ্ব্বে আঞ্চলিক ঔষধ পৰীক্ষাগাৰ কেন্দ্ৰৰ দ্বাৰা নমুনা পৰীক্ষা কৰি লোৱা হয়। ইতিমধ্যে এইক্ষেত্ৰত অধিক সতৰ্কতা লোৱা হৈছে আৰু ঔষধ নিয়ন্ত্ৰণ বিভাগক পূৰ্ব্বতকৈ অধিক পৰিমাণৰ ঔষধৰ নমুনা পৰীক্ষাগাৰলৈ পঠিয়াবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

ঘ) গ্ৰামাঞ্চলৰ বিভিন্ন পৰ্য্যায়ৰ চিকিৎসালয় সমূহত ডাক্তৰ আৰু নাৰ্চ ও অন্যান্য কৰ্ম্মচাৰীসকলৰ নিয়মিত উপস্থিত থকাৰ বাবে চৰকাৰে কঠোৰ স্থিতি গ্ৰহণ কৰাত, পৰিস্থিতিৰ যথেষ্ঠ উন্নতি হৈছে। ইতিমধ্যে এক চৰকাৰী নিৰ্দ্দেশ যোগে

চিকিৎসালয়ত অনিয়মীয়া বা কতৃত্ববিহীনভাবে অনুপস্থিত থকা ডাক্তবসকলব দৰমহা কর্ত্তনকে আদি কৰি অন্যান্য প্রশাসনীয় ব্যৱস্থা লোৱাব বাবে প্রতিমাহব ৭ তাৰিখৰ ভিতৰত জিলাৰ যুটীয়া সঞ্চালকসকলক প্রতিবেদন দিবলৈ নির্দ্দেশ দিয়া হৈছে।

ঙ) বৰপেটা জিলাৰ সৰুক্ষেত্রী সমষ্টিত অহা বিত্তীয় বর্ষত নতুন হাস্পাতল, PHC স্থাপনৰ বাবে চৰকাৰে কোনো আঁচনি লোৱা নাই।

***ডাঃ তাৰাপ্রসাদ দাস** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে সর্থেবাৰীত চি. এইচ. চি.ৰ হস্পিতালৰ যি বাউন্দেৰি ওৱালৰ কাম হৈছিল সেইটো ৩ মাহ নহওঁতেই ভাঙি গ'ল। সেই ঠিকাদাৰৰ বিৰুদ্ধে কিবা শাস্তিমূলক ব্যৱস্থা লৈছিল নেকি। সেইজন ঠিকাদাৰেই আৰু কাম পাইছে। সেইটো চৰকাৰে ব্যৱস্থা লৈছে নে নাই ?

***ডাঃ ভূমিধৰ বর্মন (মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আমি কনষ্ট্রাকচনৰ কাম গড়কাপ্তানি বিভাগক দি দিওঁ তেওঁলোকেহে কনষ্ট্রাকচনৰ কাম কৰে। লিখিতভাবে অভিযোগ দিয়ক তেতিয়া আমি বিষয়টো চাম।

***ডাঃ তাৰাপ্রসাদ দাস** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয় চিন্তাক্লিষ্ট হৈ পৰিছে। মই এটা পৰামর্শ দিব খুজিছো। খানাপাৰাৰ ঔষধ পৰীক্ষাগাৰতো উন্নত কৰাৰ ব্যৱস্থা কৰিব লাগে। পাব্লিক এনালাইচিচৰ মান উন্নত কৰি ইয়াতে ভেজাল ঔষধ টেষ্ট কৰাৰ ব্যৱস্থা কৰিব লাগে। যাতে ঔষধৰ মান উন্নত হয়।

***ডাঃ ভূমিধৰ বর্মন (মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আঞ্চলিক পৰীক্ষাগাৰ উন্নত কৰাৰ চেষ্টা কৰা হ'ব। পাব্লিক এনালাইচিচৰ ক্ষেত্রত এইটো কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰি ব্যৱস্থা ল'ব লাগিব।

এই ঔষধ বিলাক টেণ্ডাৰ লৈ কিনা হৈছে ভাৰত চৰকাৰৰ আন্দাৰ টেকিং কোম্পানী বিলাকৰ পৰা। মাননীয় সদস্য গৰাকীয়ে যিটো প্রশ্ন কৰিছে তাৰ কাৰণে বেলেগ প্রশ্ন লাগিব এই সংক্রান্তত দিটেইলচ ক'ব নোৱাৰিম। তেখেত জেষ্ঠ্য সদস্য। কিবা থাকিলে তেখেতে মোক চিঠি দিব ১০ দিনৰ ভিতৰত মই তেখেতসকলক জনায় দিম। ১০ দিনত নোৱাৰিলেও ১৫ দিনত দিম। তেখেতৰ কথাটো ১০ দিনত জনাব পাৰিম। মই এই কথা দাঠি ক'ব পাৰো যে ইল্লিগেলী কোনো বস্তু আমি বেছি দামত কিনা নাই।

***ড° জয়নাথ শর্ম্মা** ঃ- ইল্লিগেলী কিনা নাই মানে লিগেলী বেছি দামত কিনিছে নেকি?

** Speech not corrected*

*ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ- টেণ্ডাৰ লৈ ডাঙৰ ডাঙৰ কোম্পানী বিলাকৰ পৰা কিনা হৈছে— যিবিলাক ৰেপুটেড কোম্পানী। আপোনালোকৰ দিনত ক'ৰ পৰা ঔষধ কিনিছিল আমাৰ জনা আছে। (হাহাকাৰ একো শুনা নাযায়)

*শ্ৰীবৃন্দাবন গোস্বামী ঃ- আপোনাৰ বিভাগৰ ইৰেগুলাৰিটিৰ তথ্য আমাৰ হাতত আছে। এই বিলাক ৰাখি থৈছো একেলগে দিম লিখিত আকাৰে।

Mr. Speaker :- Now, Starred Question No. 88, Hon'ble Member, Shri Karendra Basumatary.

Sub :- Improvement of Road.

Shri Karendra Basumatary asked :

***88. Will the Minister of P. W. D. be pleased to state :**

a) Whether Government has allocated fund for repairing and improving the Orang Mazbat Rupa road under NEC of Darrang district ?

b) Whether the Government is aware that the P. & D. Department of the Government of Assam has recommended to the NEC for the extension of Orang Mazbat Rupa NEC road connecting Orang Dalgaon P.W.D. road via Orang National Park ?

c) If so, what is the progress of the proposal ?

Shrimati Ajanta Neog (Minister of State, P.W.D.) replied :

a) Yes.

b) Yes.

c) Proposal is under process.

*শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ- অধ্যক্ষ মহোদয়, ওৰাং মাজবাট ৰাস্তাটোত কিমান টকা আৱণ্টন দিছে জনাব নেকি ইয়াত উল্লেখ কৰা নাই।

** Speech not corrected*

*শ্রীমতী অজন্তা নেওগ (ৰাজ্যিক মন্ত্রী) ঃ- এই ৰাস্তাটোৰ কাৰণে ২৫ লাখ টকা এন.ই.চি.ৰ পৰা পাইছো

*শ্রীকৰেন্দ্র বসুমতাৰী ঃ- কিমান টকা ৰিলিজ কৰিছে? কাম আৰম্ভ হৈছে নে নাই ?

*শ্রীমতী অজন্তা নেওগ (ৰাজ্যিক মন্ত্রী) ঃ- ১০ লাখ টকা মঞ্জুৰী হৈছে কাম আৰম্ভ কৰা হৈছে।

*শ্রীকৰেন্দ্র বসুমতাৰী ঃ- এই ৰাস্তাটোৰ এক্সটেনচনৰ কাৰণে প্রস্তাৱ দিয়া বুলি শুনিছো প্রস্তাৱটো এন.ই.চিত গৈছে নে ক'ত গৈছে জনাব নে ?

*শ্রীমতী অজন্তা নেওগ (ৰাজ্যিক মন্ত্রী) ঃ- এই ৰাস্তাটো এক্সটেনচনৰ কাৰণে দশম পৰিকল্পনাত এটা প্রস্তাৱ এন.ই. চিত দিয়া হৈছে।

*শ্রীকৰেন্দ্র বসুমতাৰী ঃ- এই ৰাস্তাটোৰ দৈর্ঘ্য কিমান? ইয়াৰ কিছু অংশ অৰুণাচলত পৰে গতিকে তেওঁলোকক জড়িত কৰিবলৈ তেওঁলোকৰ লগত যোগাযোগ কৰা হৈছে নে?

*শ্রীমতী অজন্তা নেওগ (ৰাজ্যিক মন্ত্রী) ঃ- ৰাস্তাটোৰ দৈর্ঘ্য ২৫ কি.মি.। অৰুণাচলৰ লগত ইয়াৰ সম্পর্ক আছে কাৰনেই এন.ই.চিত প্রস্তাৱ দিয়া হৈছে, তেখেতসকলৰ লগত যোগাযোগ কৰি থকা হৈছে, তেখেতসকলে ৰাস্তাটো আৱণ্টন দিয়া বুলি চিঠিযোগে জনাইছে।

*শ্রীকৰেন্দ্র বসুমতাৰী ঃ- এই ৰাস্তাটোত ২২/২ অংশত এখন আৰ.চি.চি দলং আছিল সেইখন ইতিমধ্যে ভাঙি গৈছে এটা চাৱৰে কৰি এখন কাঠৰ দলং দিয়া হৈছে, ৰাইজৰ তাগিদাত যদিও টকা এতিয়ালৈকে পোৱা নাই। গতিকে এই দলংখন স্থায়ীভাৱে আৰ.চি.চি কৰা প্রস্তাৱ আছে নে?

*শ্রীমতী অজন্তা নেওগ (ৰাজ্যিক মন্ত্রী) ঃ- সম্প্রতি তেনে প্রস্তাৱ নাই। কিন্তু ননলেপচেবল পুলৰ পৰা দলংখন সোনকালে কৰাৰ ব্যৱস্থা কৰা হ'ব।

*শ্রীকৰেন্দ্র বসুমতাৰী ঃ- মুখ্য অভিযন্তাই প্রাক্কলন পঠিওৱা বুলি কৈছে গতিকে অতি সোনকালে চিলঙলৈ পঠিওৱাৰ ব্যৱস্থা কৰিব নে ?

*শ্রীমতী অজন্তা নেওগ (ৰাজ্যিক মন্ত্রী) ঃ- নিশ্চয় ব্যৱস্থা কৰা হ'ব।

*শ্রীনীলমণি সেন ডেকা ঃ- অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ দুটা ৰাস্তা

এন.ই.চিয়ে লোৱা দুবছৰ হ'ল। আখৰা বিহামপুৰ আৰু সাপেখাইটি।

মাননীয় অধ্যক্ষ ঃ- এইটো ওৰাং মাজবাটৰ কথা ইয়াত এইটো নাহে।

***শ্রীনীলমণি সেন ডেকা ঃ-** বাতৰি কাকতত পাইছো ৮ কোটি লেপচ হোৱা বুলি সেই কাৰণে তেখেতৰ দৃষ্টি আকর্ষণ কৰিব বিছাৰিছো।

***শ্রীমতী অজন্তা নেওগ (ৰাজ্যিক মন্ত্রী) ঃ-** তেখেতে বহুবাৰ ব্যক্তিগতভাবে মোক কৈছে। ৰাস্তা দুটা টেণ্ডাৰ কমিটিত আছে কাম আৰম্ভন কৰা হ'ব।

Mr. Speaker :- Starred Question No. 89, Hon'ble Member, Shri Monilal Gowala.

Sub :- Karimganj District Veterinary Office.

Shri Monilal Gowala asked :

***89. Will the Minister of Veterinary be pleased to state :**

a) Whether the Government knows that there is one Rinderpest check Dispensary at Lowarpowa under the Karimganj District Veterinary Office ?

b) If so, whether the Government also knows that the building alongwith the staff quarters of the said dispensary are in a very bad shape and needed renovation ?

c) If so, would the Government sanction adequate amount for renovation ?

d) Whether Government knows that there is no medical officers in this Dispensary ?

e) Would the Government give posting of a medical officer soon to make it purposeful ?

Shri Gobinda Chandra Langthasa (Minister of Veterinary) replied :

a) Yes, there is a Rinderpest Check post at lowarpowa under

Rinderpest Eradication Scheme of A.H. & Veterinary Department in the District of Karimganj of Assam.

b) The Building alongwith the staff quarters of the Check post are in bad condition.

c) Action will be taken subject to the availability of fund for repairing of the Check post.

d) There is no Veterinary Officer in the Check post.

e) Since the post of Veterinary Officer at the Check post is not sanctioned, a Veterinary Field Assistant & a Grade-IV employee are rendering their services in the Check post since the establishment of the Check post in the year 1990.

***Shri Monilal Gowala :-** The conditions of the buildings, Dispensary along with staff quarters are in a very bad shape and requires renovation. Will the Minister kindly take steps in this regard please ?

***Shri G.C. Langthasa (Minister) :-** Yes, Government is aware about the bad shapes of the buildings etc. Renovation/repairs of Veterinary Hospitals, State Dispensaries and Sub-centres are required to be done i.e. undertaken throughout the State of Assam. Availability of the Fund is required for this. For renovation & repairing activities of Veterinary Department it is requested that a sum of at least Rs. 5.00 Crores (Not more than Rs. 10.00 Crores) be given by the dynamic and young Minister of State, Finance, Shri Himanta Biswa Sarma to us. I, now, request all the Members of the House and also the Hon'ble Minister, Finance to release the fund please, to enable the Department to meet the expenditure which will be required in the entire State of Assam, Veterinary Department.

(Starred Questions No. 90 & 91 were not taken up for disposal as the questioners were not present in the House

** Speech not corrected*

when called for. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ- উপ স্বাস্থ্য কেন্দ্র ।

শ্রীৰাজু চাহুয়ে সুধিছে ঃ

***৯০। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ডিব্রুগড় আৰু তিনিচুকীয়া জিলাৰ বিভিন্ন ভিতৰুৱা অঞ্চলসমূহত থকা উপ-স্বাস্থ্য কেন্দ্রসমূহত চিকিৎসককে আদি কৰি স্বাস্থ্য কর্মী পর্য্যাপ্ত পৰিমাণে নথকাটো চৰকাৰৰ অৱগতনে ?

খ) যদি অৱগত, তেন্তে ইয়াক কার্য্যকৰী কৰিবলৈ কি ধৰণৰ ব্যৱস্থা লৈছে আৰু কিমান দিনৰ ভিতৰত পূৰণ কৰিব ?

ডাঃ ভূমিধৰ বর্মন (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) উপ-স্বাস্থকেন্দ্রত ডাক্তৰ নিয়োগ কৰা নহয়। এই উপ-স্বাস্থ্য কেন্দ্রত সাধাৰণতে এজনী ANM থাকে। তিনিচুকীয়া আৰু ডিব্রুগড় জিলাত কিছু সংখ্যক এ.এন.এমৰ পদ খালি থকাটো সত্য।

খ) এ.এন.এম. নিয়োগৰ বাবে চৰকাৰে বাছনী পৰীক্ষা আদি সম্পূর্ণ কৰিছে। কিন্তু মাননীয় উচ্চ ন্যায়ালয়ত কেইটামান গোছৰ চলি থকা হেতুকে নিযুক্তিৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই। গোছৰসমূহৰ নিস্পত্তিৰ বাবে চৰকাৰে তদবীৰ লৈছে আৰু নিস্পত্তি হোৱাৰ লগে লগে পদসমূহ পূৰণ কৰা হ'ব।

Sub :- No. of sanctioned posts of teaching staff in S.M.C.H.

Shri Bimolangshu Roy asked :

***91. Will the Minister of Health & Family Welfare be pleased to state :**

a) Howmany sanctioned posts of teaching staff are there in

S.M.C.H. (different departments may be shown seperately) and as against how many teaching staff are actually working in S.M.C. & how many are working outside S.M.C. (department wise names may be furnished with their place of posting)? How many unrecognised P.G. courses are running in S.M.C. & since how long ?

b) Is there any Professor or Associate Professor of department of Gynoecology & are they working in S.M.C.H.? If not, where from they are drawing salaries and where they are posted? For how many years Dr. Pronoy Kr. Nath is working as Asstt. Professor in S.M.C.H. ?

c) How many Asstt. Professors have superseded him and what is the reason for his stagnation more particularly when he has been looking after the entire department in absence of Professor and Associate Professor ?

d) Is the Govt. aware about the threat of derecognition of different departments of S.M.C.H. in absence of requisite Teaching staff ? If so, what specific steps have so far been taken by the Government ?

e) Who is looking after the function of Principal S.M.C. and who is actual Principal & where he is posted at present & when the latest order passed ?

Dr. Bhumidhar Barman (Minister of Health & F.W. Department) replied :

a) The Department wise number of teaching staff working in S.M.C.H. against the sanctioned posts alongwith the No. of teachers working outside S.M.C.H. is enclosed as Annexure-I.

The number of unrecognised Department running in S.M.C.H. is enclosed at Annexure-II. (See Annexure-III).

b) Yes, Dr. Binit Baruah, and Dr. Ashish Kumar Bhattacharyya, were posted to S.M.C.H. as Professor and Associate Professor in the Gynoecology Department but they have been now working ar A.M.C. and G.M.C. respectively and drawing their salaries from the respective colleges. Dr. Pranoy Kr. Nath, Asstt. Professor has been working since 12.12.95. The Professor & Associate Professors mentioned above have been detached from A.M.C., G.M.C. and directed to join at S.M.C.

c) The promotion of Doctors in the Medical Colleges are made in terms of seniority, observance of roster point and as per norms fixed by Medical Council of India (MCI). It is not a fact that Dr. Pranoy Kr. Nath has been superseded.

d) There is no threat of de-recognition. However Government has already processed for creation of 50 numbers of Addl. teaching posts, supply of essential equipments etc. to meet up the deficiencies in terms of norms of Medical Council of India.

e) Dr. Debajit Hazarika, who was earlier posted as Principal-Cum-Chief Superintendent has now been posted at A.M.C.H. vide Notification No. HLB. 36/2002/188 dated 15.7.2005 and Dr. S. S. Dhar, Professor & Head of Department of Ophthalmology Department is holding the current charge of Principal-cum-Chief Superintendent.

Mr. Speaker :- Now, Starred Question No. 92, Hon'ble Member, Shri Gunin Hazarika.

বিষয় ঃ- মেডিকেল কলেজত নাম ভর্ত্তি।

শ্রীগুণীন হাজৰিকাই সুধিছে ঃ

***৯২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ৰাজ্য চৰকাৰে ঘোষণা কৰা মেডিকেল কলেজ কেইখনৰ বাবে MCI ৰ অনুমতিৰ বাবে আবেদন কৰিছে নেকি? যদি কৰিছে, আবেদনৰ প্রতিলিপি দাখিল কৰিবনে ?

খ) তিনিবছৰীয়া পাঠ্যক্রমৰ মেডিকেল শিক্ষানুস্থানত কিমান ছাত্র-ছাত্রীয়ে নাম ভর্ত্তি কৰিছে? পাঠ্যক্রম কোন বিশ্ববিদ্যালয়ে অনুমোদন কৰিছে?

গ) ২০০৫ চনৰ অসমৰ মেডিকেল কলেজ আৰু ডেণ্টেল কলেজ কেইখনত নাম ভর্ত্তি হোৱা ছাত্র-ছাত্রীৰ (প্রতিখন কলেজৰ বিপৰীতে) নামৰ তালিকা দাখিল কৰিব আৰু লগতে waiting list ত থকা ছাত্র-ছাত্রীসকলৰ নামো দাখিল কৰিবনে?

ডাঃ ভূমিধৰ বর্মন (মন্ত্রী, স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগ)য়ে উত্তৰ দিছেঃ

ক) ৰাজ্য চৰকাৰে ঘোষণা কৰা নতুন মেডিকেল কলেজ তিনিখনৰ বাবে ইতিমধ্যে Application Form সংগ্রহ কৰা হৈছে আৰু নির্দ্দিষ্ট সময় সীমাৰ ভিতৰত প্র-পত্র সম্পূর্ণ কৰি ভাৰত চৰকাৰৰ স্বাস্থ্য ও পৰিয়াল কল্যাণ মন্ত্রণালয়ত জমা দিয়া হ'ব। যাৱতীয় কাম সম্পূর্ণ হোৱাৰ পাচতহে MCI এ পাঠ্যক্রম আৰম্ভ কৰাৰ অনুমতি দিয়ে।

খ) তিনি বছৰীয়া পাঠ্যক্রমৰ মেডিকেল শিক্ষানুষ্ঠানত বর্ত্তমান নাম ভর্ত্তিৰ প্রক্তিয়া চলি আছে। এই পাঠ্যক্রম কোনো বিশ্ববিদ্যালয়ৰ অধীনত নহয়। এই পাঠ্যক্রম Assam Rural Health Ragulatory Authority ৰ দ্বাৰা স্বীকৃত।

গ) তিনিওখন মেডিকেল কলেজ, ডেণ্টেল কলেজত নাম ভর্ত্তি হোৱা ছাত্র-ছাত্রীৰ

তালিকা প্র-পত্র (ক,খ,গ, আৰু ঘ) আৰু waiting list ত থকা ছাত্র-ছাত্রীৰ নাম ভর্ত্তিৰ তালিকা প্র পত্র(ঙ) হিচাবে সদনৰ মেজত দাখিল কৰা হ'ল।

***শ্রীগুণীন হাজৰীকা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে নতুনকৈ যি তিনিখন মেডিকেল কলেজ খোলাৰ কথা আছিল তাৰ কাৰণে এপ্লিকেশ্যন ফর্ম এতিয়াও সংগ্রহ কৰি থকা হৈছে। যোৱাবাৰ বিধানসভাত তিনিখন মেডিকেল কলেজ খোলাৰ কথা কৈছিল। এতিয়ালৈকে যদি এপ্লিকেশ্যন ফর্ম সংগ্রহেই কৰি আছে, তেন্তে মেডিকেল কলেজখন খুলিব কেতিয়া? কোন চনৰ পৰা এই কলেজ কেইখন আৰম্ভ হ'ব ?

***ডাঃ ভূমিধৰ বর্মন (মন্ত্রী)** ঃ- অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি কামত আগবাঢ়িছোঁ। ছাৰ, আমাৰ কথা হৈছে আমি এপ্লিকেশ্যন ফর্মবোৰ ফিলআপ কৰাৰ আগতে আমাৰ যি তিনিশখন বিছনাৰ প্রয়োজন ক্রাইটেৰীয়ামতে সেই বিছনাখিনিৰ কাৰণে ব্যৱস্থা কৰি থকা হৈছে। আমাৰ যোৰহাট, শোণিতপুৰ (কনকলতা মেডিকেল কলেজ) আৰু আনখন ৰৰপেটাত কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু এইবোৰত তিনিশখন বিছনাৰ বাবে ব্যৱস্থা কৰি থকা হৈছে। গতিকে এই তিনিখন মেডিকেল কলেজৰ কাৰণে বিছনাৰ প্রস্তুতি সম্পূর্ণ হ'লেই আমি একলগে এই ফর্মবোৰ ফিলআপ কৰাৰ ব্যৱস্থা কৰিম। নহ'লে এই বিছনাখিনি সম্পূর্ণ নহ'লে এম.চি.আয়ে চিধাই নাকচ কৰি দিব। আমাৰ টকা পইচা আছে তাৰ কাৰণে আমি কামত আগবাঢ়ি আছোঁ। আমি ইতিমধ্যে এই তিনি মেডিকেল কলেজৰ কাৰণে প্রিন্সিপালো নিয়োগ কৰিছোঁ।

***শ্রীগুণীন হাজৰীকা** ঃ- অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে হস্পিটাল উন্নয়নৰ কাৰণে যত্ন কৰিছে বুলি কৈছে বুজিলোঁ কিন্তু মই জানিব বিচাৰিছোঁ চৰকাৰৰ টার্গেট কিমান চনত? কোন চনত সম্পূর্ণ কৰিবলৈ টার্গেট লৈছে? লগতে নিযুক্ত কৰা প্রিন্সিপাল কেইজনৰ নামবোৰ জনাবনে?

***ডাঃ ভূমিধৰ বর্মন (মন্ত্রী)** ঃ- অধ্যক্ষ মহোদয়, আমাৰ টার্গেটৰ কথা নহয় আগতে আমাক এম. চি. আইৰ পাৰমিশ্যন লাগিব। তেওঁলোকে পাৰমিশ্যন দিব লাগিব। মইটো এই বছৰতে কৰিব বিচাৰো। কিন্তু আমি যি খিনি কৰিব লাগিব পাৰমিশ্যন পাবৰ কাৰণে, সেইবোৰ আগতে কৰি ল'ব বিচাৰিছোঁ। তেওঁলোকৰ ইনষ্ট্রাকশ্যন মানিবই লাগিব। এম.চি.আইৰ পৰা মানুহ আহিব, চাব আৰু তেওঁলোকে "ইয়েচ গ' এহেড" বুলি ক'ব লাগিব, তেতিয়াহে আমি সম্পূর্ণ কৰিব পাৰিম। তাৰ আগতে আমি তিনিশখন বিছনাযুক্ত

হস্পিটাল কৰিব পাৰিবই লাগিব। এতিয়া আমি ব্যৱস্থা কৰি আছো, কৰবাত কৰবাত অলপ অলপ কম আছে, কৰবাত হয়তো ২০০ খন আছে। সেয়ে সেইখিনি সম্পূর্ণ কৰিব বিচাৰিছো আগতে সোনকালে কৰিব খুজিছোঁ। তাৰ পিছৰ তিনিজন প্রিন্সিপালৰ যি কথা ক'লে, তেজপুৰৰজনৰ কাৰণে ডাঃ প্রনৱ বৰুৱা, আনজন ডাঃ কৰকৰা আগতে অসম মেডিকেল কলেজত আছিল, বৰপেটাৰ কাৰণে, আৰু আনজন যোৰহাটৰ কাৰণে ডাঃ ধ্রুবজ্যোতি হাজৰীকা।

***ডাঃ অর্ধেন্দু দে** ঃ- মাননীয় অধ্যক্ষ মহোদয়, প্রি-মেডিকেল কর্চৰ কাৰণে এনাটমী, ফিজিকচ্, বায়ু-কেমিষ্ট্রী আদি নহ'লেও হয়। সেয়ে প্রথম বছৰটো ষ্টার্ট কৰিব পাৰে দেখোন? এইটোৰ ব্যৱস্থা মন্ত্রী মহোদয়ে ল'বনে?

***ডাঃ ভূমিধৰ বর্মন (মন্ত্রী)** ঃ- তেওঁলোকৰ ইনফ্রাষ্ট্রাকসাৰ আছে যে তিনিশখন বিছনা থকা হ'ব লাগিব, সেইটো আগতে কৰিবই লাগিব। তাৰ পিচতহে আৰম্ভ কৰিব পৰা যাব।

***শ্রীমতী প্রমীলাৰাণী ব্রহ্ম** ঃ- অধ্যক্ষ মহোদয়, যোৱা বিধানসভাত তিনিখন মেডিকেল কলেজ অসমত স্থাপন কৰাৰ কথা ঘোষণা কৰোতে আমি বি.টি.এ.ডি অঞ্চলত এখন অন্তঃত স্থাপন কৰিব লাগে বুলি দাবী কৰিছিলোঁ। মুখ্যমন্ত্রী মহোদয়ে এখন কোকৰাঝাৰত দিব পৰা যাব বুলিও কৈছিল।

এতিয়া মন্ত্রী মহোদয়ে সেই ক্ষেত্রত কিমান কাম আগবাঢ়িছে আমাক জনাব লাগে।

***ডাঃ ভূমিধৰ বর্মন (মন্ত্রী)** ঃ- অধ্যক্ষ মহোদয়, বর্ত্তমান আমি তিনিখন মেডিকেল কলেজ কৰিবলৈ লৈছোঁ। কোকৰাঝাৰৰ কথাটো এতিয়াই অহা নাই।

***শ্রীমতী প্রমীলাৰাণী ব্রহ্ম** ঃ- চৰকাৰে বিবেচনা কৰিবনে? আশ্বাস এটা দিবনে?

***ডাঃ ভূমিধৰ বর্মন (মন্ত্রী)** ঃ- অধ্যক্ষ মহোদয়, এতিয়ালৈকে চৰকাৰৰ হাতত এই তিনিখনৰ কথাহে আহিছে। মই এনেয়ে এটা আশ্বাস সদনৰ মজিয়াত দিব নোৱাৰোঁ।

Mr. Speaker : Now, Starred Question No. 93, Hon'ble Member, Shri Sarbananda Choudhury.

বিষয় ঃ- দুগ্ধ প্রকল্প।

** Speech not corrected*

শ্রীসর্বানন্দ চৌধুৰীয়ে সুধিছে ঃ

*৯৩। মাননীয় পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ভৱানীপুৰ সমষ্টিৰ অন্তর্গত গলিয়া গাওঁ দুগ্ধ প্রকল্পৰ কাম কেবা বছৰৰ আগতেই আৰম্ভ কৰা হৈছিল যদিও আজিলৈ সেইটো সম্পূর্ণ নহ'ল। Tanki কেইটাও বাহিৰতে মামৰে ধৰিবলৈ লৈছে এই সম্পর্কে চৰকাৰ অৱগতনে ?

খ) যদি অৱগত, এই বছৰতে ইয়াৰ কাম সম্পূর্ণ কৰি কার্য্যকৰী কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্রীগোবিন্দ চন্দ্র লাংথাচা (পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ১৯৯৭ ইং চনত অসম চৰকাৰে কেন্দ্রীয় চৰকাৰৰ অর্থ সাহার্য্যত সংহত দুগ্ধ আঁচনিৰ অধীনত ভৱানীপুৰ বিধান সভা সমষ্টিৰ গলিয়া গাঁৱত এখন দুগ্ধ শালা নির্মাণৰ কাম হাতত লোৱা হয় আৰু আঁচনিখৰ প্রায়ে নব্বৈ শতাংশ কাম সম্পূর্ণ হৈছে।

আঁচনিৰ বাবে ব্যৱহৃত Storage টেংক কেইটা বাহিৰত ৰখা হৈছে। টেংককেইটাৰ বাহিৰ অংশত মামৰে ধৰা পৰিলক্ষিত হৈছে যদিও আঁচনিটোৰ কাম সম্পূর্ণ হৈ উঠিলে, এই Storage টেংক কেইটাৰ মামৰৰ প্রলেপ গুচাই তাৰ ওপৰত ৰং ব্যৱহাৰ কৰিলে ই অক্ষত হৈ ৰ'ব আৰু ব্যৱহাৰৰ উপযোগী হ'ব।

খ) প্রকল্পটোৰ নির্মাণৰ কাম 'Turnkey' ভিত্তিত কৰা হৈছে। দ্বি-পাক্ষিক চুক্তিৰ আধাৰত যন্ত্র পাতিৰ যোগান, স্থাপন, পৰীক্ষামূলকভাবে পৰিচালনৰ কাম অতি শীঘ্রে সমাধান হ'ব। কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে আঁচনিৰ বাবদ আদায় দিয়া সম্পূর্ণ ধন আদায় দিয়াৰ পিছত তথা হস্তান্তৰৰ কাম সম্পূর্ণ হোৱাৰ পাছত চৰকাৰে আনুষ্ঠানিকভাবে ইয়াৰ পৰিচালনাৰ দায়িত্বৰ চমজি ল'ব।

বিভিন্ন পর্য্যায়ৰ কামৰ অগ্রগতিৰ আধাৰত তথা স্বাক্ষৰিত চুক্তিৰ আধাৰত তথা বিভাগীয় নিয়ম মতে হস্তান্তৰ হোৱাৰ পাছত এই দুগ্ধ প্রকল্পটো ২০০৫ ইং চনৰ ডিচেম্বৰ মাহৰ ভিতৰত কার্য্যক্ষম হ'ব বুলি আশা কৰা হৈছে।

শ্রীসর্বানন্দ চৌধুৰী ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ক ধন্যবাদ জনাইছোঁ। কাৰণ, মই যি প্রশ্ন কৰিছিলোঁ তাৰ উত্তৰ মই পাইছো আৰু উত্তৰত মই সন্তুষ্ট, লগতে মই আন এটা অনুৰোধ জনাব বিচাৰিছোঁ যে এইগোটেই কামখিনি যেন ২০০৫ চনৰ ডিচেম্বৰ মাহৰ ভিতৰতে শেষ কৰিব পাৰে, সেইটো যেন মন্ত্রী মহোদয়ে চায়।

Shri Govinda Ch. Langthasa (Minister, Veterinary) : In the year 1997, a Dairy Plant at village Galia in the Bhabanipur Constitutency under Integrated Dairy Development Project was established under the aid of Central Government fund. Civil works including procurement of machinaries and equipments have been completed and reached the site and housed inside the plant. Storage tanks have been kept outside. Half of them will be commissioned inside the plant and half will be commissioned outside the plant.

Although rust is visible outside the rucface of the storage tank, these will be looking fresh after coating of paints and will be commissioned outside the milk plant.

These have been agreed by the supplying farm also. The project has been installed on 'Turn key' basis i.e. the farm concerned will complete the supply, commissioning, erection and trial run as per the bipartite agreement, There after, the plant will be handed over by the farm and on satisfaction of the department the State Government will take over the plant.

The balance amount for the construction of the plant has been released by G.O.I. and the State Government. The required amount for electrical installation has been deposited to ASEB Pathsala Sub-Division.

With the progress of activities made so far and as agreed upon by the erection farm, the Dairy plant at Galia is expected to be completed and start functioning by December, 2005.

Thank you Sir.

** Speech not corrected*

Mr. Speaker :- Now, Question Hour is over. (Starred Questions No. 94 & 100 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ- পথ পকীকৰণ।

শ্রীদীনেশ চন্দ্র সৰকাৰে সুধিছে ঃ

***৯৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) গোলোকগঞ্জ কাচখালা পথটোৰ ৫ কিঃ মিঃ পকীকৰণৰ বাবে "মুখ্যমন্ত্রীৰ পকী পথ অভিযান" যোজনাৰ অর্ন্তভুক্তি কৰি চৰকাৰে কিমান টকাৰ এষ্টিমেটৰ ওপৰত কিমান টকা আগবঢ়াইছে? (Estimate ৰ প্রতিলিপি উত্তৰৰ লগত দিব)।

খ) উক্ত কামটোৰ ঠিকা কাক দিয়া হৈছে, কিমান টকাত উক্ত ঠিকা দিয়া হৈছে আৰু ঠিকা দিয়াৰ সময়ত ঠিকাদাৰৰ সৈতে বুজাবুজিৰ কিবা চুক্তি কৰা হৈছেনে? (যদি হৈছে, তেতিয়া হ'লে উক্ত Agreement ৰ প্রতিলিপি লগত দিব।)

গ) Estimate ৰ মতে মাটি, বালি আৰু শিলৰ মান (Quality) কেনে ধৰণৰ হ'ব লাগে আৰু কোন ঠাইৰ পৰা উক্ত বস্তুবোৰ সংগ্রহ কৰি উক্ত পথ নির্মাণৰ বাবে নির্দ্দেশনা দিয়া হৈছে ?

ঘ) Estimate মতে উন্নত মানৰ উপাদানবোৰ উক্ত পথত ব্যৱহাৰ হৈছেনে?

ঙ) ধুবুৰী জিলাৰ কার্য্যবাহী অভিযন্তা গৰাকীৰ বাবে গোলকগঞ্জ কাচখানা পথৰ কাম অতি নিম্নমানৰ হৈছে এই সর্ম্পকে চৰকাৰ অৱগতনে ?

চ) উক্ত অভিযন্তা গৰাকীৰ বিৰুদ্ধে কিবা ব্যৱস্থা গ্রহণ কৰিবনে? যদি কিবা ব্যৱস্থা গ্রহণ কৰে কি ব্যৱস্থা গ্রহণ কৰিব ?

ছ) Estimate মতে উক্ত পথটোৰ কিমান ফুট ওখ কৰাৰ পাচত কি মানদণ্ডৰ মাটি, বালি, শিল আদিৰ ব্যৱহাৰ কি পৰিমাণ কৰিব লাগিব ?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ বাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) উক্ত ৰাস্তাটো নিৰ্ম্মাণৰ বাবে মুখ্যমন্ত্রী পকীপথ নিৰ্মাণ আঁচনি ২০০৪-০৫ চনৰ জড়িয়তে মুঠ ১৩০.০০ (এক কোটি ত্রিশ লাখ) টকাৰ প্রাককলনৰ বিপৰীতে মুঠ ১,২১,৩৯,৫০০.০০ (এক কোটি এঁকেশ লাখ উনচল্লিছ হাজাৰ পাঁচশ) টকাৰ আৱণ্টন দিছে। প্রককলনৰ প্রতিলিপি সদনৰ মজিয়াত দাখিল কৰা হ'ল। (See Annexure - IV)

খ) উক্ত কামটো মুখ্যমন্ত্রী পকীপথ নিৰ্মাণ আঁচনিৰ ২০০৪-০৫ চনৰ জড়িয়তে M/s HI-TECH CONSTRUCTION ক মুঠ ১,২১,৩৯,৫০০.০০ (এক কোটি এঁকেশ লাখ উনচল্লিছ হাজাৰ পাঁচশ) টকাত চুক্তি কৰি দিয়া হৈছে। (Agreement ৰ কপি সদনৰ মজিয়াত দাখিল কৰা হ'ল।) (See Annexure-V)

গ) প্রাক্কলন মতে উন্নত মানৰ সাধাৰণ মাটি, অনুমোদিত মাটি আৰু IRC Guide line তথা MORTH Specification মতে প্রয়োজনীয় বালি আৰু শিল উক্ত কামটোত ব্যৱহৃত হৈ আছে। সামগ্রীসমূহ দুধনাথ Hill Quarry আৰু শৌলমাৰী River Quarry ৰ পৰা সংগ্রহ হৈ আছে।

ঘ) হৈছে।

ঙ) ধুবুৰী জিলাৰ কার্য্যবাহী অভিযন্তা গৰাকীৰ বাবে গোলকগঞ্জ কাচখানা পথৰ কাম অতি নিম্নমানৰ হোৱা সম্পর্কে চৰকাৰ অৱগত নহয়।

চ) যিহেতু উক্ত কামটো নিম্নমানৰ হোৱা সম্পর্কে চৰকাৰ অৱগত নহয় সেইহেতুকে সংমণ্ডলৰ অভিযন্তা গৰাকীৰ ওপৰত কোনো ধৰণৰ পদক্ষেপ গ্রহণ কৰাৰ প্রশ্ন নুঠে।

ছ) প্রাক্কলন মতে ৰাস্তাৰ প্রয়োজনীয় সাপেক্ষে এটা নিৰ্দ্দিষ্ট উচ্চতাত নিৰ্মাণ কৰি প্রশ্ন "গ"ত দিয়া হিচাবে উন্নত মানৰ মাটি, বালি, শিল আদি ব্যৱহৃত হৈ আছে। (See Annexure - VI)

বিষয় ঃ- চিকিৎসালয় মুকলি।

শ্রীশৰৎ শইকীয়াই সুধিছে ঃ

*৯৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) শিৱসাগৰ জিলাৰ মাহমৰা সমষ্টিৰ অন্তর্গত পাটসাঁকো চিকিৎসালয়, ৰৰবিল চিকিৎসালয় আৰু শিমলুগুৰি চিকিৎসালয় কেইখন এই বছৰতে মুকলি কৰাৰ কিবা ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে ২০০৫ চনৰ ভিতৰত কেতিয়াকৈ কৰিব ?

খ) পাটসাঁকো চিকিৎসালয়ৰ কাৰণে যোৱা চাৰিবছৰে এখন এম্বুলেন্স গাড়ী বিচৰা হৈছিল যদিও আজিলৈকে নিদিয়াৰ কাৰণ কি আৰু এই বছৰৰ ভিতৰতে দিয়াৰ ব্যৱস্থা কৰিবনে ?

গ) ANM, GNM, LDA, UDA, SW, Dresser, Chowkidar, Peon, Health Educator ইত্যাদি পদসমূহ পূৰণ কৰিবৰ কাৰণে স্থানীয় প্রার্থীক অগ্রাধিকাৰ দিবনে ?

ঘ) লাকুৰা মিনি PHC আৰু খুমটাই চকলীয়া PHC চিকিৎসালয় দুখনৰ কাম চলিত বছৰতে আৰম্ভ কৰাৰ কথা কিবা চিন্তা কৰিছেনে ?

ঙ) এইড্‌ছ আৰু এইচ. আই. ভি. প্রচাৰৰ কাৰণে শিৱসাগৰ জিলাত যোৱা চাৰি বছৰে বিশেষকৈ মাহমৰা সমষ্টিৰ এলেকা সমূহত কি ব্যৱস্থা লোৱা হ'ল ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) শিৱসাগৰ জিলাৰ মাহমৰা সমষ্টিৰ অন্তর্গত পাটসাঁকো চিকিৎসালয়, ৰৰবিল চিকিৎসালয়, আৰু শিমলুগুৰি চিকিৎসালয় কেইখনৰ নির্মাণৰ কাম ক্রমে ৭৫%, ৫০% আৰু ৫৩% সম্পূর্ণ হৈছে। নির্মাণ কার্য্য সম্পূর্ণ হ'লে আৰু চিকিৎসক তথা কর্মচাৰী নিযুক্তিৰ অনুমোদন বিত্ত বিভাগৰ পৰা পালে চিকিৎসালয় কেইখন মুকলি কৰাৰ ব্যৱস্থা ল'ব পৰা যাব।

খ) বিগত চাৰি বছৰে গাড়ী কিনাৰ বাবদ আর্থিক অনুমোদন নথকাৰ বাবে পাটসাঁকো চিকিৎসালয়ৰ বাবে এম্বুলেন্সৰ ব্যৱস্থা কৰিব পৰা নাই। অৱশ্যে শিৱসাগৰ চিভিল হস্পিতালৰ পৰা অস্থায়ীভাবে মাজে-সময়ে এম্বুলেন্স এখনৰ ব্যৱস্থা কৰা হৈছিল। বিত্তীয় অনুমোদন পালে এম্বুলেন্স ক্রয়ৰ কথা বিবেচনা কৰা হ'ব।

গ) অর্হতাৰ ভিত্তিত পদসমূহ পূৰণৰ বাবে প্রার্থী বাছনি কৰা হয়।

ঘ) বিত্তীয় অনুমোদনৰ ওপৰত ভিত্তি কৰি চিকিৎসালয় দুখনৰ কাম আৰম্ভ কৰাৰ কথা বিবেচনা কৰা হ'ব। অৱশ্যে গড়কাপ্তানী (গৃহ) বিভাগক প্রয়োজনীয় প্রক্কলন প্রস্তুত কৰিবলৈ কোৱা হৈছে।

ঙ) যোৱা চাৰিটা বছৰত ৰাজ্যৰ অন্যান্য জিলাৰ লগতে শিৱসাগৰ জিলাতো এইড্‌ছ, এইচ. আই. ভি. ৰোগ প্রতিৰোধৰ কাৰণে তলত দিয়া ব্যৱস্থাসমূহ লোৱা হৈছে —

ক। শিৱসাগৰ অসামৰিক চিকিৎসালয়ত এটি ৰক্ত ভাণ্ডাৰ (Blood Bank) আৰু এটি স্বেচ্ছামূলক আৰু গোপনীয় তেজ পৰীক্ষা আৰু পৰামর্শ প্রদান কেন্দ্র (V.C.T.C.) মুকলি কৰা হৈছে।

খ। আন্তঃ বিভাগীয় সহযোগীতাৰ শিতানত ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ সহযোগত শিৱসাগৰ জিলাত ক্রীড়া বিষয়া, ক্রীড়া সংগঠক আৰু প্রশিক্ষকক এইড্‌ছ সম্পর্কীয় প্রশিক্ষন দিয়া হয়। তদুপৰি ৰাষ্ট্রীয় এইড্‌ছ নিয়ন্ত্রণ আঁচনিৰ অধীনত তথ্য, শিক্ষা আৰু যোগাযোগ (Information, Education & Cummunication-IEC) শিতানত, অসম ৰাজ্যিক এইড্‌ছ নিয়ন্ত্রণ সমিতিয়ে সমগ্র অসমতে এইড্‌ছৰ বিৰুদ্ধে সচেতনতা জগাই তোলাৰ বাবে বিস্তৃত কার্য্যসূচী ৰূপায়ণ কৰি আছে। এই কার্য্যসূচী অসমৰ অন্য জিলাসমূহৰ লগতে শিৱসাগৰ জিলাতো ৰূপায়ণ কৰি থকা হৈছে। তলত এই জিলাখনত ৰূপায়ণ কৰি থকা কার্য্যসূচীসমূহৰ বিষয়ে উল্লেখ কৰা হ'ল—

ক) ছপা মাধ্যম ঃ

১) এইড্‌ছৰ ওপৰত পোষ্টাৰ, প্রচাৰ পত্রিকা, পুষ্টিকা, ষ্টিকাৰ, কেলেণ্ডাৰ ইত্যাদি ছপা কৰি স্বাস্থ্য বিভাগকে ধৰি অন্যান্য চৰকাৰী, বে-চৰকাৰী

বিভাগবোৰৰ লগতে স্বেচ্ছাসেৱী অনুষ্ঠানসমূহৰ জড়িয়তে জনসাধাৰণৰ মাজত বহুলভাৱে বিতৰণ কৰি এইড্‌ছৰ বিৰুদ্ধে সচেতনতা জগাই তোলা হৈছে।

২) জিলাখনৰ গুৰুত্বপূৰ্ণ স্থানসমূহত সকলোৱে দেখা পোৱাকৈ বৃহৎ আকাৰৰ হ'ৰ্ডিং স্থাপন কৰা হৈছে। লগতে এইড্‌ছৰ বিষয়ে জানিবলগীয়া তথ্যবোৰৰ বিষয়ে দেৱাল লিখনৰ জড়িয়তেও বহুলভাৱে প্ৰচাৰ কৰি থকা হৈছে।

ইলেকট্ৰনিক মাধ্যম ঃ

৩) টেলি চিনেমা, চুটি বিজ্ঞাপন, বক্তৃতা, ফোন-ইন প্ৰোগ্ৰাম ইত্যাদি দূৰদৰ্শন আৰু অনাঁতাৰ মধ্যমৰ জড়িয়তে প্ৰকাশ কৰি থকা হৈছে আৰু ইয়াৰ দ্বাৰা জিলাখনো উপকৃত হৈছে। তদুপৰি কেৱল চেনেলসমূহৰ জড়িয়তেও এইড্‌ছৰ বিষয়ে গুৰুত্বপূৰ্ণ তথ্যসমূহ প্ৰচাৰ কৰি থকা হৈছে।

ভ্ৰাম্যমান থিয়েটাৰ ঃ

৪) এইড্‌ছৰ বিৰুদ্ধে সচেতনতা জগাই তোলাৰ উদ্দেশ্য ভ্ৰাম্যমান থিয়েটাৰবোৰৰ জড়িয়তে এইড্‌ছক বিষয়বস্তু হিচাপে লৈ গীতি-নৃত্য নাটিকা আৰু লগতে বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ তথ্যবোৰৰ প্ৰদৰ্শন কৰি থকা হৈছে। অসমত বহুলভাৱে জনপ্ৰিয় এই ভ্ৰাম্যমান থিয়েটাৰসমূহে অসমৰ বিভিন্ন জিলাৰ লগতে শিৱসাগৰ জিলাতো প্ৰদৰ্শন কৰি ইয়াৰ দ্বাৰা এই জিলাখনত এইড্‌ছৰ বিৰুদ্ধে সচেতনতা জগাই তোলা হৈছে।

পঞ্চায়ত কাৰ্য্যসূচী ঃ

৫) পঞ্চায়তীৰাজ ব্যৱস্থাই সমাজৰ ৭০ শতাংশ লোকক সামৰি লোৱাৰ পৰিপ্ৰেক্ষিতত জিলা পৰিষদসমূহৰ জড়িয়তেও এইড্‌ছৰ বিৰুদ্ধে সচেতনতা যোগাই তোলাৰ উদ্দেশ্য সভা-সমিতি আয়োজন কৰা হৈছে। এই জিলাখনত ইতিমধ্যে সভাৰ আয়োজন কৰা হৈছে।

মহিলাৰ বাবে সজাগতা অভিযান ঃ

৬) মহিলাসকল সহজেই এইড্‌ছৰ দ্বাৰা আক্ৰান্ত হোৱাৰ আশংকা থাকে। এই কথা মনত ৰাখি মূলতঃ মহিলা সংগঠনবোৰৰ জড়িয়তে মহিলাসকলৰ মাজত সজাগতাৰ সৃষ্টি কৰাৰ বাবে বিভিন্ন সভা সমিতি পাতি থকা হৈছে। এই জিলাখনত এনে সভা সমিতি পাতি থকা হৈছে।

পবিয়াল স্বাস্থ্য সজাগতা অভিযান ঃ

৭) ১৯৯৯ চনৰ পৰা প্ৰতিবছৰে অসমত "পবিয়াল স্বাস্থ্য সজাগতা অভিযান" নামৰ কাৰ্য্যসূচী ৰূপায়িত কৰি থকা হৈছে। এই কাৰ্য্যসূচীৰ মূল উদ্দেশ্য হ'ল জনসাধাৰণক STD/RTI আৰু HIV/AIDS বিষয়ে সজাগ কৰা আৰু STD (Sexually Transmitted Diseases আৰু RTI (Reproductive Tract Infection) ৰোগীসকলক চিনাক্ত কৰি লগে লগে বিনামূলীয়া চিকিৎসা প্ৰদান কৰা। ২০০০ চনৰ পৰা সমগ্ৰ অসমৰ লগতে শিৱসাগৰ জিলাত এই কাৰ্য্যসূচী ৰূপায়িত হৈছে। এই কাৰ্য্যসূচীৰ অধীনত স্বাস্থ্যকৰ্মীসকলৰ ঘৰে ঘৰে গৈ এই ৰোগসমূহৰ বিষয়ে জনসাধাৰণক সজাগ কৰে আৰু প্ৰতিটো উন্নয়ন খণ্ডতে ৪০ টাকৈ বিনামূলীয়া স্বাস্থ্য শিৱিৰ পাতি অভিজ্ঞ চিকিৎসকৰ দ্বাৰা চিকিৎসা আগবঢ়ায়। তাৰোপৰি প্ৰতিখন জিলাতে ১ ডিচেম্বৰৰ দিনটো "বিশ্ব স্বাস্থ্য দিৱস" হিচাবে উদ্‌যাপন কৰি অহা হৈছে।

২) অসম ৰাজ্যিক এইড্‌ছ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত আৰু বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত অসমৰ বিভিন্ন অঞ্চলৰ (চাহ বাগান অঞ্চলকে ধৰি) লগতে এই জিলাখনতো এইড্‌ছৰ বিৰুদ্ধে সচেতনতা জগাই তোলাৰ উদ্দেশ্যে সময়ে সময়ে বিভিন্ন সভা-সমিতিৰ আয়োজন কৰি থকা হৈছে।

বিষয় ঃ- পথ হস্তান্তৰকৰণ।

শ্ৰীমতী কমলী বসুমতাৰীয়ে সুধিছে ঃ

***৯৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) নৱগঠিত ওডালগুৰি জিলাৰ পানেৰী সমষ্টিৰ অন্তৰ্গত বৰঙ্গাঁজুলী খৈৰাবাৰী পথ, টংলা দেউৰ পথ আৰু টংলা চমুৰাপাৰা পথ কেইটা গড়কাপ্তানী বিভাগৰ পৰা সীমান্ত পথ সংস্থালৈ হস্তান্তৰ কৰাটো সঁচা নেকি ?

খ) যদি সঁচা, কেতিয়া হস্তান্তৰ কৰা হ'ল ইয়াৰ নথিপত্ৰ আছে নে কি ? (নথি পত্ৰ দাখিল কৰিব) ?

গ) যোৱা Budget Session ত গড়কাপ্তানী বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়াই মঙ্গলদৈ ভুটিয়াচাং পথটো মেৰামতিৰ কাৰণে তিনি কোটি টকা মোকলাই

দি ২০০৫ চনৰ এপ্ৰিল মাহৰ ১ তাৰিখৰ পৰা মেৰামতিৰ কাম আৰম্ভ কৰা হ'ব বুলি পৰিত্ৰ সদনত অৱগত কৰিছিল যদিও আজিৰ তাৰিখলৈকে কি কাৰণত মেৰামতি কৰা নাই ?

ঘ) উক্ত পথটো World Bank আঁচনিৰ অধীনত আগন্তুক ডিচেম্বৰ মাহৰ পৰা কাম আৰম্ভ কৰিবলৈ লোৱাটো সত্য নেকি?

ঙ) যদি সত্য হয়, এই দীঘলীয়া পথটোৰ মেৰামতিৰ বাৱদ কিমান কোটি টকা ধাৰ্য্য কৰা হৈছে ?

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) নৱগঠিত ওডালগুৰি জিলাৰ পানেৰী সমষ্টিৰ অন্তৰ্গত বৰঙ্গাজুলী খৈৰাবাৰী পথ, টংলা দেওৰ পথ আৰু টংলা চমুৱাপাৰা পথ কেইটাৰ ভিতৰত, বৰঙ্গাজুলী খৈৰাবাৰী পথটি সীমান্ত পথ সংস্থালৈ হস্তান্তৰ কৰাটো সঁচা।

খ) বৰঙ্গাজুলী খৈৰাবাৰী পথটি যোৱা ইং ১৪-০৩-২০০২ তাৰিখে হস্তান্তৰ কৰা হৈছে। ইয়াৰ নথি পত্ৰৰ নকল লগত গাঁঠি দিয়া হ'ল। (অনুবদ্ধ 'ক') (See Annexure - VII)

গ) মঙ্গলদৈ ভূটিয়াচাং পথৰ মেৰামতিৰ বাবে তিনি কোটি টকাৰ প্ৰাক্কলন প্ৰস্তুত কৰি অনুমোদনৰ বাবে পঠিয়াই দিয়া হৈছে। বিভাগীয় অনুমোদনও পুঁজি আৱণ্টন পালেই কাম আৰম্ভ কৰা হ'ব।

ঘ) বিশ্ববেংক আঁচনিৰ অধীনৰ বিশেষ মেৰামতি শিতানত এই পথৰ উন্নতিৰ বাবে আঁচনি প্ৰস্তুত কৰা হৈছে আৰু অনুমোদন পালেই কাম আৰম্ভ কৰা হ'ব।

ঙ) এই পথটিৰ বাবে বিশ্ববেংক শিতানত ৫৮২.৭২ লাখ টকা ধাৰ্য্য কৰা হৈছে।

বিষয় ঃ- আই. বিৰ টকা মঞ্জুৰী।

শ্ৰীজামাল উদ্দিন আহমেদে সুধিছে ঃ

*৯৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) কৰিমগঞ্জ জিলাৰ কলিগঞ্জ I.B. ৰ Renovation ৰ কাৰণে কিমান টকা sanction কৰা হৈছে ?

খ) এই কাম কেতিয়া আৰম্ভ হৈছে আৰু কেতিয়া কাম সম্পূৰ্ণ হ'ব লাগিছিল ?

গ) কামৰ progress কিমান হৈছে আৰু কেতিয়া সম্পূৰ্ণ হ'ব ?

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ বাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) মুঠ ১৩,৪৮,২৩২.০০ টকা।

খ) এই কাম ২৫/০৩/০৪ ৰ পৰা আৰম্ভ হৈছিল, কাম সম্পূৰ্ণ কৰাৰ নির্ধাৰিত তাৰিখ আছিল ২৫/০৪/২০০৫।

গ) বৰ্ত্তমানলৈ কামৰ ৯০ শতাংশ সম্পূৰ্ণ হৈছে আৰু অহা ৩০ চেপ্তেম্বৰ ২০০৫ ৰ ভিতৰত কাম সম্পূৰ্ণ হ'ব।

বিষয় ঃ- অঙ্গনবাদী কেন্দ্রত গৃহ নির্মাণ।

শ্ৰীপবিমল শুক্লবৈদ্যই সুধিছে ঃ

***৯৮। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) কাছাৰ জিলাত কিমানটা অঙ্গনবাদী কেন্দ্রত গৃহ নির্মাণ হৈছে, এটা ঘৰৰ বাবে কিমান টকাৰ Sanction দিয়া হয় ?

খ) ধলাই সমষ্টিৰ কাৰণে কিমান টকাৰ Sanction দিয়া হৈছে? প্রতিটো ঘৰৰ কাৰণে টকা মুকলি কৰি দিয়া হৈছেনে ?

গ) টকা মুকলি কৰি দিয়াৰ আগত ঘৰ বিলাকৰ (Construction) গুণগত মান পৰীক্ষা কৰা হৈছেনে? যদি হৈছে, কোনে কৰিছে ?

ঘ) অঙ্গনবাদী কেন্দ্রৰ ঘৰ বিলাকৰ কাম অত্যন্ত নিম্নমানৰ হৈছে। এই বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, ইয়াৰ ওপৰত কি ব্যৱস্থা ল'ব ?

শ্ৰীগৌতম ৰায় (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) কাছাৰ জিলাত বৰ্ত্তমানলৈকে ৩১১ টা অঙ্গনবাদী কেন্দ্রৰ গৃহ নির্মাণ সম্পূৰ্ণ হৈছে। প্রতিটো ঘৰৰ বাবদ ১,২৫,০০০ (একলাখ পঁচিশ হাজাৰ) টকা ধার্য্য কৰা আছে।

খ) ধলাই সমষ্টিৰ বাবে ৩৭,৫০,০০০ (সাতত্রিশ লাখ পঁঞ্চাশ হাজাৰ) টকা মঞ্জুৰ কৰা হৈছে। হয়।

গ) হাউচফেদৰ অভিযান্ত্রিক শাখাই গৃহ নির্মাণৰ গুণগত মান পৰীক্ষা কৰি দিয়া প্রমাণ পত্র সাপেক্ষে টকা মুকলি কৰি দিয়া হৈছে।

ঘ) কোনো কোনো ঠাইৰ পৰা তেনে অভিযোগ পোৱা হৈছে। অনুসন্ধান প্রক্রিয়া অব্যাহত আছে।

বিষয় ঃ- পথ মেৰামতি।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

***৯৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) দুলীয়াজান সমষ্টিৰ টেঙাখাট চাবুৰা সংযোগী ১৪ কিঃ মিঃ দৈর্ঘৰ গড়কাপ্তানী পথটো PMGY বা CMGY আঁচনিৰ অন্তর্ভুক্ত কৰা হৈছে নেকি ?

খ) এই পথটি মেৰামতি কৰিবলৈ ৰাজহ বিভাগৰ পৰা টকা দিয়া হৈছিলনে? যদি দিয়া হৈছিল, তেনেহ'লে কিমান টকা দিয়া হৈছিল? উক্ত টকাৰ কাম হ'লনে ?

গ) দুলীয়াজান সমষ্টিত ২০০৩-০৪, ২০০৪-০৫ আৰু ২০০৫-০৬ বর্ষৰ বাবে কোন কেইটা ৰাস্তা PMGY আঁচনিৰ অন্তর্ভুক্ত কৰা হৈছে ?

ঘ) দুলীয়াজান সমষ্টিৰ ২০০৪-০৫ বর্ষত CMGY আঁচনিৰ অধীনত কোন কেইটা ৰাস্তা ধৰা হৈছে আৰু ৰাস্তা কেইটা নির্মাণৰ বাবে কৰপৰা আৰম্ভ কৰিব ?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) PMGY আঁচনিৰ অধীনত ৰাস্তাৰ কাম কৰা নহয় আৰু CMGY আঁচনি নামেৰে কোনো আঁচনি গড়কাপ্তানী বিভাগত কার্য্যকৰী কৰা নহয়। PMGSY আৰু MPNA শিতানৰ অন্তর্গত আঁচনিহে এই বিভাগত কার্য্যকৰী কৰা হয়। চাবুৰা টেঙাখাত ৰাস্তাটো এতিয়ালৈকে PMGSY বা MPNA ৰ অর্ন্তভূক্ত কৰা হোৱা নাই।

খ) পথটি মেৰামতিৰ বাবদ ২০০৩-০৪ চনত FDR শিতানত ২৫.৫৩ লাখ টকাৰ আঁচনি (estimate) মঞ্জুৰী পোৱা হৈছে। এতিয়ালৈকে পুঁজিৰ আৱণ্টন পোৱা নাই। কামটো ৮৫% সম্পূর্ণ হৈছে।

গ) PMGSY আঁচনিত ২০০৩-০৪ পৰা ২০০৫-০৬ চনলৈ তলত উল্লেখ কৰা ৰাস্তাসমূহ অর্ন্তভূক্ত কৰা হৈছে।

২০০৩-০৪ - কোনো আঁচনি লোৱা হোৱা নাই।

২০০৪-০৫ - দুলিয়াজান ডিগবৈ অয়ল পথৰ পৰা বামুন গাঁৱলৈ।

২০০৫-০৬ - নাওহোলিয়া বঙালীৰ পৰা হাতীজান চাহ বাগানলৈ।

ঘ) MPNA শিতানত দুলিয়াজান সমষ্টিত ২০০৪-০৫ বর্ষত তলত উল্লেখ কৰা ৰাস্তা দুটাৰ কাম হাতত লোৱা হৈছে।

(১) গন্ধীয়া ভাজনী পথ from (LBT) Chellonguri to Gandhia 2.50 Km.

(২) টেঙাখাত চকলীয়াভূয়া নৰখঙ্গীয়া পথ from (LBT) Tengakhat to Chakalibhuria 2.50 Km.

বিষয় ঃ- হস্পিতাল মুকলি।

শ্রীবনেন্দ্র কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ

***১০০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ধুবুৰী জিলাৰ গৌৰীপুৰ সমষ্টিৰ ৰামবাৰীৰ ৩০ খন বিছনাযুক্ত গ্রামীণ হস্পিতালখন জনসাধাৰণৰ সেৱাৰ বাবে মুকলি কৰি দিয়াৰ বাবে ডাক্তৰ, নার্চ আদি কৰি প্রয়োজনীয় কর্মচাৰীৰ পদসমূহ অনুমোদন কৰা হৈছেনে ?

খ) যদি হোৱা নাই, কিয় হোৱা নাই? (বিতংকৈ জনাব)

ডাঃ ভূমিধৰ বর্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হোৱা নাই ।

খ) যিহেতু নতুন পদ সৃষ্টি কৰাত বুজা বুজিৰ চুক্তিৰ বাবে বাধা আছিল সেয়েহে অন্যান্য নির্মিয়মান চিকিৎসালয়ৰ লগতে গৌৰীপুৰ সমষ্টিৰ ৰামবাৰীত ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ বাবেও প্রয়োজনীয় নতুন পদ সৃষ্টি কৰিব পৰা নাছিল। বর্ত্তমান ব্যৱস্থা হাতত লোৱা হৈছে।

SHORT NOTICE QUESTION AND ANSWERS

মাননীয় অধ্যক্ষ ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন বহুত আছে। সময়ৰ অভাৱ, সেইকাৰণে মাননীয় সদস্যসকলে প্ৰশ্ন পঢ়ি নিদি কেৱল সদনৰ মেজত দাখিল কৰা হৈছে বুলি কলে হ'ব। সেইদৰে মাননীয় মন্ত্ৰীসকলে উত্তৰটো পঢ়ি নিদি সদনৰ মেজত ৰখা হৈছে বুলি কলে হ'ব।

Mr. Speaker :- Short Notice Question No. 6, Hon'ble Member, Shri Ali Akbar Miah.

বিষয় ঃ- তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

আলী আকবৰ মিঞাই সুধিছে ঃ

*** ৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) অসম চৰকাৰৰ মুখ্য সচিবে চিঠি নং AAI.11/2003/8. Dtd. 14-07-2005 যোগে শীৰ্ষ পৰ্য্যায়ৰ IAS ও অন্য পৰ্য্যায়ৰ বিষয়া বৰ্গৰ গোপনীয় বাৰ্ষিক প্ৰতিবেদন (ACR) দাখিলৰ নিৰ্দ্দেশ দিছে— সঁচানে ?

খ) উক্ত চিঠিৰ বিপৰীতে কিমানজন বিষয়াৰ প্ৰতিবেদন পোৱা গ'ল জনাবনে ?

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) সঁচা।

খ) ৩৬ জন বিষয়াৰ পৰা পোৱা গৈছে।

Mr. Speaker :- Short Notice Question No. 7, Hon'ble Member, Shri Ali Akbar Miah.

বিষয় ঃ- তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ

*** ৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) চৰকাৰৰ চিঠি নং B (3) S. 2/2000/101 dated 14.2.2001 ৰ ভিত্তিত

নং ST/Misc/ST/ENG/19/130-34 dt. 27.3.2001 যোগে পিয়াজবাৰী পাব্লিক হাইস্কুলৰ প্ৰধান শিক্ষক চিৰাজুল হক মিঞাক warned কৰা কথাটো সঁচানে ?

খ) শিক্ষকজনে পুনৰ স্থানীয় বাতাবৰ্ন নষ্ট ও স্কুলৰ ছাত্ৰ-ছাত্ৰীক আন্দোলন কৰিবলৈ উচটাই দিয়াত লিপ্ত হৈছে (প্ৰসংগ চিঠি নং PC/E.6/92/259/33/508 dtd. 23.6.2005) সঁচানে ?

গ) শিক্ষক এজনে বাৰে বাৰে এনে অনৈতিক কামত লিপ্ত হোৱাৰ সুযোগ পায় কেনেকৈ ?

ঘ) ২৩/৬/০৫ ৰ চিঠিৰ বিপৰীতে শিক্ষকজনৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল (ব্যৱস্থা গ্ৰহণীয় পত্ৰৰ কপি দিব)

শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মাধ্যমিক শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) সঁচা।

খ) ধুবুৰী জিলাৰ বিদ্যালয় পৰিদৰ্শকৰ প্ৰতিবেদনৰ পৰা পোৱা তথ্য অনুযায়ী অভিযোগটো সম্পূৰ্ণ সঁচা নহয়।

গ) জনা নাযায়।

ঘ) শিক্ষকজনৰ বিৰুদ্ধে কাৰণ দৰ্শোৱা জাননী দিয়া হৈছে। তাৰ পিচতহে ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব।

Mr. Speaker :- Short Notice Question No. 8, Hon'ble Member, Shri Ali Akbar Miah.

বিষয় ঃ- কুটীৰ জ্যোতি আঁচনি।

শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ

* ৮। **মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) চিঠি নং CE (RE) Tech-802/PT-III/2003-04/50 dtd. 22-3-05 ৰ Kutirjyoti Service connection ৰ কাম এতিয়ালৈ কোন কোন জিলাত ৰূপায়ণ/কাৰ্য্যকৰী কৰা হ'ল ?

খ) ১। বিষয়টো সম্পৰ্কীয় ডি. এল. চি. চি.ৰ তালিকা প্ৰস্তুত কৰা আছেনে? (থাকিলে তাৰ কপি দিব)

২। ধুবুৰী জিলাত ডি. এল. চি. চিৰ মিটিং এতিয়ালৈ পতা হোৱা নাই আৰু ওপৰোক্ত আঁচনিৰ কাম আৰম্ভ কৰা হোৱা নাই— সঁচানে ?

৩। যদি সঁচা, তাৰ কাৰণ কি ?

গ) যি বোৰ জিলাত ডি. এল. চি. চিৰ মিটিং হোৱা নাই আৰু ওপৰোক্ত আঁচনিৰ ৰূপায়ণত বিলম্ব কৰা হৈছে— সেইবোৰ জিলাৰ সংশ্লিষ্ট বিষয়াসকলৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল বা হ'ব ?

ঘ) চিঠি নং ASEB/CE (M)/DTR/LAC/04-05/503, dtd. 7-3-05 ত Phase-I ৰ Transformer distribution ৰ কাম ৩০ জুন/০৫ আৰু Phase-II ৰ কাম ৩১ অক্টোবৰ, ০৫ ৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি কোৱাটো সঁচানে? যদি সঁচা, তেন্তে Phase-I ৰ কাম সম্পূৰ্ণ কৰা হ'লনে ?

ঙ) যদি হোৱা নাই তেন্তে এই কাম কেতিয়া সম্পূৰ্ণ কৰা হ'ব আৰু Phase-II ৰ কাম কেতিয়ালৈ সম্পূৰ্ণ কৰিব পৰা যাব বা হ'ব ?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) চিঠি নং CE(RE)/Tech-802/pt.III/2003-04/50 dtd. 22-03-05 ৰ মতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ঘোষণাৰ আধাৰত প্ৰত্যেক মাননীয় বিধায়কক ৮০০ জন দৰিদ্ৰ সীমা ৰেখাৰ তলৰ পৰিয়ালৰ কুটিৰ জ্যোতি আঁচনিৰ অধীনত গ্ৰাম্য গৃহ বৈদ্যুতিকৰণ ৰ বাবে নাম তালিকা প্ৰস্তুত কৰি দাখিলৰ বাবে লিখিত অনুৰোধ কৰা হৈছিল। কিন্তু, সেই তালিকা এতিয়ালৈকে নোপোৱাৰ বাবে আৰু বিত্তীয় অনুদান নোপোৱাৰ বাবে অতিৰিক্ত বৈদ্যুতিকৰণৰ কাম কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই।

খ) ১। বিষয়টো সম্পৰ্কীয় ডি. এল. চি. চি. তালিকা প্ৰস্তুত কৰা হোৱা নাই। সংশ্লিষ্ট মাননীয় বিধায়কসকলৰ পৰা সম্পূৰ্ণ তালিকা নোপোৱা বাবে ডি. এল. চি. চিৰ তালিকা প্ৰস্তুত কৰিব পৰা হোৱা নাই।

২। সঁচা।

৩। ধুবুৰী জিলাত ডি. এল. চি. চিৰ মিটিং এতিয়ালৈ পতা হোৱা নাই আৰু কামো আৰম্ভ নকৰাৰ কাৰণ হ'ল সংশ্লিষ্ট সকলো সমষ্টিৰ মাননীয় বিধায়কসকলৰ পৰা নাম তালিকা নোপোৱাৰ বাবে আৰু বিত্তীয় অনুদান নোপোৱাৰ বাবে কাম আৰম্ভ কৰা হোৱা নাই।

গ) বিধান সভাৰ সকলো মাননীয় বিধায়কসকলৰ পৰা দৰিদ্ৰ সীমাৰেখাৰ তলৰ নিৰ্দ্দিষ্ট তালিকাসমূহ নোপোৱা বাবে ডি. এল. চি. চিৰ মিটিং পাতিব পৰা হোৱা নাই। এই ক্ষেত্ৰত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ সংশ্লিষ্ট বিভাগীয় বিষয়াসকলৰ লগত যোগাযোগ কৰি থকা হৈছে। বিত্তীয় অনুমোদন নোপোৱা বাবে উক্ত আঁচনিসমূহ ৰূপায়ণ কৰিব পৰা হোৱা নাই।

ঘ) চিঠি নং ASEB / CE(M) / DTR / LAC / 04 / 05 / 503, dtd. 07-03-2005 ৰ দ্বাৰা বিদ্যুৎ পৰিষদৰ মুখ্য অভিযন্তা (সামগ্ৰী)য়ে অসমৰ সকলো বৈদ্যুতিক চক্ৰৰ মুখ্য কাৰ্য্যবাহী বিষয়া (Chief Executive officer) ক Chief Minister Power Supply Assurance Mission ৰ অধীনত Phase-I ৰ Transformer distribution ৰ কাম ৩০ জুন, ২০০৫ আৰু Phase-II ৰ কাম ৩১ অক্টোবৰ, ২০০৫ ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ কোৱাটো সঁচা। কিন্তু Transformer প্ৰস্তুত কৰা ফাৰ্মে Transformer যোগান ধৰাত পলম কৰাৰ কাৰণে Phase-I ৰ কাম এতিয়া আগষ্ট মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব।

ঙ) Phase-I ৰ কাম পূৰ্ণ গতিত চলি আছে আৰু এই বছৰৰ আগষ্ট মাহৰ ভিতৰতে সম্পূৰ্ণ হোৱাৰ সম্ভৱনা আছে। Phase-II ৰ কাম অহা ডিচেম্বৰ মাহৰ ভিতৰতে সম্পূৰ্ণ কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

Mr. Speaker :- Short Notice Question No. 9, Hon'ble Member, Shri Ali Akbar Miah.

Sub :- ধুবুৰী জিলাৰ মহামায়া উন্নয়ন খণ্ডৰ E. O. (P) নুৰুল আজম সৰকাৰৰ বদলিকৰণ সম্পৰ্কে।

Sri Ali Akbar Miah asked :

*** 9. Will the Minister of State (Ind.), Panchayat & Rural Development Department be pleased to state :**

ক) ১। ধুবুৰী জিলাৰ মহামায়া উন্নয়ন খণ্ডৰ E.O. (P) নুৰুল আজম সৰকাৰক মহকুমাধিপতি বিলাসীপাৰাৰ প্ৰতিবেদন নং BCA 2/2003/Pt/252 dated.

28-2-2005 ৰ ভিত্তিত নং PDDE (II) 27 / 88 / PTI / 210 dated. 23-3-05 যোগে বদলিৰ আদেশ দিয়াটো সঁচানে ?

২। আকৌ নং PDDE(II) 27/88/Pt.I/214 dated. 18-06-05 যোগে বিষয়াজনক immediately without any reference ৰ ভিত্তিত ৰিলিজ কৰিবলৈ নির্দ্দেশ দিয়া হ'ল সঁচানে ?

খ) যদি সঁচা, তেন্তে এতিয়ালৈকে বিষয়াজনক ৰিলিজ নকৰাৰ কাৰণ বা ৰহস্য কি ?

গ) বিষয়াজনৰ বদলিৰ আদেশ স্থগিত কৰিবলৈ ন্যস্ত স্বার্থ জড়িত/দুর্নীতিৰ পক্ষলৈ চলা চক্র এটাই চেষ্টা চলাইছে সঁচানে ?

ঘ) যদি সঁচা, তেন্তে ৰাইজৰ মতৰ বিপক্ষে দুর্নীতিপৰায়ণ বিষয়াজনৰ বদলিৰ আদেশ স্থগিত কৰা হ'ব নেকি? (প্রসঙ্গ - ৩১/৩/০৫ ৰ তৰাবিহীন প্রশ্ন নং ৪৫৯)

Shri Ripun Bora (Minister of Panchayat & Rural Development) replied :

ক) ১। সঁচা।

২। সঁচা।

খ) বিষয়াজন বর্ত্তমান ভোটাৰ তালিকা সংশোধনৰ কার্য্যত নিয়োজিত হৈ থকাৰ বাবে release কৰিব পৰা হোৱা নাই।

গ) চৰকাৰ অৱগত নহয়।

ঘ) প্রশ্ন নুঠে।

Mr. Speaker :- Now, Short Notice Question No. 10, Hon'ble Member, Shri Ali Akbar Miah.

বিষয় ঃ- তাকৰীয়া সময়ৰ প্রশ্ন।

আলী আকবৰ মিঞাই সুধিছে ঃ

* ১০। মাননীয় গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) SGRY(Spl. Component) আঁচনিৰ অধীনত উপায়ুক্ত ধুবুৰীয়ে ২০০৩-০৪ বর্ষত ১,০৩,০০০ কুইন্টল চাউল পালে আৰু সম্পূৰ্ণ ভাৱে খৰচ কৰা হ'ল সঁচানে?

খ) যদি সঁচা তেন্তে উক্ত চাউলৰ বিপৰীতে কোন, কোনজন বিধায়ক, সাংসদ আৰু ব্যক্তিয়ে প্রয়োজনীয় ২৫ পাৰচেণ্ট কেচ দি আঁচনিৰ তালিকা দাখিল কৰিলে ?

গ) ১০-০৩-২০০৫ ৰ তৰাবিহীন প্রশ্ন নং -১৩০ (খ) অংশৰ প্রশ্নোত্তৰৰ ভিত্তিত LAC বা Dev. Block ভিত্তিত আঁচনিৰ তালিকা প্রস্তুতিৰ কাম শেষ হ'লনে (যদি হৈছে, তেন্তে তাৰ কপি দিব) ?

ঘ) যদি হোৱা নাই তেন্তে আঁচনিৰ তালিকা নোহোৱাকৈ চাউল, টকা খৰচ কৰা হ'ল কেনেকৈ ?

শ্রীবিপুন বৰা (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) উক্ত পৰিমাণৰ চাউল পোৱাটো সঁচা। কিন্তু ইয়াৰ ভিতৰৰে ১৩২.৩৯ কুইণ্টল চাউল বানপানী আদি কাৰণত নষ্ট, হোৱাত আৰু ৪৩০ কুইণ্টল চাউল বিভিন্ন উন্নয়ন খণ্ডৰ গুদামত জমা হৈ থকাৰ বাবে সম্পূর্ণ চাউল এতিয়াওঁ খৰচ হোৱা নাই।

খ) বিচৰা তালিকা পৰিশিষ্ট 'ক'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

গ) হয়। বিচৰা তালিকা পৰিশিষ্ট 'খ'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ কৰা হ'ল।

ঘ) প্রশ্ন নুঠে।

Mr. Speaker :- Short Notice Question No. 11, Hon'ble Member, Shri Ali Akbar Miah.

বিষয় ঃ- তাকৰীয়া সময়ৰ প্রশ্ন ।

শ্রীআলী আকবৰ মিঞাই সুধিছে ঃ

*** ১১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ধুবুৰী জিলাৰ কোন কোন বিধান সভা সমষ্টিৰ কোন কোন ৰাস্তা "মুখ্যমন্ত্রী পকীপথ নির্মাণ আঁচনি" ৰ অধীনত কিমানকৈ টকা মঞ্জুৰী দি কাম কৰি থকা হৈছে ?

খ) ১। উক্ত আঁচনিৰ অধীনত Makrijhora to Bagribari via Pijbari ৰাস্তাৰ কাম প্ৰাক্‌কলন মতে সঠিক ভাবেই কৰা হ'ব, নে প্ৰাক্‌কলন সলনি কৰাৰ চেষ্টা চলিছে কামটোৰ প্ৰাক্‌কলনৰ কপি দিব ?

২। বিষয়টো সংক্ৰান্তত ৰাইজৰ পৰা কোনো অভিযোগ, আবেদন পোৱা হৈছে নেকি ?

৩। যদি পোৱা হৈছে তেন্তে তাৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে (ব্যৱস্থা গ্ৰহণীয় পত্ৰৰ কপি দিব)।

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) "মুখ্যমন্ত্ৰী পকীপথ নিৰ্মাণ অভিযান" আঁচনিত ধুবুৰী জিলাত মুঠ ৮ (আঠ) টা বিধান সভা সমষ্টিৰ ৰাস্তাৰ পকীকৰণৰ বাবে মুঠ ৯৭৫.০০ লাখ টকা ধাৰ্য্য কৰা হ'ল।

খ) ১। উল্লেখিত পথৰ কাম অনুমোদিত প্ৰাক্‌কলন মতে কৰা হ'ব। (কামটোৰ প্ৰাক্‌কলনৰ কপি সদনৰ মজিয়াত দিয়া হৈছে)। (See Annexure - VIII)

২। এই সন্দৰ্ভত গড়কাপ্তানী বিভাগে এতিয়ালৈ কোনো অভিযোগ পোৱা নাই।

৩। প্ৰশ্ন নুঠে।

Mr. Speaker :- Short Notice Question No. 12, Hon'ble Member, Shri Ali Akbar Miah.

বিষয় ঃ- তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ

*** ১২। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) National Food for Work Programme (NFFWP) অসমত কেতিয়াৰ পৰা আৰম্ভ কৰা হৈছে ?

খ) উক্ত আঁচনিটোৰ মূল লক্ষ্য / উদ্দেশ্য কি (ব্যাখ্যা কৰিব) ?

গ) এতিয়ালৈ অসমৰ কোন, কোন জিলাই আঁচনিটোৰ অধীনত সুবিধা পালে/লাভ কৰি আছে ?

ঘ) পৰৱৰ্তী কোন কোন জিলাক আঁচনিটোৰ অধীনত সুবিধা আগবঢ়োৱাৰ বাবে তালিকাভুক্ত কৰা হৈছে ?

ঙ) আঁচনিটোৰ লক্ষ্য/উদ্দেশ্য মতে অসমৰ কোন কোন জিলাই প্ৰথমে (1st Phase) সুবিধা পাব লাগিছিল বা লাগে ?

শ্ৰীবিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো NFFWP আঁচনিখন ২০০৪ চনৰ ২ অক্টোবৰৰ পৰা আৰম্ভ কৰা হৈছে।

খ) সম্পূৰ্ণ গ্ৰামীণ ৰোজগাৰ যোজনাৰ অন্তৰ্গত যোগান ধৰা সম্বলৰ উপৰিও আটাইতকৈ পিচপৰা জিলাকেইখনৰ বাবে অতিৰিক্ত সম্বল যোগান ধৰি অতিৰিক্ত নিয়োগ আৰু খাদ্য নিৰাপত্তা প্ৰদান কৰাই হ'ল এই আঁচনিৰ উদ্দেশ্য।

গ) ধেমাজী, লখিমপুৰ, কোকৰাঝাৰ, কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ এই ৫ খন জিলাই এই আঁচনিৰ সুবিধা লাভ কৰিছে।

ঘ) নতুনকৈ কোনো জিলা তালিকাভুক্ত হোৱা নাই। অৱশ্যে যোৰহাট, মৰিগাওঁ, শোণিতপুৰ, কাচাৰ, ধুবুৰী আৰু হাইলাকান্দী এই ৬ খন জিলাক এই আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনোৱা হৈছে।

ঙ) কেন্দ্ৰীয় পৰিকল্পনা আয়োগে অতি পিছপৰা ভৈয়াম আৰু পাহাৰীয়া জনজাতি অধ্যুষিত অঞ্চল হিচাবে বিবেচনা কৰি উক্ত ৫ খন জিলাক NFFWP আঁচনিৰ বাবে নিৰ্ব্বাচিত কৰিছে।

Mr. Speaker :- Short Notice Question No. 13, Hon'ble Member, Shri Ali Akbar Miah.

বিষয় ঃ- ৰঙ্ঘনজ্যোতি আঁচনি।

শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ

*** ১৩। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি উত্তৰ দিবনে ঃ**

ক) অসমত ৰঙ্ঘনজ্যোতি আঁচনি আৰম্ভ কৰা বৰ্ষৰ পৰা ২০০৫ বৰ্ষলৈ আঁচনিটোৰ

অধীনত কোন, কোন জিলাত কিমান, কিমান জনক ইতিমধ্যে সুবিধা আগবঢ়োৱা হ'ল (তালিকা বনাই বছৰৰ বিপৰীতে জিলা ভিত্তিত তথ্য দিব) ?

খ) ১। আঁচনিটোৰ হিতাধিকাৰী বাঁচনি কৰাৰ কিবা নীতি-নিয়ম আছেনে (নীতি-নিয়মৰ কপি দিব) ?

২। হিতাধিকাৰী বাঁচনি কৰাৰ বাবে আঁচনিটোৰ মনিটৰিঙৰ বাবে জিলা, মহকুমা, ব্লক ভিত্তিত কোনো কমিটি আছেনে (থাকিলে তাৰ কপি দিব) ?

গ) যি সকল উপায়ুক্তই আঁচনিটোৰ কার্য্যকৰিকৰণত হেমাহি/গাফিলতি/অযথা বিলম্ব কৰি চলিছে তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল (ব্যৱস্তা গ্ৰহণীয় পত্ৰৰ কপি দিব) ?

ডাঃ নজৰুল ইছলাম (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) অসমৰ ৰন্ধনজ্যোতি আঁচনি আৰম্ভ কৰা বৰ্ষৰ পৰা ২০০৫ বৰ্ষলৈ আঁচনি খনৰ অধীনত জিলা ভিত্তিত ৰাজ্যখনৰ সকলো জিলাতে মুঠ ৫৩,০৭৭ জন হিতাধিকাৰীক সুবিধা আগবঢ়োৱা হৈছে। জিলা ভিত্তিত তথ্য সংলগ্ন 'ক'ত দিয়া হৈছে। (See Annexure-IX)

খ) ১। আঁচনিখনৰ হিতাধিকাৰী বাঁচনি কৰাৰ বাবে নীতি নিয়ম আছে। উক্ত নীতি নিয়মৰ প্ৰতিলিপি সংলগ্ন 'খ' 'গ' আৰু 'ঘ'ত দিয়া হ'ল। (See Annexure-X)

২। হিতাধিকাৰী বাচনি কৰাৰ বাবে জিলাৰ পৰা উন্নয়ন খণ্ড পর্য্যায়লৈকে বাঁচনি কমিটি আৰু পর্য্যালোচনাৰ বাবে জিলা ভিত্তিত কমিটি আছে। আঁচনিখন মনিটৰিং বা পর্য্যালোচনা কৰিবৰ বাবে খাদ্য আৰু যোগান বিভাগৰ সঞ্চালকক দায়িত্ব দিয়া হৈছে। ইয়াৰোপৰি ৰাজ্যিক পর্য্যায়ত আঁচনিখনৰ পর্য্যালোচনাৰ বাবে এখন কমিটি আছে। উক্ত নির্দ্দেশনাৰ আৰু জাননীৰ প্ৰতিলিপি সংলগ্ন 'খ' 'গ' 'ঘ' আৰু 'ঙ'ত দিয়া হ'ল। (See Annexure-XI)

গ) কোনো উপায়ুক্তই আঁচনিখন কার্য্যকৰীকৰণত হেমাহি/গাফিলতি/অযথা বিলম্ব কৰাৰ কোনো ধৰণৰ তথ্য পোৱা নাই।

Mr. Speaker :- Now, Short Notice Question No. 14, Hon'ble Member, Shri Ali Akbar Miah.

বিষয় ঃ- বিষয়াৰ অনৈতিক কামৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ।

শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ

* ১৪। মাননীয় গড়কাপ্তানী বিভাগৰ বাজ্যিক মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কবি জনাবনে ঃ

ক) চিঠি নং BT. 176/2003/PT/5 dtd. 08/06/05 যোগে Repairs, renovation of Bagribari S.D. under P.M.G.Y. ৰ কামৰ বিপৰীতে fresh ceiling demand বিচৰা হৈছে নেকি ?

খ) ঠিকাদাৰক কামটোৰ work order দিয়া হৈছিল কেতিয়া (order ৰ কপি দিব) ?

গ) বাজেট এলোকেশ্যন সময়মতে নোপোৱাত কাঁমটোৰ ঠিকাদাৰক টকা আদায় দিব পৰা নগ'ল বুলি ১৯.৩.০৪, ১৫.৬.০৪, ১০,১১,০৪ ত কার্য্যবাহী অভিযন্তাই চৰকাৰক জনালে— কিন্তু একেই বাজেট (FOC) ৰ পৰা Income Tax, Sale Tax ৰ ৩০,৫৩৭.০০ টকা কাটি ৰখা হ'ল এয়া দুর্নীতি/বৈষম্যত নপৰেনে (প্ৰসংগ ১৭-১২-০৪ ৰ তাকৰীয়া সময়ৰ প্ৰশ্ন নং ১৭ আৰু ১-৪-০৫ ৰ তৰা চিহ্নিত প্ৰশ্ন নং ৩২০) ?

ঘ) চিঠি নং 19/2005/32, dtd. 22/2/05, ৰ উত্তৰ পোৱা হ'লনে (উত্তৰৰ কপি দিব) ?

ঙ) উপৰোক্ত 'গ' আৰু 'ঘ' বিষয়ৰ দুর্নীতি/বৈষম্যমূলক কামৰ বাবে পূর্বৰ E.E. PWD (B), Dhubri ৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল (ব্যৱস্থা গ্ৰহণীয় পত্ৰৰ কপি দিব) ?

চ) চিঠি নং BT. 176/2003/PT/5, dtd. 8.6.05 ৰ বিপৰীতে fresh ceiling demand পোৱা হ'লনে (demand ৰ কপি দিব) ?

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ বাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়, হৈছে।

খ) কার্য্যবাহী অভিযন্তা, ধুবুৰী গৃহ সংমণ্ডলৰ চিঠিৰ নং 2412, dtd. 28-06-01ৰ জড়িয়তে কামটোৰ বাবে work order দিয়া হৈছিল। প্ৰতিলিপিসহ পত্ৰ-১ ত গাঠি দিয়া হ'ল। (See Annexure - XII)

গ) কার্য্যবাহী অভিযন্তাই কৰা কার্য্য দুর্নীতি বৈষম্যত নপৰে বুলি বিবেচনা কৰা হৈছে।

ঘ) প্রশ্নত উল্লেখিত চিঠিখনৰ উৎসৰ উল্লেখ নথকাৰ বাবে কোনো উত্তৰ দিব পৰা নহ'ল।

ঙ) উপৰোক্ত 'গ' আৰু 'ঘ' ৰ উত্তৰৰ পৰিপ্রেক্ষিতত ধুবুৰী গৃহ সংমণ্ডল, কার্য্যবাহী অভিযন্তাৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্রহণ কৰা হোৱা নাই।

চ) বিভাগীয় কার্য্যবাহী অভিযন্তাৰ পৰা তেওঁৰ চিঠি নং B-I/DB/Pt-XXXV/1635, dtd. 3/8/05 যোগে দিয়া প্রস্তাবটো মুখ্য অভিযন্তাৰ (গৃহ) কার্য্যালয়ত ৬/৮/০৫ তাৰিখে পোৱা হৈছে আৰু কার্য্যালয়ত প্রয়োজনীয় পৰীক্ষা কৰি থকা হৈছে।

Mr. Speaker :- Short Notice Question No. 15, Hon'ble Member, Shri Ali Akbar Miah.

বিষয় ঃ- কেৰাচিন তেলৰ বিতৰণ।

শ্রীআলী আকবৰ মিঞাই সুধিছে ঃ

*** ১৫। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ৰাজ্যিক মন্ত্রী মহোদয়ে অনুগ্রহ কৰি উত্তৰ দিবনে ঃ**

ক) "Scale of Issue of S.K. Oil" বুলিলে কি বুজায় ? (বিতং ব্যাখ্যা দিব) ?

খ) "Scale of issue of S.K. Oil" নীতি মতে কোন কোন জিলা/মহকুমাত কিমান জনকৈ F.I. Card Holder ক মাহিলী কিমান পৰিমাণকৈ তেল দি থকা হৈছে (জিলা, মহকুমা ভিত্তিত হিচাব দেখুৱাই তথ্য দিব) ?

গ) উপৰোক্ত নীতি মতে মাহিলী এটা পৰিয়ালে F.I. Card Holder) য়ে কিমানকৈ কেৰাচিন তেল পাব লাগে আৰু বর্ত্তমানে কিমানকৈ দি থকা হৈছে ?

ডাঃ নজৰুল ইছলাম (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) "Scale of issue of S.K. Oil" বুলিলে সাধাৰণতে কেৰাচিন তেল বিতৰণৰ নির্দ্দিষ্ট পৰিমাণ বুজায়।

খ) "Scale of issue of S.K. Oil" আৰু অন্যান্য নীতি নির্দ্দেশনাৰ আধাৰত ৰাজ্যখনৰ সকলো জিলা আৰু মহকুমাতে মুঠ পৰিয়াল পৰিচয় পত্ৰৰ বিপৰীতে কেৰাচিন তেলৰ বিতৰণৰ পৰিমান সংলগ্ন 'ক'ত দিয়া হ'ল। (See Annexure-XIII)

গ) উপৰোক্ত নিয়ম আৰু অন্যান্য নীতি নির্দ্দেশনাৰ আধাৰত মাহিলী প্ৰতিখন পৰিয়াল পৰিচয় পত্ৰৰ বিপৰীতে প্ৰায় ৩-৪ লিটাৰকৈ কেৰাচিন তেল পাব লাগে আৰু বৰ্ত্তমানেও জিলা আৰু মহকুমা বিলাকত উক্ত ভিত্তিতে ৩-৪ লিটাৰ কেৰাচিন তেলৰ উপৰিও সাময়িকভাবে পৰিস্থিতি সাপেক্ষে কেৰাচিন তেল বিতৰণৰ পৰিমাণ বৃদ্ধিও কৰা হয়।

Mr. Speaker :- Short Notice Question No. 16, Hon'ble Member, Shri Ali Akbar Miah.

বিষয় ঃ- NWDPRA আঁচনি।

শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ

*** ১৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) অসমৰ কোন কোন জিলাত কিমানটাকৈ NWDPRA আঁচনিত কিমান টকাকৈ মঞ্জুৰী দি কাম কৰা হ'ল (জিলাৰ বিপৰীতে আঁচনিৰ নাম ও মঞ্জুৰীৰ পৰিমাণ দেখুৱাই তথ্য দিব) ?

খ) ধুবুৰী জিলাৰ মাকৰীঝোৰা মহামায়া আঁচনিটোত এটিয়ালৈ কিমান কিমান টকাৰে কি কি কাম কৰা হ'ল ?

গ) মাকৰীঝোৰা মহামায়া আঁচনিৰ সীমা বৰ্দ্ধিত কৰি কিমান কিমান টকাৰে কি কি কাম কৰা হ'ল (প্ৰসংগ ৩০/৩/২০০০ ৰ তৰা চিহ্নিত প্ৰশ্ন নং -১৫৩) ?

ঘ) Technology Mission আঁচনিৰ বাবে ২০০৩-০৫ লৈ কৃষি বিভাগে কিমান টকা পালে আৰু কোন কোন জিলালৈ কিমান টকা মঞ্জুৰ কৰিলে (বছৰৰ বিপৰীতে জিলা ভিত্তিত তথ্য দিব) ?

ঙ) চিঠি নং D.D.W.-6/2003-04/79, Dated 18/2/04 ৰ বিপৰীতে অভিযুক্ত বিষয়াজনৰ বিৰুদ্ধে (প্ৰসঙ্গ-১১/৮/০৪ ৰ তাকৰীয়া সময়ৰ প্ৰশ্ন নং-

৫০) শেহতীয়াভাবে তদন্ত কৰি কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল (ব্যৱস্থা গ্ৰহণীয় পত্ৰাদিৰ কপি দিব) ?

শ্ৰীৰাজেদ আলী চৌধুৰী (কৃষি বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) অসমৰ মুঠ ২২ খন জিলাত Annexure-I ত গাঠি দিয়া ধৰণে NWDPRA আঁচনিৰ অধীনত প্ৰকল্প সমূহৰ বিপৰীতে টকা মঞ্জুৰী দিয়া হয়। (See Annexure-XIV)

খ) ধুবুৰী জিলাৰ মাকৰীঝোৰা-মহামায়া প্ৰকল্পৰ অষ্টম পৰিকল্পনাত অনুমোদিত মুঠ ১৩.৫০ লাখ টকাৰ বিপৰীতে ১২,১৪,৬৪৩.০০ টকা আৱণ্টন দিয়া হয়। উক্ত সমুদায় টকা তলত দিয়া শিতানমতে খৰছ্ কৰা হয়।

১।	বুনিয়াদী কার্য্য ব্যৱস্থা	-	৩,৫০,৯৬২.০০ টকা।
২।	ভূমি ও জল সংৰক্ষণ	-	৩,৫২,৫০০.০০ টকা।
৩।	শষ্য উৎপাদন ও আনুসঙ্গিক কার্য্যব্যৱস্থা	-	৪,৪৫,১৮১.০০ টকা।
৪।	পশুধন ব্যৱস্থাপনা	-	৬৬,০০০.০০ টকা।
		মুঠ	১২,১৪,৬৪৩.০০ টকা।

গ) মাকৰীঝোৰা মহামায়া, আঁচনিৰ সীমা বৰ্দ্ধিত প্ৰকল্পত দশম পৰিকল্পনাত ধাৰ্য্য কৰা ১,৩৬,৯০৫.০০ টকাৰ বিপৰীতে এটিয়ালৈকে মুঠ ৮৫,০০০.০০ টকাৰ কাম নিম্নলিখিত শিতানসমূহত খৰছ কৰা হৈছে।

১।	প্ৰশাসনীয় ব্যয়	-	৭,০০০.০০ টকা।
২।	সামুহীক সংগঠনৰ অধীনত প্ৰাথমিক কার্য্য	-	২০,০০০.০০ টকা।
৩।	প্ৰাকৃতিক সম্পদৰ ব্যৱস্থাপনা	-	৪৭,০০০.০০ টকা
৪।	ভূমিহীন কৃষকৰ জীৱিকাৰ ব্যৱস্থাপনা	-	১১,০০০.০০ টকা
		মুঠ	৮৫,০০০.০০ টকা

ঘ) Technology Mission (টেকনলজী মিচন) আঁচনিৰ অধীনত ২০০৩ চনৰ পৰা ২০০৫ চনলৈ কৃষি বিভাগে লাভ কৰা ধনৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল—

২০০৩-০৪	-	১,৪০০.০০ লাখ টকা
২০০৪-০৫	-	৮৭১.০০ লাখ টকা
	মুঠ	২,২৭১.০০ লাখ টকা

এই আঁচনিৰ অধীনত কোন কোন জিলালৈ কিমান ধন মঞ্জুৰ কৰা হ'ল তাৰ প্ৰতিবেদন Annexure-II & III ত গাঠি দিয়া হ'ল। (See Annexure-XV)

ঙ) ডঃ প্ৰশান্ত কলিতা যুটীয়া কৃষি সঞ্চালক (মাহ) তদন্ত শেষ কৰি প্ৰতিবেদন দাখিল কৰিছে। প্ৰতিবেদন বিবেচনাধীন হৈ আছে। সময়মতে বিহিত ব্যৱস্থা লোৱা হ'ব।

Mr. Speaker :- Short Notice Question No. 17, Hon'ble Member, Shri Utpal Dutta.

বিষয় ঃ- Employment Exchange Committee গঠন।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

✱ ১৭। **মাননীয় শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) যোৱা ৪/৩/০৫ তাৰিখে No. MEL 62/2005 চিঠি মৰ্মে মাননীয় মন্ত্ৰী মহোদয়ে ৫ গৰাকী ব্যক্তিৰ নাম বিচাৰি Employment Exchange Committee গঠনৰ প্ৰস্তুতি কৰা কথাটো চৰকাৰৰ অৱগতনে ?

খ) যদি অৱগত, তেনেহ'লে আজিলৈকে সমিতিসমূহ গঠন নকৰাৰ কাৰণ কি জনাবনে ?

গ) কেতিয়াকৈ সমিতিসমূহ গঠন কৰিব জনাবনে ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়, অৱগত।

খ) বর্ত্তমানলৈকে ৩৩ খন সমিতি গঠন কৰা হৈছে। গঠন কৰা সমিতি কেইখনৰ নাম সংলগ্ন তালিকা -১ ত উল্লেখ কৰা হৈছে। (See Annexure-XVI)

গ) বাকী থকা সমিতি কেইখন গঠনৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে।

Mr. Speaker :- Now, Short Notice Question No. 18 Hon'ble Member, Shri Utpal Dutta.

Sub : Short Notice Question.

শ্ৰীউৎপল দত্তই সুধিছে ঃ

*** 18. Will the Minister Revenue be pleased to state ঃ**

ক) অসমত বৰ্ত্তমান কিমানটা মন্দল পদ খালী হৈ আছে জনাবনে ?

খ) লক্ষীমপুৰ জিলাত কিমানটা পদ খালী হৈ আছে জনাবনে ?

গ) উক্ত খালী পদসমূহ পূৰণ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

ঘ) চলিত বৰ্ষত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিবনে ?

Shri Gautam Roy (Minister of Revenue) replied ঃ

ক) ৭৪৯ টা।

খ) ৫২ টা।

গ) খালী পদসমূহ পূৰণৰ বাবে বিত্ত বিভাগত অনুমোদনৰ প্ৰক্ৰিয়া চলি আছে।

ঘ) বিত্ত বিভাগৰ অনুমোদন সাপেক্ষে নিযুক্তিৰ ব্যৱস্থা লোৱা হ'ব।

Mr. Speaker :- Short Notice Question No. 19, Hon'ble Member, Shri Pabindra Deka.

বিষয় ঃ- ৰাজ্যখনৰ চৰকাৰী, অৰ্ধ-চৰকাৰী আৰু বেচৰকাৰী কাৰ্য্যালয়সমূহত ৰাজ্য ভাষা "অসমীয়া" প্ৰৰৰ্ত্তন কৰাৰ সম্পৰ্কে।

শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ

*** ১৯। মাননীয় ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) চৰকাৰে ৰাজ্যখনৰ চৰকাৰী, অৰ্ধ-চৰকাৰী আৰু বেচৰকাৰী কাৰ্য্যলয়সমূহত

ৰাজ্যখনৰ ৰাজ্যভাষা "অসমীয়া" প্ৰৱৰ্ত্তন কৰাৰ বাবে ২০০১ চনৰ পৰা ২০০৫ চনলৈ কি কি আঁচনি লৈছে ?

খ) এনে আঁচনি কাৰ্য্যকৰীকৰণ কৰাৰ বাবে উক্ত বছৰ কেইটাত কিমান টকা খৰচ কৰা হৈছে ?

গ) এনে আঁচনিৰ অধীনত ৰাজ্যখনত কিমান শতাংশ চৰকাৰী আৰু অৰ্ধ-চৰকাৰী কাৰ্য্যালয়ে ৰাজ্যভাষা "অসমীয়া"ত কাম কাজ চলাই আছে ?

ঘ) যিবিলাক উল্লেখিত কাৰ্য্যালয়ে এতিয়াও নিজ নিজ কাৰ্য্যালয়ত "অসমীয়া"ত কাম-কাজ চলোৱা নাই সেই বিলাক কাৰ্য্যলয়ক বাধ্য কৰাবলৈ চৰকাৰে ব্যৱস্থা ল'বনে ?

ঙ) যদি লয়— কেতিয়া ল'ব ?

শ্ৰীৰকিবুল হুছেইন (ৰাজনৈতিক বিভাগৰ ৰাজ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) চৰকাৰে ৰাজ্যখনৰ চৰকাৰী, অৰ্ধ-চৰকাৰী আৰু বেচৰকাৰী কাৰ্য্যালয়সমূহত ৰাজ্যখনৰ ৰাজ্যভাষা "অসমীয়া" প্ৰৱৰ্ত্তন কৰাৰ বাবে ২০০১ চনৰ পৰা ২০০৫ চনলৈ নিম্নলিখিত আঁচনি কেইখন গ্ৰহণ কৰিছে—

১। চলন্ত অভিধান প্ৰণয়ন আঁচনি।

আৰু

২। পাৰিভাষিক অভিধান প্ৰণয়ন আঁচনি।

খ) চলন্ত অভিধান প্ৰণয়ন আঁচনিৰ অধীনত ডি.টি.পি কৰাৰ বাবদ ৫৬,৩৫০.০০ টকা ২০০৩-০৪ বিত্তীয় বৰ্ষত আদায় দিয়া হৈছে। চলন্ত অভিধানৰ ডি.টি.পি.ৰ কাম ব্যক্তিগত ফাৰ্মত ঠিকাৰ ভিত্তিত কৰাৰ অন্তত ছপাৰ কাম চৰকাৰী ছপাশালত কৰা হৈছিল। গতিকে ছপাৰ বাবদ চৰকাৰী ভাষা প্ৰয়োগ সঞ্চালকে কোনো ধন খৰচ কৰা নাই। পাৰিভাষিক আঁচনিৰ অধীনত বৰ্ত্তমানলৈকে কোনো ধন খৰছ কৰা হোৱা নাই।

গ) এই বিষয়ে বিতং তথ্য চৰকাৰৰ হাতত বৰ্ত্তমান মজুত নাই।

ঘ) আইনখনৰ মতে ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

ঙ) প্ৰশ্ন নুঠে।

Mr. Speaker :- Short Notice Question No. 20, Hon'ble Member, Shri Pabindra Deka.

বিষয় ঃ- অসম চৰকাৰ নির্মাণ নিগম সম্পর্কে।

শ্রীপবিন্দ্র ডেকাই সুধিছে ঃ

* ২০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) অসম চৰকাৰ নির্মান নিগম (Assam Govt. Construction Corporation, AGCC) নামৰ নিগমটোৱে ২০০৩-০৪ আৰু ২০০৪-০৫ বিত্তীয় বছৰ দুটাত কিমান টকা লাভ কৰিবলৈ সক্ষম হৈছে ?

খ) উক্ত নিগমৰ বর্ত্তমান স্থায়ী পৰিচালন সঞ্চালক (M.D.) আৰু স্থায়ী মুখ্য অভিযন্তা নথকা কথাটো সঁচানে ?

গ) যদি সঁচা— উক্ত নিগমত শীঘ্রে স্থায়ী পৰিচালন সঞ্চালক আৰু স্থায়ী মুখ্য অভিযন্তা নিয়োগ কৰাৰ ব্যৱস্থা কৰিবনে ?

ঘ) ২০০২ চনৰ পৰাই উক্ত নিগমত সঞ্চালক মণ্ডলী (Board of Directors) নথকা কথাটো সঁচানে? যদি সঁচা— ইয়াৰ কাৰণ কি ?

ঙ) অতি শীঘ্রে সঞ্চালক মণ্ডলী গঠন কৰাৰ ব্যৱস্থা কৰিবনে ?

চ) উক্ত নিগমটো ইয়াৰ পিতৃ বিভাগ গড়কাপ্তানী বিভাগৰ লগত চামিল কৰাৰ সিদ্ধান্ত লৈছে নেকি ?

ছ) যদি লৈছে— এই সিদ্ধান্ত কেতিয়া কার্য্যকৰী কৰা হ'ব ?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) অসম চৰকাৰৰ নির্মাণ নিগম প্রতিস্থানটোৱে ২০০৩-০৪ বর্ষত প্রায় ১২ কোটি আৰু ২০০৪-০৫ বর্ষত ও প্রায় ১২ কোটি টকাৰ কাম কৰিছে। উক্ত বর্ষ দুটাৰ হিচাপ চুড়ান্ত নোহোৱা হেতুকে লাভ-লোকচান খতিয়ান জনাব পৰা হোৱা নাই।

খ) সঁচা।

গ) প্রকৃততে অসম চৰকাৰ নির্মাণ নিগমৰ স্থায়ী সঞ্চালক আৰু মুখ্য অভিযন্তাৰ পদত অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ পৰাহে নিয়োগ কৰা হয়। কিন্তু বর্তমান সময়ত এই বিভাগৰ কামৰ বর্দ্ধিত পৰিসৰৰ প্রতি লক্ষ্য কৰি উক্ত প্রতিস্থানটোৱে স্থায়ী সঞ্চালক আৰু মুখ্য অভিযন্তা নিয়োগ কৰিব পৰা হোৱা নাই যদিও, এই ক্ষেত্রত চেষ্টা চলাই থকা হৈছে।

ঘ) মিছা। ২০০৪ চনলৈ সঞ্চালক মণ্ডলী আছিল।

ঙ) উক্ত বিষয়টো চালি-জাৰি চাই ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

চ) তেনেকুৱা কোনো সিদ্ধান্ত এতিয়ালৈ লোৱা হোৱা নাই।

ছ) প্ৰশ্ন নুঠে।

Mr. Speaker :- Now, Short Notice Question No. 21, Hon'ble Member, Shri Pabindra Deka.

বিষয় ঃ- তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ

*** ২১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) চৰকাৰে চলিত বছৰৰ পৰা তিনিবছৰীয়া মেডিকেল ডিপ্লোমা পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰাৰ সিদ্ধান্ত লৈছে নেকি ?

খ) যদি লৈছে— কোন কোন মেডিকেল কলেজত এই পাঠ্যক্ৰম আৰম্ভ কৰা হ'ব ?

গ) কিমানজন ছাত্ৰৰ নাম ভৰ্ত্তি কৰা হ'ব আৰু কেনেধৰণে বা কি পদ্ধতিত নাম ভৰ্ত্তি কৰা হ'ব ?

ঘ) চৰকাৰৰ এই সিদ্ধান্ত ভাৰতীয় চিকিৎসক সন্থাৰ অসম শাখাই বিৰোধীতা কৰা কথাটো সঁচানে ?

ঙ) যদি সঁচা— এনে বিৰোধীতাৰ কাৰণ কি তাক চৰকাৰক জনাইছে নেকি?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়। লোৱা হৈছে।

খ) কোনো মেডিকেল কলেজতে এই পাঠ্যক্ৰম খোলা নহয়। এই পাঠ্যক্ৰম যোৰহাটৰ জননায়ক দেবেশ্বৰ শৰ্মা Civil Hospital ত খোলাৰ সিদ্ধান্ত লোৱা হৈছে।

গ) Medical Institute ত ১০০ জন ছাত্ৰ-ছাত্ৰীক নাম ভৰ্ত্তি কৰা হ'ব। নাম

ভর্ত্তিৰ বাবে উচ্চতৰ মাধ্যমিক বা সমপর্য্যায়ৰ পৰীক্ষাৰ পদার্থ ৰাসায়ণ আৰু প্রাণী বিজ্ঞান বিষয় হিচাবে লৈ সাধাৰণ শ্রেণীৰ ক্ষেত্রত ৫০% আৰু সংৰক্ষিত ছাত্র-ছাত্রীৰ ক্ষেত্রত ৪০% নম্বৰ লাভ কৰা গ্রাম্য অঞ্চলৰ প্রার্থীয়ে আবেদন কৰিব পাৰে। নাম ভর্ত্তিৰ বাবে কোনো পৰীক্ষা অনুষ্ঠিত কৰা নহয়। আবেদনকাৰীৰ ভিতৰৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত পোৱা নম্বৰৰ ক্রমৰ ভিত্তিত নাম ভর্ত্তি কৰা হ'ব। সাধাৰণ শ্রেণীৰ ছাত্র-ছাত্রীৰ বাবে প্রতি জিলাৰ পৰা দুজনকৈ ছাত্র-ছাত্রী মেধা ভিত্তিত বাচনি আৰু Reserved category ৰ ক্ষেত্রত জিলা ভিত্তিক আসনৰ পৰিৱর্ত্তে সম্পূর্ণ মেধাভিত্তিত আসন বিতৰণৰ ব্যৱস্থা কৰা হ'ব।

ঘ) হয়, সঁচা।

ঙ) এই পাঠ্যক্রম খোলাৰ বিৰোধীতা কৰি Indian Medical Association (Assam State Branch) ৰ চিঠি পোৱাটো সত্য। উল্লেখিত চিঠিৰ মর্ম্মে এই পাঠ্যক্রম Medical Council of India ৰ নিয়মাৱলীৰ পৰিপন্থি। অভিযোগ গ্রহণযোগ্য নহয়।

Mr. Speaker :- Short Notice Question No. 22, Hon'ble Member, Shri Pabindra Deka.

বিষয় ঃ- তাকৰীয়া সময়ৰ জাননী নং ২২।

শ্রীপবিন্দ্র ডেকাই সুধিছে ঃ

✱ ২২। **মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) অসমত বর্ত্তমান কিমানখন দৈনিক, তিনিদীনিয়া আৰু সাদীনিয়া বাতৰি কাকত আছে ?

খ) এই বাতৰি কাকতসমূহৰ প্রচলন সংখ্যা কিমান ? (বাতৰি কাকতৰ নাম আৰু প্রচলন সংখ্যা দিব)

গ) ২০০১ চনৰ পৰা ২০০৫ চনলৈ চৰকাৰে কোন কোন বাতৰি কাকতত কিমান টকাৰে বিজ্ঞাপন প্রকাশ কৰিছে। (বাতৰি কাকতৰ নাম আৰু সেই কাকতক দিয়া বিজ্ঞাপনৰ টকাৰ পৰিমান দিব) ?

ঘ) চৰকাৰে দিয়া বিজ্ঞাপনৰ বাবদ কোন কোন বাতৰি কাকতে কিমান পৰিমানৰ টকা এতিয়াও আদায় পাবলৈ বাকী আছে জনাবনে ?

শ্রীবকিবুল হুছেইন মুখ্যমন্ত্রীৰ হৈ (গৃহ আৰু বাজনৈতিক বিভাগৰ বাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) অসমত বৰ্ত্তমান দৈনিক বাতৰি কাকত (চৰকাৰৰ অনুমোদিত) ৩৩ খন, অৰ্দ্ধসাপ্তাহিক ৭ খন আৰু সাপ্তাহিক ৮৬ খন বাতৰি কাকত আছে।

খ) বাতৰি কাকতৰ নামৰ বিপৰীতে প্রচলনৰ সংখ্যা উল্লেখ কৰি তালিকা 'ক'ত সংলগ্ন কৰা হ'ল। (See Annexure-XVII)

গ) ২০০১ চনৰ পৰা ২০০৫ চনলৈ চৰকাৰে বিজ্ঞাপন প্রকাশ কৰা বাতৰি কাকত আৰু বিজ্ঞাপনৰ টকাৰ পৰিমানৰ প্রতিখন বাতৰি কাকতৰ বিপৰীতে উল্লেখ কৰি তালিকা '২' ত সংলগ্ন কৰা হ'ল। (See Annexure - XVIII)

ঘ) চৰকাৰে দিয়া বিজ্ঞাপনৰ বাবদ বাতৰি কাকতসমূহে ২০০৫ চনৰ মার্চ মাহৰ ৩১ তাৰিখলৈ দাখিল কৰা দেয়কৰ ধন আদায় দিয়া হৈছে। উক্ত তাৰিখৰ পৰৱর্ত্তী দেয়কৰ অর্থাৎ ১/৪/২০০৫ ৰ পৰা ৩০/৬/২০০৫ লৈ আদায় দিবলগীয়া ধনবো প্রতিখন বাতৰি কাকতৰ বিপৰীতে উল্লেখ কৰি তালিকা '৩' ত সংলগ্ন কৰা হ'ল। (See Annexure - XIX)

Mr. Speaker :- Short Notice Question No. 23, Hon'ble Member, Shri Pabindra Deka.

বিষয় ঃ- তাকৰীয়া সময়ৰ প্রশ্ন।

শ্রীপবিন্দ্র ডেকাই সুধিছে ঃ

*** ২৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ৰৰপেটা পথ সংমণ্ডলৰ অধীনৰ বামাখাটা— কৰ্দৈগুৰি গড়কাপ্তানী পথটোৱে প্রায় ২০০ মিটাৰ পথ পহুমাৰা নদীৰ বাবে এইবাৰ ভাঙি পেলোৱা কথাটো চৰকাৰৰ অৱগতনে ?

খ) যদি অৱগত— এই ভাঙি পেলোৱা পথছোৱা নতুনকৈ বন্ধাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছেনে ?

গ) যদি লৈছে— বন্ধা কাম কেতিয়া সম্পূর্ণ কৰা হ'ব ?

ঘ) যদি লোৱা নাই— বন্ধাৰ ব্যৱস্থা ল'বনে ?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হয়, অৱগত। ৰৱপেটা গ্রাম্য পথ সংমণ্ডলৰ অধীনৰ বামাখাটা কৰ্দৈগুৰি পথটো পহুমাৰা নদীৰ বানে এই বছৰ ভঙা নাই যদিও যোৱা বছৰ পহুমাৰা নদীৰ প্রলয়ংকাৰী বানত প্রায় ২৮০.০০ মিটাৰ দৈর্ঘ্য সম্পূর্ণৰূপে ভাঙি পেলাইছে।

খ) যোৱা বছৰত এই ভাঙিযোৱা পথছোৱা বন্ধাৰ বাবে মুঠ ৯৯.৫০ লাখ টকাৰ প্রাক্কলন প্রস্তুতি কৰি ৰাজহ বিভাগলৈ প্রেৰণ কৰা হৈছে।

গ) প্রশাসনিক অনুমোদন ও প্রয়োজনীয় ধনৰ আৱণ্টন সাপেক্ষে সোনকালে পথছোৱা বন্ধাৰ কাম সম্পূর্ণ কৰা হ'ব।

ঘ) প্রশ্ন নুঠে।

Mr. Speaker :- Short Notice Question No. 24, Hon'ble Member, Shri Pabindra Deka.

বিষয় ঃ- তাকৰীয়া সময়ৰ প্রশ্ন নং - ২৪।

শ্রীপবিন্দ্র ডেকাই সুধিছে ঃ

*** ২৪। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ১৯৯৩ চনত চৰকাৰে কেজুৱেল ভিত্তিত জুনিয়ৰ ইঞ্জিনিয়াৰ নিয়োগ কৰিছিল নেকি ?

খ) যদি কৰিছিল— কিমানজন নিয়োগ কৰিছিল ?

গ) এনেভাবে নিয়োগ কৰা জুনিয়ৰ ইঞ্জিনিয়াৰৰ চাকৰি কিমানজনৰ নিয়মীয়া কৰা হ'ল আৰু কিমানজন বাকী থাকিল ?

ঘ) কেইজনমানৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ বাবে বাকী থকাৰ কাৰণ কি ?

ঙ) যিসকল এতিয়াও নিয়মীয়াকৰণ কৰা হোৱা নাই সেইসকলৰ চাকৰি কেতিয়া নিয়মীয়াকৰণ কৰা হ'ব ?

শ্রীবিপুন বৰা (পঞ্চায়ত আৰু গ্রামোন্নয়ন মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হয়, ১৯৯৩ ইং চনৰ ১ এপ্রিলৰ আগতে কিছুমান প্রকল্প সঞ্চালকে কেজুৱেল ভিত্তিত কিছু সংখ্যক জুনিয়ৰ ইঞ্জিনিয়াৰ নিয়োগ কৰিছিল।

খ) ০১-০৪-১৯৯৩ চনৰ আগতে কেজুৱেল ভিত্তিত নিয়োগ কৰা জুনিয়ৰ ইঞ্জিনিয়াৰৰ সংখ্যা আছিল ৫৪ জন।

গ) এনেভাবে নিয়োগ কৰা মুঠ ২৩ জনৰ চাকৰি ইতিমধ্যেই নিয়মীয়াকৰণ কৰা হৈছে। বাকী ৩১ জনৰ চাকৰি নিয়মীয়াকৰণ কৰিবলৈ বাকী আছে।

ঘ) সংখ্যা অনুপাতে খালী পদ নথকাৰ বাবে সেইসকলৰ চাকৰি নিয়মীয়াকৰণ কৰিব পৰা হোৱা নাই।

ঙ) বাকী থকা সকলৰ চাকৰি নিয়মীয়াকৰণৰ ব্যৱস্থা পর্য্যায়ক্রমে খালী পদৰ পর্য্যাপ্ত সাপেক্ষে নিয়মীয়া কৰা হ'ব।

Mr. Speaker :- Now, Short Notice Question No. 25, Hon'ble Member, Shri Pabindra Deka.

বিষয় ঃ- ২০০৫ চনৰ আগষ্ট অধিৱেশনত সোধা তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী।

শ্রীপবিন্দ্র ডেকাই সুধিছে ঃ

* ২৫। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) অসমত কিমানটা শিলৰ কুৱেৰী আছে? (জিলা ভিত্তিক হিচাব দিব)

খ) এই কুৱেৰীসমূহক কিমান পৰিমাণৰ শিল ভঙাৰ বাবে অনুমতি দি থকা হৈছে ?

গ) এই কুৱেৰীসমূহৰ পৰা চৰকাৰে বছৰি কিমান টকা ৰাজহ লাভ কৰে ?

ঘ) যোৱা ২০০১-২০০২,২০০২-২০০৩, ২০০৩-২০০৪ আৰু ২০০৪-২০০৫ বছৰ কেইটাত মুঠ কিমান টকা ৰাজহ হিচাবে চৰকাৰে পালে ?

ঙ) এই কুৱেৰীসমূহৰ মালিকসকলৰ নাম ঠিকনা কি কি? (জিলা ভিত্তিক নাম ঠিকনা দিব)

চ) কুৱেৰী বিলাকে এবছৰত কিমান পৰিমাণৰ শিল ভাঙে ?

ছ) কুৱেৰী বিলাকক কিমান শিল ভাঙিবলৈ অনুমতি দিয়া হয় তাতকৈ বহুত বেছি শিল অবৈধভাৱে কুৱেৰী বিলাকে ভাঙে বুলি অভিযোগ উঠাটো সঁচানে ?

জ) যদি সঁচা এনে অভিযোগ তদন্ত কৰি অভিযুক্তসকলৰ বিৰুদ্ধে ব্যৱস্থা ল'বনে ?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (বন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) অসমত মুঠ ১২৬ টা শিল কুৱেৰী আছে। জিলা ভিত্তিক কুৱেৰীৰ নামৰ তালিকা গাঠি দিয়া হ'ল। (See Annexure-XX)

খ) এই শিল কুৱেৰী বিলাক মহল হিচাবে দুবছৰীয়া ভিত্তিত প্ৰত্যেক কুৱেৰীৰ বিপৰীতে একোটা নিৰ্দ্দিষ্ট পৰিমাণৰ শিল আহৰণৰ বাবে মহলদাৰক নীলাম বিক্ৰীযোগে আৱণ্টন দিয়া হয়। ইয়াৰ উপৰিও চৰকাৰী বিভিন্ন বিভাগৰ কামৰ বাবে চৰকাৰী ৰয়েল্টি নিৰিখত শিল আহৰণৰ বাবে দিয়া হয়। এই প্ৰত্যেক মহলৰ পৰা উঠাবলৈ দিয়া শিলৰ পৰিমাণ সদায় একে নাথাকে।

গ) এই কুৱেৰীসমূহৰ পৰা চৰকাৰে বছৰি গড় হিচাবে প্ৰায় ৪.৮০ কোটি টকা ৰাজহ হিচাবে সংগ্ৰহ কৰে।

ঘ) যোৱা ২০০১ চনৰ পৰা ২০০৫ চন পৰ্য্যন্ত মুঠ ২৪.৭৪ কোটি টকা ৰাজহ সংগ্ৰহ কৰিছে।

ঙ) এই কুৱেৰীসমূহৰ জিলা ভিত্তিক বৰ্ত্তমান চলি থকা মহলৰ মহলদাৰসকলৰ নামৰ তালিকা লগত গাঠি দিয়া হ'ল। ('ক' প্ৰশ্নৰ উত্তৰৰ লগত)। (See Annexure-XX)

চ) কুৱেৰী বিলাকক মহল হিচাবে ২ বছৰীয়া ম্যাদত একোটা নিৰ্দ্দিষ্ট পৰিমাণ (Stipulated quantity) শিলৰ বাবে আৱণ্টন দিয়া হয়। মহলদাৰে কিস্তিৰ ধন পৰিশোধ কৰাৰ ওপৰত উক্ত নিৰ্দ্দিষ্ট পৰিমাণৰ শিলৰ আধা পৰিমাণ বছৰি সংগ্ৰহৰ বাবে অনুমতি দিয়া হয়।

ছ) অভিযোগ সত্য নহয়।

জ) অভিযোগ পালে তদন্ত কৰি সঁচা প্ৰমাণিত হ'লে অভিযুক্তসকলৰ বিৰুদ্ধে বিভাগীয় ব্যৱস্থা লোৱা হ'ব।

Mr. Speaker :- Short Notice Question No. 26, Hon'ble Member, Shri Pabindra Deka.

বিষয় ঃ- পাঠ্যপুথি প্রকাশন।

শ্রীপবিন্দ্র ডেকাই সুধিছে ঃ

* ২৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে ঃ

ক) চৰকাৰে অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন নিগমক ২০০১ চনৰ পৰা ২০০৫ চনলৈ কি কি পাঠ্যপুথি ছপাবলৈ অর্ডাৰ দিছিল ?

খ) চৰকাৰৰ অর্ডাৰ মর্মে উক্ত নিগমে পাঠ্যপুথি সময়মতে ছপাই চৰকাৰক দিছিলনে ?

গ) এনেভাবে পাঠ্যপুথি ছপোৱাৰ বাবদ চৰকাৰে টেক্স নিগমক কিমান টকাৰ বিল পৰিশোধ কৰিব লগা হৈছিল ?

ঘ) এনেভাবে পৰিশোধ কৰিবলগীয়া টকাৰ এতিয়ালৈ মুঠ কিমান টকা নিগমক আদায় দিয়া হৈছে আৰু কিমান টকা আদায় দিবলৈ বাকী আছে ?

ঙ) বিলৰ টকা আদায় দিবলৈ বাকী থকাৰ কাৰণ কি ?

চ) আদায় দিবলৈ বাকী থকা টকা কেতিয়া আদায় দিব জনাবনে ?

শ্রীবিপুন বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) অসম প্রকাশন নিগমক ২০০১ চনৰ পৰা ২০০৫ লৈ 'ক' শ্রেণীৰ পৰা ৭ম শ্রেণীলৈ প্রয়োজনীয় পাঠ্যপুথিসমূহ ছপাবলৈ দিয়া হৈছিল। ছপা কৰিবলৈ দিয়া পাঠ্যপুথিসমূহৰ তালিকা পৰিশিষ্ট 'ক' ত দিয়া হ'ল। (See Annexure -XXI)

খ) পাঠ্যপুথিসমূহ সময়মতে ছপা কৰি যোগান ধৰিছিল।

গ) পাঠ্যপুথি ছপোৱাৰ বাবদ সর্ব্বমুঠ = ৬১,৯৮,১৭,৯৩৪.০০ টকাৰ বিল পৰিশোধ কৰিবলগা হৈছিল।

ঘ) মুঠ ৫৭,২৩,৫৭,৩৫৩.০০ টকা ইতিমধ্যে আদায় দিয়া হৈছে।

মুঠ = ৪,৭৪,৬০,৫৮১.০০ টকা আদায় দিবলৈ বাকী আছে।

ঙ) পুঁজিৰ নাটনিৰ বাবে।

চ) পুঁজি সাপেক্ষে অতি শীঘ্রে আদায় দিয়া হ'ব।

(Short Notice Question No. 27, 28,29,30,31 were not

taken up for disposal as the Questioners were not present in the House when called for. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ- তাকৰীয়া সময়ৰ প্ৰশ্ন জাননী।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

* ২৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ডিমৰীয়া জনজাতি আবেষ্টনিত অসংৰক্ষিত লোকলৈ জনজাতি আবেষ্টনি ভূমি হস্তান্তৰ হোৱা বিষয়ত ২০০৪ চনৰ মে' মাহত অসমৰ মুখ্যমন্ত্ৰীয়ে, তেতিয়াৰ অতিৰিক্ত মুখ্য সচিব এচ. কাবিলানক সেই বিতৰ্কিত ভূমি হস্তান্তৰ সন্দৰ্ভত ১৫ দিনৰ ভিতৰত এটি তদন্ত ৰিপোৰ্ট দাখিল কৰিবলৈ দিয়াটো সত্যনে ?

খ) সেই ৰিপোৰ্টটো দাখিল কৰিলেনে ?

গ) যদি দাখিল কৰিছে, সেই ৰিপোৰ্টটো সদনত দাখিল কৰিবনে ?

শ্ৰীগৌতম ৰয় (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) সত্য।

খ) হয়।

গ) প্ৰতিলিপি সদনত দাখিল কৰা হৈছে।

বিষয় ঃ- তাকৰীয়া সময়ৰ প্ৰশ্ন ।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

* ২৮। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবলে ঃ

ক) স্বাস্থ্য বিভাগত অৱৰ সচিব ৰূপে কাৰ্য্যনিৰ্বাহ কৰা এ.এইচ. খন্দকাৰ নামৰ বিষয়া গৰাকীয়ে কেতিয়া এই পদত যোগদান কৰে ?

খ) এই বিষয়া গৰাকী ইয়াৰ আগতে কোন বিভাগত আছিল আৰু কিমান দিন সেই বিভাগত আছিল ?

গ) এই এ.এইচ. খন্দকাৰ নামৰ বিষয়া গৰাকীয়ে স্বাস্থ্য বিভাগত কেতিয়াৰ পৰা কাৰ্য্যনিৰ্বাহ কৰি আছিল ? সেই কাৰ্য্যনিৰ্বাহ কৰাৰ সময়ত কিমান বাৰ এই

বিষয়াজনক বদলি কৰা হৈছিল ?

ঘ) কি কাৰণত এই বিষয়া গৰাকীয়ে বাৰে বাৰে সেই বদলিৰ আদেশ ৰদ কৰি এই স্বাস্থ্য বিভাগত কার্য্যনির্বাহ কৰাৰ ব্যৱস্থা কৰিছিল ?

ডাঃ ভূমিধৰ বর্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) অসম চৰকাৰৰ কর্মচাৰী বিভাগৰ ৪ জুলাই ২০০৫ ইং তাৰিখৰ AAA.4/2005/4 নং বদলিৰ অধিসূচনা (Notification) মৰ্ম্মে শ্রী এ. এইচ. খন্দকাৰে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত অৱৰ সচিব হিচাবে যোৱা ১৩-০৭-২০০৫ ইং তাৰিখে যোগদান কৰিছে।

খ) ইয়াৰ আগতে তেওঁ ৰাজহ বিভাগত কর্মৰত আছিল। উক্ত বিভাগত তেওঁ কিমান দিন আছিল, সংলিষ্ট বিভাগেহে কব পাৰিব।

গ) ইতিপূর্বে শ্রী এ. এইচ. খন্দকাৰে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত ২০০১ ইং চনৰ ১০ জানুৱাৰীৰ পৰা ২০০৪ চনৰ ৩১ মার্চলৈকে কার্য্যনির্বাহ কৰিছিল। উক্ত সময়ছোৱাত তেওঁৰ ওপৰত ন্যস্তদায়িত্ব নিয়াৰীকৈ আৰু সুচাৰুৰূপে পালন কৰিছিল। সেই সময়ছোৱাত কর্মচাৰী বিভাগৰ ৩-৩-২০০৪ ইং তাৰিখৰ AAI.5/2004/5 নং অধিসূচনা মর্মে বদলি কৰাত ৩১-৩-২০০৪ ইং তাৰিখে তেওঁ দায়িত্বভাৰ চমজাই দিয়ে।

ইংৰাজী ৩-৩-২০০৪ তাৰিখৰ বদলিৰ নির্দ্দেশৰ পূর্বে স্বাস্থ্য বিভাগত কার্য্যনির্বাহ কৰা সময়ছোৱাত কোনো ধৰণৰ বদলিৰ নির্দ্দেশ পোৱা হোৱা নাছিল।

ঘ) যিহেতু ইতিপূর্বে তেওঁক এবাৰেই বদলি কৰা হৈছিল আৰু সেই মর্মে দায়িত্বভাৰো চমজাই দিছিল, গতিকে বাৰে বাৰে বদলিৰ আদেশ ৰদ কৰা কথাটো সঁচা নহয়।

বিষয় ঃ- অনুসূচীত জনজাতি আৰু অনুসূচীত জাতিৰ ছাত্র-ছাত্রীৰ বৃত্তি।

শ্রীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

* ২৯। **মাননীয় ডব্লিউ. পি. টি. এণ্ড বি. চি. বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ২০০১ চনৰ পৰা ২০০৫ চনলৈ ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা

শ্রেণীৰ কল্যাণ বিভাগে কেন্দ্রীয় চৰকাৰৰ পৰা জলপানীৰ ধনৰ নামত কিমান পুঁজি লাভ কৰে ?

খ) এই বিগত বছৰ কেইটাত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ছাত্র-ছাত্রীৰ জলপানীৰ বাবদ কিমান কিমান টকাৰ ড্রাফট কোন কোন কলেজ, শিক্ষানুষ্ঠানলৈ এই বৃত্তিৰ বাবে পঠিয়াই জনাবনে? (কলেজ, বিশ্ববিদ্যালয়ৰ বিপৰীতে ড্রাফটৰ টকাৰ পৰিমাণ আৰু ড্রাফট নং জনাব)।

গ) এই ড্রাফট আই. টি. ডি. পিৰ যোগেদি বিতৰণৰ ব্যৱস্থা কৰে নেকি ? কোন কোন আই. টি. ডি. পিৰ যোগে কিমান টকাৰ ড্রাফট প্রেৰণ কৰিছিল জনাবনে ?

শ্রীভৰত চন্দ্র নৰহ (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীৰ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ২০০১ চনৰ পৰা ২০০৫ চনলৈ কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা জলপানীৰ ধনৰ পৰিমাণ জনজাতিৰ বাবদ মুঠ ২২,৭৫,৭৯,৮৭১ টকা লাভ কৰে।

খ) বিতং তথ্য অনুবদ্ধ 'ক' আৰু 'খ' ত দিয়া হ'ল। (সদনৰ মেজত ৰখা হ'ল)

গ) হয়। বিতং তথ্য অনুবদ্ধ 'ক' আৰু 'খ'ত দিয়া হ'ল। (সদনৰ মেজত ৰখা হ'ল)

বিষয় ঃ- অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ছাত্র-ছাত্রীৰ বৃত্তি।

শ্রীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

*** ৩০। মাননীয় ডব্লিউ. পি. টি. / বি. চি. বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) অসমত কিমানখন পলিটেকনিক আছে ?

খ) ২০০১-২০০২ চনৰ পৰা এই পলিটেকনিকবোৰত অধ্যায়ন কৰা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ছাত্র-ছাত্রীক কিমান ছাত্র বৃত্তিৰ ধন বর্ত্তমান ২০০৫ চনলৈকে দিছে? (ছাত্র-ছাত্রীৰ নাম আৰু পলিটেকনিকবোৰৰ নাম জনাব) ?

গ) কোনো কোনো পলিটেকনিকৰ অনুসূচীত জাতি আৰু জনজাতিৰ ছাত্র-ছাত্রীসকলে ২০০১-০২ চনৰ ২০০৪-০৫ লৈকে এনে বৃত্তি নোপোৱা কথাটো জ্ঞাতনে ?

ঘ) কিয়, কি কাৰণত সেই অনুসূচীত ছাত্ৰ-ছাত্ৰীয়ে এনে জলপানী পোৱা নাই জনাবনে ?

ঙ) তেনে জলপানী আদায় দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) অসমত বৰ্ত্তমান ৯ খন পলিটেকনিক আছে ।

খ) ২০০১-২০০২ চনৰ পৰা ২০০৪-২০০৫ চনলৈ এই পলিটেকনিকবোৰত অধ্যায়ণ কৰা অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলক দিয়া বৃত্তিৰ ধনৰ পৰিমাণ মুঠ ১৩,১৪,৯০৩ টকা আৰু অনুসূচীত জনজাতিৰ বাবে মুঠ ৬,৮১,০৩২ টকা (বিতং তথ্য অনুবদ্ধ— 'ক' আৰু অনুবদ্ধ —'খ'ত দিয়া হ'ল। সদনৰ মেজত ৰখা হ'ল)

গ) চৰকাৰে দাখিল কৰা তালিকাৰ বিপৰীতে সম্পূৰ্ণ টকা আদায় দিয়া হৈছে। গতিকে ২০০১-২০০২ পৰা ২০০৪-২০০৫ চনলৈ অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীয়ে টকা নোপোৱাটো সত্য নহয়। কিন্তু অনুসূচীত জনজাতিৰ কোনো কোনো ছাত্ৰ-ছাত্ৰীয়ে ২০০১-২০০২ ৰ পৰা ২০০৪-০৫ চনলৈ বৃত্তিৰ টকা নোপোৱাটো জ্ঞাত।

ঘ) অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীয়ে যিহেতু জলপানী নিয়মীয়াকৈ পাই আছে এই ক্ষেত্ৰত প্ৰশ্ন নুঠে। কিন্তু অনুসূচীত জনজাতিৰ ছাত্ৰ-ছাত্ৰীয়ে কোনো কোনো পলিটেকনিকত ২০০১-০২ চনৰ পৰা ২০০৪-০৫ লৈকে এনে বৃত্তি নোপোৱাটো মূল কাৰণ হ'ল সংশ্লিষ্ট পলিটেকনিকবোৰৰ পাবলগীয়া ছাত্ৰ বৃত্তিৰ প্ৰস্তাৱ প্ৰকল্প সঞ্চালকালয়ৰ যোগেদি নোপোৱাৰ বাবে।

ঙ) জলপানী আদায় দিয়াৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে বান্ধি দিয়া নিয়ম অনুসৰি যিবোৰ ছাত্ৰ বৃত্তিৰ প্ৰস্তাৱ গ্ৰহণ যোগ্য বিবেচিত হয় তেনেবোৰ জলপানী আদায় দিয়াৰ ব্যৱস্থা কৰিব পৰা যাব।

বিষয় ঃ- তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰাণেশ্বৰ বসুমতাৰীয়ে সুধিছে ঃ

* ৩১। **মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) অসম ক'অপাৰেটিভ এপেক্স বেংকত অনুসূচীত জনজাতিৰ সন্দৰ্ভত থকা

বেকলগ পদবোৰ পূৰণ কৰা হৈছেনে? (যদি কৰা হৈছে পদোন্নতি লাভ কৰা সকলৰ তালিকা দিব)

খ) কিনাৰাম মেছ নামৰ জেনেৰেল মেনেজাৰ গৰাকীৰ পদোন্নতিৰ বাবে ৰাষ্ট্ৰীয় জনজাতি আয়োগৰ পৰা আদেশ অহাটো সত্যনে ?

গ) সেই আদেশ কাৰ্য্যকৰী নকৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় জনজাতি আয়োগ অসমৰ অনুসূচীত জাতি/জনজাতিৰ সমন্বয়ৰক্ষী সমিতিৰ পৰা পোৱা স্মাৰক পত্ৰৰ ভিত্তিত জবাব দিহি কৰাটো সত্যনে ?

ঘ) উক্ত সন্দৰ্ভত উত্তৰ প্ৰেৰণ কৰা হৈছে নেকি? যদি নাই কৰা কেতিয়া কৰা হ'ব ?

শ্ৰীমিসবাহুল ইসলাম লস্কৰ (সমবায় বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) যোৱা ১০-৫-৯৯ তাৰিখৰ ব'ৰ্ডৰ সিদ্ধান্ত মৰ্মে ৫৬ জন অনুসূচীত জাতি আৰু জনজাতিৰ প্ৰাৰ্থী বেঙ্কত বিশেষ মকৰল অভিযানত (Special recruitment drive) নিযুক্তি দিয়া হয়। উল্লেখযোগ্য যে, কৰ্মী/বিষয়াৰ পদোন্নতিৰ বাবে বিভাগীয় পৰীক্ষা ১৯৯৯ চনৰ পিছত অনুষ্ঠিত হোৱা নাই। সেয়েহে ১৯৯৯ চনত উত্তীৰ্ণ হোৱা প্ৰাৰ্থী কেইগৰাকীৰ বাদে কোনো খালী পদ (বিষয়া/ কৰ্মচাৰী) পূৰণ কৰা হোৱা নাই। যোৱা দহ বছৰৰ পৰা আজিলৈকে তালিকাত দেখুওৱা ধৰণে অনুসূচীত জাতি আৰু জনাজাতি কৰ্মী/বিষয়াক পদোন্নতি দিয়া হৈছে (Annexure-A) (See Annexure-XXII)

খ) সত্য।

গ) অসমৰ অনুসূচীত জাতি আৰু জনজাতি সমিতিৰ পৰা পোৱা স্মাৰক পত্ৰৰ ভিত্তিত ৰাষ্ট্ৰীয় জনজাতি আয়োগে তেওঁলোকৰ চিঠি নং R/12/BANK/11/2005/3T/55W/ dt. 1.7.2005 মৰ্মে বেঙ্কৰ পৰা উক্ত চিঠিৰ সন্দৰ্ভত মতামত বিচাৰিছে।

ঘ) উক্ত সন্দৰ্ভত বেংকে চিঠি নং ACAB/HO/ADMN/KRM/2005/4262 dtd. 28.7.05 যোগে ৰাষ্ট্ৰীয় অনুসূচীত জাতি আয়োগলৈ উত্তৰ প্ৰেৰণ কৰিছে।

Mr. Speaker :- Short Notice Question No. 32, Hon'ble Member, Shri Hemanta Talukdar.

বিষয় ঃ- বিধায়কৰ দ্বাৰা আৱণ্টিত ট্ৰেন্সফৰ্মাৰ।

শ্ৰীহেমন্ত তালুকদাবে সুধিছে ঃ

*** ৩২। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) বিধায়কৰ দ্বাৰা আৱণ্টিত ট্ৰেন্সফৰ্মাৰসমূহ কাৰ্য্যত ৰূপান্তৰিত হ'বলৈ হ'লে বিভাগীয় কৰ্তৃপক্ষই দিয়া হিচাব (Estimate) ২.৫ লাখৰ পৰা ৩.৫ লাখ টকা। মন্ত্ৰী মহোদয়ে ইয়াৰ বিষয়ে অৱগতনে? বিহিত ব্যৱস্থা ল'ব নোৱাৰিলে এয়া অপ্ৰাসংগিক নহ'ব নে ?

খ) পশ্চিম গুৱাহাটীৰ বহু অঞ্চলত যেনে— কালাপাহাৰ, জ্যোতিকুছি, ফটাশিল হিলচাইড, শান্তিপুৰ হিলচাইড অঞ্চলত আজিলৈ বিজুলী যোগান ব্যৱস্থা নোহোৱা কথাটোত চৰকাৰ অৱগতনে ?

গ) যদি অৱগত— কেতিয়ালৈ এই অঞ্চলত বিজুলী যোগান ব্যৱস্থা গ্ৰহণ কৰা হ'ব জনাবনে ?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বিধায়কৰ দ্বাৰা আৱণ্টিত ট্ৰেন্সফৰ্মাৰসমূহ কাৰ্য্যত ৰূপান্তৰিত কৰিবলৈ চৰকাৰে ইতিমধ্যে মুঠ ২০ কোটি টকা মোকলাই দিছে। ট্ৰেন্সফৰ্মাৰৰ ক্ষমতা সাপেক্ষে এই ক্ষেত্ৰত Estimate ৰ পৰিমাণ নূন্যতম আৰু উচ্চতম ১.৭০ লাখ আৰু ৩.২৫ লাখ টকালৈ ধাৰ্য্য কৰা হৈছে।

খ) অৱগত।

গ) প্ৰশ্নত উল্লেখিত পশ্চিম গুৱাহাটীৰ অঞ্চলসমূহ চহৰ এলেকাত পৰে। বৰ্ত্তমানে চহৰ এলেকাত বিদ্যুৎ সম্প্ৰসাৰণৰ বাবে চৰকাৰৰ ফালৰ পৰা কোনো আঁচনি লোৱা হোৱা নাই। অৱশ্যে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক সমগ্ৰ গুৱাহাটীৰ বিদ্যুৎ বিতৰণ ব্যৱস্থাৰ উত্তৰণৰ বাবে আঁচনি প্ৰস্তুত কৰিবলৈ কোৱা হৈছে।

সদ্যহতে সেই অঞ্চলসমূহত বিদ্যুৎ সম্প্ৰসাৰণ কৰিব লগা হয় তেন্তে সেই ঠাইৰ বাসিন্দাসকলে নিজাববীয়াকৈ পুঁজি যোগান ধৰিলে (Deposite Scheme) বা সংশ্লিষ্ট বিধায়কৰ Local Area Development, MLA, LAD Scheme) Fund ৰ যোগেদি এই কাম কৰিব পৰা যাব।

(Short Notice Question No. 33 was not taken up for disposal as the Questioner was not present in the House when called for. However, the said question deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ- তাকৰীয়া সময়ৰ প্ৰশ্ন জাননী।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

*** ৩৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) অসম ক'অপাৰেটিভ এপেক্স বেংকক ষ্টেটফেড, অসম সমবায় চেনী কল, নগাওঁ সমবায় চেনীকল, আৰ্টফেড, এপল', গাওঁ পঞ্চায়তৰ প্ৰাথমিক সমবায় সমিতি, যোৰহাট কনজুমাৰ গুড্‌চ হলচেল ক'অপাৰেটিভ চ'চাইটি, অসম টি ক'ৰপৰেশ্যন আদিয়ে ৮৬.৫০ কোটি ঋণ আদায় দিবলৈ বাকী থকাটো সত্যনে ?

খ) কো'প্ৰতিষ্ঠানে কিমান কিমান ঋণ দিবলৈ বাকী আছে জনাবনে ?

গ) এই ঋণ আদায়ৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

ঘ) এই বেংকটোৰে আৰু ২০০ কোটি টকা ঋণ দিয়াৰ বাবে আঁচনি গ্ৰহণ কৰিছে নেকি ?

ঙ) এই সমবায় খণ্ডৰ বেংকটোত সদ্যহতে কিমান ধন জমা আছে ?

শ্ৰীমিসবাহুল ইসলাম লস্কৰ (সমবায় বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয় সত্য। ৩০-৬-২০০৫ তাৰিখ পৰ্য্যন্ত সূতে-মুলে মিলি প্ৰায় ১০১.৭৭ কোটি টকা আদায় দিবলৈ বাকী আছে।

খ) প্ৰতিষ্ঠান বিলাকৰ বিতং হিচাব Annexure 'A' আৰু 'B' ত দেখুওৱা হৈছে। (See Annexure-XXII)

গ) এপেক্স বেংকৰ নানা সমস্যাৰ পৰিপ্ৰেক্ষিতত ১৭.৩.২০০৫ তাৰিখে "Review meeting on financial position of the Assam Co-operative Appex Bank" এ লোৱা সিদ্ধান্ত মৰ্মে চৰকাৰে সংশ্লিষ্ট বিভাগসমূহৰ লগত যোগাযোগ কৰি আছে।

ঘ) এই বেংকটোৰে ২০০৫-২০০৬ বছৰৰ কাৰণে মুঠ ৫৯.৮৭ কোটি টকা Annexure 'D' আৰু 'E' ত দেখুওৱা দৰে ঋণ দিবলৈ আঁচনি লৈছে। (See Annexure-XXV)

ঙ) এই বেংকটোত ২৪-৬-২০০৫ তাৰিখৰ হিচাব মতে ৫৩৪.২৫ কোটি জমা ধন আছে। বিতং হিচাব Annexure 'C' ত দেখুওৱা হৈছে। (See Annexure-XXIV)

Mr Speaker :- Short Notice Question No. 34, Hon'ble Member, Shri Hemanta Talukdar.

বিষয় ঃ- পানী যোগান।

শ্রীহেমন্ত তালুকদাৰে সুধিছে ঃ

*** ৩৪। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) গুৱাহাটীৰ মাজমজীয়াত থকা যেনে— ফটাশিল, শান্তিপুৰ, কালাপাহাৰ ইত্যাদি অঞ্চলসমূহত আজিলৈ পানী যোগান ব্যৱস্থা গঢ়ি নুঠাটো চৰকাৰ অৱগতনে?

খ) যদি অৱগত উক্ত অঞ্চলসমূহত পানী যোগান ব্যৱস্থাৰ কি কি আঁচনি হাতত লৈছে আৰু উক্ত আঁচনিসমূহ কেতিয়া সম্পূর্ণ কৰিব ?

শ্রীহেম প্রকাশ নাৰায়ণ (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) উক্ত অঞ্চলসমূহত আংশিকভাৱে পানীযোগান ব্যৱস্থা থকাটো চৰকাৰ অৱগত।

খ) উক্ত অঞ্চলসমূহত বৰ্ত্তমানে তলত উল্লেখিত গভীৰ নলীনাদৰ পৰা আংশিক পানীযোগান ধৰি থকা হৈছে।

১। ফটাশিল অঞ্চলত ৰং পথাৰ, ফটাশিল, গভীৰ নলীনাদ আঁচনিৰ দ্বাৰা পানী যোগান ধৰি থকা হৈছে।

২। ফটাশিল অঞ্চলত ৰং পথাৰ, ফটাশিল, গভীৰ নলীনাদ আঁচনিৰ দ্বাৰা পানী যোগান ধৰি থকা হৈছে।

৩। শান্তিপুৰ অঞ্চলৰ একাংশ লোকক পানবজাৰ পানী যোগান আঁচনিৰ দ্বাৰা পানী যোগান ধৰা হয়। আনহাতে, শান্তিপুৰৰ পাহাৰীয়া অঞ্চলত শান্তিপুৰ গভীৰ নলীনাদ আঁচনিৰ দ্বাৰা পানীযোগান ধৰা হয়।

আনহাতে এই গোটেই অঞ্চল সামৰি লগতে মহানগৰ পানী যোগান নথকা অঞ্চলসমূহতো পানী যোগানৰ ব্যৱস্থা কৰাৰ আঁচনি চৰকাৰৰ বিবেচনাধীন হৈ আছে।

Mr Speaker :- Short Notice Question No. 35, Hon'ble Member, Shri Pabindra Deka.

বিষয় ঃ- চৰকাৰী পুঁথিভড়ালসমূহৰ বাবে গ্ৰন্থ নিৰ্ব্বাচন সমিতি।

শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ

*** ৩৫। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) চৰকাৰে ৰাজ্যখনৰ চৰকাৰী পুঁথিভৰালসমূহৰ বাবে লোৱা গ্ৰন্থ নিৰ্ব্বাচন পুঁথিভৰাল সঞ্চালকালয়ে (Director of Library Services) কৰে নেকি ?

খ) গ্ৰন্থ নিৰ্বাচন কমিটিয়ে কৰে নে সঞ্চালকে নিজে কৰে ?

গ) যদি নিৰ্বাচন কমিটিয়ে কৰে— এই কমিটিৰ সদস্যসকল কোন কোন ?

ঘ) অসমৰ জাতীয় অনুষ্ঠান "অসম সাহিত্য সভা"ৰ কোনো প্ৰতিনিধিক উক্ত কমিটিৰ সদস্য হিচাবে অন্তৰ্ভুক্ত কৰা হৈছে নে ?

ঙ) যদি হোৱা নাই— অসম সাহিত্য সভাৰ ফালৰ পৰা এজন সদস্য উক্ত কমিটিত অন্তৰ্ভুক্ত কৰিবনে ?

চ) যদি কৰে— কেতিয়া কৰিব ? (অনুগ্ৰহ কৰি নিৰ্দ্দিষ্ট সময় উল্লেখ কৰিব)

ডঃ হেমপ্ৰভা শইকীয়া (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) চৰকাৰে ৰাজ্যখনৰ চৰকাৰী পুঁথিভড়ালসমূহৰ বাবে লোৱা গ্ৰন্থ নিৰ্ব্বাচন পুঁথিভড়াল সেৱা সঞ্চালকালয়ৰ যোগেদি কৰা হয়।

খ) ১) ৰাজ্যিক অগ্ৰাধিকাৰ আঁচনি আৰু বাৰ্ষিক পৰিকল্পনা পুঁজিৰ ক্ষেত্ৰত চৰকাৰে গঠন কৰি দিয়া বাচনি সমিতিয়ে আৰু ২) ৰাজা ৰামমোহন ৰায় লাইব্ৰেৰী ফাউণ্ডেচনৰ (RRRLF) আঁচনিৰ ক্ষেত্ৰত চৰকাৰে গঠন কৰি দিয়া ৰাজ্যিক পুথিভড়াল সমিতিয়ে গ্ৰন্থ নিৰ্বাচন কৰে। গ্ৰন্থৰ বাচনি সঞ্চালকে নিজে নকৰে।

গ) ৰাজ্যিক বার্ষিক পৰিকল্পনা আৰু অগ্ৰাধিকাৰ আঁচনিৰ (State Priority Scheme) ক্ষেত্ৰত চৰকাৰে গঠন কৰি দিয়া বাচনি সমিতিৰ সদস্যসকল হ'ল—

১। আয়ুক্ত সচি, সাংস্কৃতিক পৰিক্ৰমা বিভাগ — অধ্যক্ষ

২। যুটীয়া সচিব, সাংস্কৃতিক পৰিক্ৰমা বিভাগ — সদস্য

৩। জ্যেষ্ঠ বিত্তীয় উপদেষ্টা, সাংস্কৃতিক পৰিক্ৰমা বিভাগ — সদস্য

৪। শ্ৰীমতী নিৰুপমা বৰগোহাঞি, সাহিত্যিক — সদস্য

৫। ড° অনিল কুমাৰ গোস্বামী, প্ৰাক্তন অধ্যক্ষ, কটন মহাবিদ্যালয় — সদস্য

৬। শ্ৰীভৱ প্ৰসাদ চলিহা, প্ৰাক্তন মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অসম পুঁথিভড়াল সস্থা — সদস্য

৭। শ্ৰীৰাম গোস্বামী, অৱসৰপ্ৰাপ্ত ৰাজ্যিক গ্ৰন্থাগাৰিক, অসম আৰু সাহিত্যিক — সদস্য

৮। সঞ্চালক, পুঁথিভড়াল সেৱা, অসম — সদস্য সচিব।

ৰাজা ৰামমোহন ৰায় লাইব্ৰেৰী ফাউণ্ডেচনৰ পুঁজিৰ পৰা গ্ৰন্থ ক্ৰয় কৰা ৰাজ্যিক পুঁথিভড়াল সমিতিৰ সদস্যসকল—

১। আয়ুক্ত সচিব, সাংস্কৃতিক পৰিক্ৰমা বিভাগ, অসম — অধ্যক্ষ

২। সঞ্চালক, ৰাজা ৰামমোহন ৰায় লাইব্ৰেৰী ফাউন্দেচন, কলকাতা বা তেখেতৰ প্ৰতিনিধ — সদস্য

৩। সভাপতি বা সম্পাদক, অসম পুঁথিভড়াল সস্থা — সদস্য

৪। শিক্ষা বিভাগৰ মনোনীত এগৰাকী প্ৰতিনিধি — সদস্য

৫। ড° অলকা বুঢ়াগোহাঞি, প্রাক্তন মুৰব্বী অধ্যাপিকা— পুঁথিভড়াল আৰু তথ্য বিজ্ঞান বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় — সদস্য

৬। শ্রীৰাম গোস্বামী, অৱসৰপ্রাপ্ত ৰাজ্যিক কেন্দ্রীয় গ্রন্থাগাৰিক, অসম আৰু সাহিত্যিক — সদস্য

৭। শ্রীমতী নিৰুপমা বৰগোহাঞি, সাহিত্যিক — সদস্য

৮। সঞ্চালক, পুঁথিভড়াল সেৱা সস্থা, অসম — সদস্য/আহ্বায়ক

২০০৫-০৬ চনত মুখ্যমন্ত্রীৰ বাজেট ঘোষণা মতে নির্দ্ধাৰিত ১০ কোটি টকাৰে ৰূপায়ণ কৰিবলগীয়া আঁচনিত বার্ষিক গ্রন্থ ক্রয় কৰা সমিতিয়ে তলত উল্লেখ কৰা বিশেষজ্ঞসকলৰ মতামত সাপেক্ষে গ্রন্থ ক্রয় কৰাৰ কাৰণে বাচনি কৰিব। এই পুঁজিৰ দ্বাৰা নাট, কবিতা, উপন্যাস, গল্প, সাহিত্য সমালোচনা, সকলো কলা-সংস্কৃতি, সমাজ বিজ্ঞান, বুৰঞ্জী, দর্শন, ধর্ম, লাগতীয়াল প্রাসঙ্গিক গ্রন্থ, জনপ্রিয় বিজ্ঞান আৰু প্রযুক্তি বিজ্ঞানৰ গ্রন্থ, শিশু-সাহিত্য, শিশু-বিজ্ঞান, গ্রন্থাগাৰ বিজ্ঞান, ক্রীড়া, বোল-ছবি, সাংবাদিকতা, পর্য্যটন, বন্য-প্রাণী, লোক-সঙ্গীত আদি বিভিন্ন ভাষাৰ গ্রন্থ ক্রয় কৰিবলৈ বিচৰা হৈছে;

বিভিন্ন বিষয়ৰ বিশেষজ্ঞসকল—

১। শ্রীতফজুল আলি, সাহিত্যিক।

২। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়।

৩। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়।

৪। প্রধান সম্পাদক, অসম সাহিত্য সভা।

৫। শ্রীগুণীন ভূঞা, অৱসৰপ্রাপ্ত সঞ্চালক, পূৰাতত্ত্বৰ বিভাগ।

৬। ড° অৰুণ চন্দ্র ভূঞা, বুৰঞ্জীবিদ, অৱসৰপ্রাপ্ত সঞ্চালক, প্রাথমিক শিক্ষা।

৭। শ্রীমতী জোৎস্না ভট্টাচার্য্য, প্রাক্তন মুৰব্বী, দর্শন শাস্ত্র, কটন মহাবিদ্যালয়।

৮। ড° উমা চক্রৱর্ত্তী, প্রাক্তন মুৰব্বী, সংস্কৃত বিভাগ, লেডিকিন মহাবিদ্যালয়, চিলং।

৯। সভাপতি/সম্পাদক, অসম বিজ্ঞান সমিতি, গুৱাহাটী।

১০। ড° মহন্ত কলিতা, প্রাক্তন পঞ্চায়েক, বিজ্ঞান ও প্রযুক্তি প্রতিস্থান, খানাপাৰা।

১১। শ্রীগগন অধিকাৰী, সাহিত্যিক আৰু অৱসৰপ্রাপ্ত সঞ্চালক নিয়োগ আৰু কাৰিকৰী প্রশিক্ষণ, অসম।

১২। শ্রীমতী হেমপ্রভা কলিতা, সাহিত্যিক পেঞ্চনাৰ, গান্ধীবস্তী, গুৱাহাটী।

১৩। ড° অলকা বুঢ়াগোহাঞি, প্রাক্তন মুৰব্বী অধ্যাপিকা, পুঁথিভড়াল আৰু তথ্য বিজ্ঞান, গুৱাহাটী বিশ্ববিদ্যালয়।

১৪। শ্রীপুলিন দাস, ক্রীড়াবিদ।

১৫। শ্রীহেমেন দাস, অসমীয়া বোলছবিৰ পুৰস্কাৰ প্রাপ্ত ব্যক্তি।

১৬। শ্রীৰাধিকা মোহন ভাগৱতী, সাংবাদিক আৰু সাহিত্যিক।

১৭। শ্রীফটিক গগৈ, অৱসৰপ্রাপ্ত মুখ্য বন্য প্রাণী সংৰক্ষক।

১৮। ড° আনোৱাৰউদ্দিন চৌধুৰী, এ.চি.এচ. উপায়ুক্ত, বাস্কা আৰু বন্যপ্রাণী বিশেষজ্ঞ।

১৯। ড° বীৰেন্দ্র নাথ দত্ত। লোকগীতিকাৰ, গুৱাহাটী বিশ্ববিদ্যালয় লোকগীত সাহিত্যৰ প্রাক্তন মুৰব্বী অধ্যাপক আৰু প্রাক্তন সভাপতি, অসম সাহিত্য সভা।

২০। সভাপতি/উপসভাপতি, বড়ো সাহিত্য সভা।

২১। শ্রীমধু বড়ো, সাংবাদিক আৰু মুৰব্বী, বড়ো বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

২২। সভাপতি/উপসভাপতি, সদৌ ৰাভা সাহিত্য সভা।

২৩। ড° উপেন ৰাভা হাকচেম, সাহিত্যিক আৰু ৰিডাৰ, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

২৪। ড° মনিলা ৰাভা, সাহিত্যিক আৰু অধ্যক্ষ, বিকানী মহাবিদ্যালয়, ধুপধৰা।

২৫। শ্রীটাবুৰাম টাইড, সাহিত্যিক আৰু প্রাক্তন শিক্ষাধিকাৰ।

i) হৈছে। অসম সাহিত্য সভাৰ প্রধান সম্পাদকক এই অগ্রাধিকাৰ আঁচনিৰ ক্ষেত্র গঠন কৰা বাচনি সমিতিৰ অসমীয়া লিখনী সাহিত্য সংস্কৃতি ও কলাৰ গ্রন্থ নির্ৱাচনৰ বাবে বিশেষজ্ঞ হিচাবে অন্তর্ভুক্ত কৰা হৈছে। অসম সাহিত্য সভাৰ

প্রাক্তন সভাপতি ড° বীৰেন্দ্র নাথ দত্ত সাহিত্যিকক বিশেষজ্ঞ হিচাবে বাছনি সমিতিয়ে আমন্ত্রণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

ঙ) কৰা হৈছে।

চ) প্রশ্ন নুঠে।

Mr Speaker :- Now, Short Notice Question No. 36, Hon'ble Member, Shri Paniram Rabha.

বিষয় ঃ- অঙ্গনবাদী কেন্দ্রৰ গৃহ নির্মাণ।

শ্রীপানীৰাম ৰাভাই সুধিছে ঃ

*** ৩৬। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ২০০৪-০৫ ইং চনৰ বাজেটৰ জড়িয়তে সমাজ কল্যাণ বিভাগে অংগনবাদী কেন্দ্রৰ গৃহ নির্মাণ আঁচনি লৈছিল নেকি ?

খ) যদি লৈছিল বৰমা সমষ্টিৰ বাবে কিমানটা আঁচনি লোৱা হৈছিল? (কেন্দ্র সমূহৰ নামৰ তালিকা দিব)

গ) ২০০৫-০৬ ইং চনৰ বাজেটত উক্ত আঁচনিসমূহ অন্তর্ভুক্ত কৰা আছে নে?

ঘ) যদি আছে, সর্বমুঠ কিমানটা আঁচনি লোৱা হৈছে ? (সমষ্টি ভিত্তিত তালিকা দিব)

শ্রীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হয়।

খ) বৰমা সমষ্টিৰ বাবে ২১ টা অঙ্গনবাদী কেন্দ্র নির্মাণৰ বাবে ধার্য্য কৰা হৈছিল। ২১ টা কেন্দ্রৰ বিপৰীতে সম্পূর্ণ হোৱা কেন্দ্রসমূহৰ নাম তলত দিয়া হ'ল।

1) Dakhin Sathikuchi 2) Pachim Borpith 3) Borpith L.P. School 4) Bhujkuchi (L.P. School) 5) Garbhitor (L.P. School) 6) Verbheri (L.P. School) 7) Milanpur (L.P. School) 8) Kadamtola (L.P. School) and 9) Ghoramora (L.P. School)

বাকী তথ্য কেন্দ্র নির্মাণৰ কাম সম্পূর্ণ হ'লেহে দিব পৰা হ'ব।

গ) হয়, আছে।

ঘ) ৰাজ্যৰ আটাইকেইখন জিলাক সামৰি সৰ্ব্বমুঠ ৪৯৭২ টা ঘৰ নিৰ্মাণৰ আঁচনি লোৱা হৈছে। সমষ্টি ভিত্তিত তালিকা বিছৰা হৈছে।

Mr Speaker :- Short Notice Question No. 37, Hon'ble Member, Shri Pabindra Deka.

বিষয় ঃ- তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ

*** ৩৭। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) চৰকাৰে চলিত বিত্তীয় বছৰত ৰাজ্যখনত নতুন মহকুমা (Civil Sub-Division) গঠন কৰাৰ সিদ্ধান্ত লৈছে নেকি ?

খ) মহকুমা গঠনৰ ৰাবে পৰীক্ষা-নীৰিক্ষা কৰিবলৈ চৰকাৰে কমিটি গঠন কৰিছে নেকি ?

গ) যদি কৰিছে— এনে কমিটিয়ে বৰ্ত্তমানলৈকে কি কি কাম সম্পূৰ্ণ কৰিছে ?

ঘ) ১৯৪৭ চনৰে পৰা দাবী কৰি থকা নলবাৰী জিলাৰ দ্বিতীয়টো মহকুমা টিহুক সদৰ হিচাবে লৈ চলিত বিত্তীয় বছৰতে টিহু মহকুমা গঠন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীৰকিবুল হুছেইন (গৃহ আৰু সাধাৰণ প্ৰশাসন বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) Delimitation Commission ৰ নিষেধাজ্ঞা বলৱৎ থকাৰ কাৰণে নতুন মহকুমা গঠন কৰাৰ সিদ্ধান্ত এতিয়ালৈকে ল'ব পৰা নাই।

খ) হয়।

গ) কমিটিয়ে নতুন জিলা আৰু মহকুমা গঠনৰ ৰাবে লগা প্ৰয়োজনীয় তথ্যসমূহ জিলাৰ উপায়ুক্ত, মহকুমাধিপতি আৰু সংমণ্ডলৰ আয়ুক্তক দাখিল কৰিবলৈ নিৰ্দ্দেশ দিছে।

ঘ) 'ক' প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

Mr Speaker :- Short Notice Question No. 38, Hon'ble Member, Shri Hemanta Talukdar.

বিষয় ঃ- দীনদয়াল হাথকর্ঘ প্রোৎসাহন যোজনাৰ আঁচনি সংক্রান্তত তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী।

শ্রীহেমন্ত তালুকদাৰে সুধিছে ঃ

*** ৩৮। মাননীয়া হস্ততাঁত আৰু বস্ত্র বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে ঃ**

ক) পশ্চিম গুৱাহাটী সমষ্টিৰ অন্তর্গত ২ নং ৱার্ডৰ জালুকবাৰী বয়ন উন্নয়ন সমবায় সমিতি লিঃৰ নামত 'দীন দয়াল হাথকর্ঘ প্রোৎসাহন যেজনা' নামৰ আঁচনিখনৰ ধন সমিতিৰ সম্পাদিকাৰ স্বেচ্ছাচাৰীতাৰ বাবে দুখীয়া মহিলাৰ ধনখিনি এতিয়ালৈকে কোনো কামতে খৰছ কৰিব নোৱাৰাটো মহোদয় অৱগতনে ?

খ) কিছুমান বিভাগীয় কর্মকর্ত্তাই এই সম্পাদিকাৰ লগ লাগি নানা ধৰণৰ খেলি-মেলি লগাই থকা সম্পর্কত চৰকাৰ অৱগতনে ?

গ) যদি অৱগত সম্পাদিকা গৰাকীৰ বিৰুদ্ধে কিবা ব্যৱস্থা লৱনে ?

ডঃ হেমপ্রভা শইকীয়া (হস্ততাঁত আৰু বস্ত্রশিল্প বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) জালুকবাৰী বয়ন উন্নয়ন সমবায় সমিতি লিঃৰ নামত দীন দয়াল হাথকর্ঘ প্রোৎসাহন যোজনা আঁচনিখনৰ আৱণ্টিত আৰু মঞ্জুৰী প্রাপ্ত ধন এতিয়ালৈকে খৰছ নোহোৱাটো অৱগত। সমিতিখনৰ আভ্যন্তৰীন পৰিচালনাৰ বেমেজালি আৰু সম্পাদিকাৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপিত হোৱাৰ পৰিপ্রেক্ষিতত সমিতিখনৰ নামত কেন্দ্রীয় চৰকাৰৰ পৰা আঁচনিত আৱণ্টিত হোৱা ধন মোকলাই দিয়া হোৱা নাই।

খ) সম্পাদিকাই সমিতিখনত খেলি মেলি লগাই থকাটো অৱগত। বিভাগীয় কর্মকর্ত্তা লগ লাগি খেলি মেলি কৰাটো অৱগত নহয়।

গ) সমবায় সমিতিখনৰ বর্ত্তমানৰ সম্পাদিকাৰ বিৰুদ্ধে আৰু সমিতিখনৰ কাম কাজৰ ওপৰত ইতিমধ্যে তদন্ত কৰিব দিয়া হৈছে। তদন্ত মর্মে ব্যৱস্থা ল'ব পৰা যাব।

Mr Speaker :- Short Notice Question No. 39, Hon'ble Member, Shri Ali Akbar Miah.

বিষয় ঃ- মাননীয় বিধায়ক শ্রীআলী আকবৰ মিঞাই ২০০৫ চনৰ আগষ্ট অধিবেশনত সোধা তাকৰীয়া সময়ৰ প্রশ্নই জাননী।

শ্রীআলী আকবৰ মিঞাই সুধিছে ঃ

*** ৩৯। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) মহকুমাধিপতি, ৰিলাসীপাৰাৰ চিঠি নং BPGC-I /Pt / 2000 / 425, dtd. 08-04-05 (প্রতিবেদন) ৰ বিপৰীতে কি ব্যৱস্থা গ্রহণ কৰা হ'ল (ব্যৱস্থা গ্রহণীয় পত্রৰ কপি দিব) ?

খ) মহকুমাধিপতিৰ উপৰোক্ত প্রতিবেদনৰ কপি চৰকাৰলৈ নপঠাই উপায়ুক্ত, ধুৰুৱীয়ে অন্য এক প্রতিবেদন চৰকাৰলৈ পঠালে, সঁচানে (উপায়ুক্তৰ প্রতিবেদনৰ কপি দিব) ?

গ) বিষয়টো সংক্রান্তত মহকুমাধিপতিৰ প্রতিবেদন উপায়ুক্তই চৰকাৰলৈ নপঠোৱাটোই উপায়ুক্ত জন যে দুর্নীতিকাৰীসকলৰ পক্ষ ল'লে তাক নবুজাইনে ?

শ্রীহিমন্ত বিশ্ব শর্মা (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) মহকুমাধিপতিৰ তদন্তৰ প্রতিবেদনত আঁচনিসমূহ ৰূপায়ণৰ স্থান সম্পর্কে আসোঁৱাহ লক্ষ্য কৰি উপায়ুক্তই নিজাৰবীয়াকৈ চৰজমিন তদন্ত কৰি চৰকাৰৰ ওচৰত প্রতিবেদন দাখিল কৰিছে।

খ) হয়, সঁচা। মহকুমাধিপতিৰ প্রতিবেদনত আঁচনি ৰূপায়ণৰ স্থান সম্পর্কে আসোঁৱাহ লক্ষ্য কৰি উপায়ুক্তই পুনৰবাৰ চৰজমিন তদন্ত কৰি প্রকৃত তথ্যৰ প্রতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰিছে। ইয়াৰ কপি লগত গাঁঠি দিয়া হ'ল।

গ) নুবুজায়। ৰৰঞ্চ প্রকৃত তথ্য চৰকাৰৰ দৃষ্টিগোচৰ কৰাৰ উদ্দেশ্যে পুনৰবাৰ তদন্ত কৰাই চৰকাৰৰ ওচৰত প্রতিবেদন দাখিল কৰিছে।

Mr Speaker :- Short Notice Question No. 40, Hon'ble Member, Shri Utpal Dutta.

বিষয় ঃ- মাননীয় বিধায়ক, শ্রীউৎপল দত্তই ২০০৫ চনৰ আগষ্ট অধিবেশনত সোধা তাকৰীয়া প্রশ্ন সমূহৰ জাননী।

শ্রীউৎপল দত্তই সুধিছে ঃ

*** ৪০। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) মুখ্যমন্ত্রীৰ বুনিয়াদ আঁচনিৰ জড়িয়তে অসমৰ সকলো চৰকাৰী হাইস্কুলক ৪ লাখকৈ টকা দিয়াতো সঁচানে ?

খ) যদি সঁচা, তেনেহ'লে লক্ষীমপুৰ সমষ্টিৰ তলত দিয়া ৫ খন উচ্চ মাধ্যমিক বিদ্যালয়ে টকা নোপোৱাৰ কাৰণ কি জনাবনে ?

১। উজ্জ্বলপুৰ উচ্চ মাধ্যমিক বিদ্যালয়।

২। এ. দি. কে. উচ্চ মাধ্যমিক বিদ্যালয়।

৩। এ. টি. কে. উচ্চ মাধ্যমিক বিদ্যালয়।

৪। লক্ষীমপুৰ টাউন উচ্চ মাধ্যমিক বিদ্যালয়।

৬। পানিন্দ্র উচ্চ মাধ্যমিক বিদ্যালয়।

গ) এই বিদ্যালয় কেইখনক টকা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্রীহিমন্ত বিশ্ব শর্মা (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) বুনিয়াদী আঁচনিৰ জড়িয়তে অসমৰ সকলোবোৰ প্রদেশীকৃত হাইস্কুললৈ ৪ লাখকৈ টকা অনুদান দিয়াৰ ব্যৱস্থা পর্য্যায়ক্রমে কৰি থকা হৈছে। বর্ত্তমানলৈকে ১৫৪৯ খন উচ্চ মাধ্যমিক বিদ্যালয়ে এই অনুদান লাভ কৰিছে।

খ) আৰু গ) উজ্জ্বলপুৰ উচ্চ মাধ্যমিক বিদ্যালয় আৰু এ. দি. কে. উচ্চ মাধ্যমিক বিদ্যালয়লৈ এই আঁচনিৰ জড়িয়তে ৪ লাখকৈ টকা দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। বাকী কেইখন বিদ্যালয়ৰ ক্ষেত্রত জিলা উপায়ুক্তৰ পৰা প্রাক্কলনৰ প্রস্তাৱ পোৱা নাই। প্রস্তাৱ পালে ব্যৱস্থা লোৱা হ'ব।

Mr Speaker :- Short Notice Question No. 41, Hon'ble Member, Shri Ali Akbar Miah.

বিষয় ঃ- মাননীয় বিধায়ক শ্রীআলী আকবৰ মিঞাই ২০০৫ চনৰ আগষ্টৰ অধিবেশনত সোধা তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী।

শ্রীআলী আকবৰ মিঞাই সুধিছে ঃ

*** ৪১। মাননীয়া পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ধুবুৰী জিলাত কল্পতৰু আঁচনিৰ জিলা ভিত্তিক কমিটিৰ সভা জুলাই, ০৫ মাহৰ কোন তাৰিখত অনুষ্ঠিত হ'ল (সভাৰ প্রস্তাৱৰ কপি দিব) ?

খ) জিলাখনত ধনী পৰিয়ালৰ ব্যক্তি, পঞ্চায়ত প্রতিনিধিৰ ল'ৰা-ছোৱালী, ভাই-ভতিজা, IBS, IAY, PMGSY আঁচনিৰ সুবিধা পোৱা ব্যক্তি একেটা পৰিয়ালৰ দুজন ব্যক্তি, অধ্যায়নৰত ছাত্রৰ নামও কল্পতৰু আঁচনিৰ হিতাধিকাৰী বাচনি তালিকাত সন্নিবিষ্ট কৰা হৈছে— এনে ব্যক্তি তালিকাভুক্ত হ'ব পাৰেনে ?

i) যদি পাৰে, তেন্তে কোন নীতিৰ আধাৰত (নীতিৰ কপি দিব) ?

ii) যদি নোৱাৰে, তেন্তে ওপৰোক্ত শ্রেণীৰ ব্যক্তিৰ নাম তালিকাভুক্ত হ'ল কেনেকৈ ?

iii) উক্ত নীতি বিৰুদ্ধ কামৰ বিৰুদ্ধে কি ব্যৱস্থা গ্রহণ কৰা হ'ল বা হ'ব ?

শ্রীহিমন্ত বিশ্ব শর্মা (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ধুবুৰী জিলাত কল্পতৰু আঁচনিৰ জিলা ভিত্তিক কমিটিৰ সভা ২০০৫ চনৰ জুলাই মাহৰ ১২ তাৰিখে অনুষ্ঠিত হয়। (সভাত গৃহীত প্রস্তাৱৰ প্রতিবেদন গাঠি দিয়া হ'ল)। (See Annexure - XXVI)

খ) এনে ব্যক্তি তালিকাভুক্ত কৰা হোৱা নাই আৰু হ'বও নোৱাৰে।

i) প্রশ্ন নুঠে।

ঘ) তেনে ব্যক্তি তালিকাভুক্ত হোৱা দৃষ্টি গোচৰ হোৱা নাই।

ঙ) কোনো নীতিবিৰুদ্ধ কাম দৃষ্টি গোচৰ হ'লে চৰকাৰী নিয়ম অনুসাৰে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

Mr Speaker :- Short Notice Question No. 42, Hon'ble Member, Shri Pabindra Deka.

বিষয় ঃ- তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ

* ৪২। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) চৰকাৰে ৰাজ্যখনৰ কলেজ শিক্ষকসকলক পেঞ্চন দিয়াৰ বাবে সিদ্ধান্ত লৈছে নেকি ?

খ) যদি লৈছে— এই সিদ্ধান্ত কেতিয়াৰ পৰা আৰু কেতিয়া কাৰ্য্যকৰী কৰিব ?

গ) এই সিদ্ধান্ত কাৰ্য্যকৰী কৰাৰ বাবে চৰকাৰে প্ৰতি বছৰে ৰাজভড়ালৰ পৰা কিমান টকা খৰচ কৰিব লাগিব ?

ডাঃ ভূমিধৰ বৰ্মন (উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) চৰকাৰৰ সক্ৰিয় বিবেচনাধীন হৈ আছে।

খ) পেঞ্চন দিয়াৰ বিষয়টো চূড়ান্ত হোৱাৰ পিছত কাৰ্য্যকৰণৰ কথা ক'ব পৰা যাব।

গ) পেঞ্চন কাৰ্য্যকৰণৰ ক্ষেত্ৰত প্ৰতি বছৰে প্ৰায় ২০ কোটি ২২ লাখ টকা আনুমানিক ব্যয় হ'ব বুলি ধাৰণা কৰা হৈছে।

Mr Speaker :- Short Notice Question No. 43, Hon'ble Member, Shri Utpal Dutta.

বিষয় ঃ- তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

* ৪৩। মাননীয় শিক্ষা (প্ৰাথমিক) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) যোৱা ১৭/৮/২০০৪ তাৰিখে NO. EBC-169/2003/124 চিঠি মৰ্মে

১৫ গৰাকী শিক্ষকক লক্ষীমপুৰ জিলাত সঞ্চালকৰ চহী জাল কৰি নিযুক্তি দিয়া কথাটো সত্যনে ?

খ) উক্ত ১৫ গৰাকী শিক্ষকৰ নাম ঠিকনা আৰু নিযুক্তি পোৱা বিদ্যালয়সমূহৰ নামৰ তালিকা সদনত দাখিল কৰিবনে ?

গ) উক্ত শিক্ষক/শিক্ষয়ত্রীসকলে দৰমহা পালেনে ? যদি পালে, কিমান মাহৰ পালে সম্পূর্ণ তথ্য সদনত দাখিল কৰিব।

শ্রীবিপুন বৰা (প্রাথমিক শিক্ষা বিভাগৰ বাজ্যিক (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) সত্য নহয়। কিন্তু যোৱা ১৭/৮/০৪ ইং তাৰিখৰ ই. বি. চি. ১৬৯/২০০৩/১২৪ চিঠি মৰ্মে ১৫ গৰাকী শিক্ষক/শিক্ষয়িত্রীৰ বেতন লৰলৈ দিয়া চিঠি হে সঞ্চালকৰ জাল চহী যোগে প্রকাশ পায়।

খ) তালিকা পৰিশিষ্ট 'ক' যোগে দাখিল কৰা হ'ল। (See Annexure - XXVII)

গ) উক্ত শিক্ষক ১৫ জনৰ ভিতৰত শ্রীদুলাল শইকীয়া আৰু মহিবুৰ ৰহমানে মাত্র ২ (দুই) মাহৰ বেতন পাইছে। কিন্তু এই বিষয়ে প্রাথমিক শিক্ষা সঞ্চালকৰ ফালৰ পৰা তদন্ত হোৱাত বৰ্ত্তমান বেতন বন্ধ কৰা হৈছে।

Mr Speaker :- Short Notice Question No. 44, Hon'ble Member, Shri Pabindra Deka.

বিষয়ঃ- তাকৰীয়া সময়ৰ জাননী নং ৪৪।

শ্রীপবিন্দ্র ডেকাই সুধিছে ঃ

*৪৪। মাননীয় বিত্ত বিভাগৰ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ৰাজ্য চৰকাৰৰ কৰ আয়ুক্ত (Commissioner of Taxes) ৰ অধীনত কেইজন উপ-আয়ুক্ত (Deputy Commissioner) আছে ?

খ) এই উপ-আয়ুক্তসকলৰ কোন জনে কি কি কাম ছোৱালিতা কৰে ?

গ) মিচতাব আহমেদ (Mistab Ahmed) নামৰ এজন উপ-আয়ুক্ত আজি ২৫ বছৰ ধৰি গুৱাহাটী মহানগৰীতে চাকৰি কৰি থকা কথাটো সঁচানে ?

ঘ) যদি সঁচা— এজন বিষয়াক একেৰাহে (গুৱাহাটী মহানগৰীৰ চেকগেট যেনে— খানাপাৰা চেকগেট, পল্টন বজাৰ চেকগেট) ২৫ বছৰ গুৱাহাটীত চাকৰি কৰি থাকিবলৈ দিয়াটো চৰকাৰী নীতি বহির্ভূত হোৱা নাইনে ?

ঙ) ৰূপজ্যোতি মহন্ত নামৰ জনৈক সহকাৰী আয়ুক্তও একেৰাহে ১৫ বছৰ ধৰি গুৱাহাটী মহানগৰীতে চাকৰি কৰি থকা কথাটো সঁচানে ?

চ) যদি সঁচা— এই বিষয়াসকলক এনে সুবিধা দি আন বিষয়াসকলক বঞ্চিত কৰাৰ কাৰণ কি ?

শ্রীহিমন্ত বিশ্ব শর্মা (ৰাজ্যিক বিত্ত মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) অসমৰ কৰ আয়ুক্তৰ অধীনত বর্ত্তমানে ১৩ জন উপকৰ আয়ুক্তই কার্য্যনির্ব্বাহ কৰি আছে।

খ) এই উপকৰ আয়ুক্তসকলৰ ভিতৰত ১০ (দহ) জন উপকৰ আয়ুক্তই অসমৰ বিভিন্ন জিলাৰ তেওঁলোকৰ মণ্ডলৰ অধীনত থকা গোট কার্য্যালয় আৰু চেক গেটৰ কাম কাজ ছোৱা চিতা কৰে। বাকী ৩ (তিনি) জন উপকৰ আয়ুক্তই কৰ বিভাগৰ আপীল আদি নিস্পত্তিৰ কাম কাজ সম্পন্ন কৰে।

গ) সঁচা নহয়— মিচতাব আহেম্মেদ বোলা বিষয়াজন যোৱা ইং ২০০১ চনৰ ১৬ মার্চ তাৰিখৰ পৰা গুৱাহাটী 'গ' মণ্ডলৰ উপকৰ আয়ুক্ত হিচাবে বর্ত্তমানে কার্য্য নির্ব্বাহ কৰি আছে।

ঘ) প্রশ্ন নুঠে।

ঙ) সঁচান নহয়, তেওঁ যোৱা ইং ১৯৯৮ চনৰ পৰা গুৱাহাটীৰ বিভিন্ন 'গোট'ৰ কার্য্যালয় সমূহত কৰ অধীক্ষক, জ্যেষ্ঠ কৰ অধীক্ষক আৰু সহকাৰী কৰ আয়ুক্ত হিচাবে কার্য্য নির্ব্বাহ কৰি আছে।

চ) যিহেতু উপৰোক্ত কথাবোৰ সঁচা নহয়, আন বিষয়াসকল ইয়াৰ দ্বাৰা বঞ্চিত হোৱাৰ কাৰণ দেখা নাযায়। বদলি কৰণৰ ক্ষেত্রত মাণ্ডলীক আৰু গোট কার্য্যলয়সমূহত কার্য্যানির্বাহ কৰি থকা বিষয়াসকলৰ ক্ষেত্রত তিনিবছৰ সম্পূর্ণ হ'লে বদলিকৰণৰ ব্যৱস্থা লোৱা হৈছে। অৱশ্যে বিভাগীয় কিছু বিষয়াৰ বিশেষ অভিজ্ঞতাৰ ওপৰত নির্ভৰ কৰি কেতিয়াবা তিনি বছৰতকৈ অধিক সময় একে ঠাইতে ৰাখিবলগীয়া হ'ব পাৰে। এই ক্ষেত্রত ৰাজপত্রিত বিষয়াসকলৰ ক্ষেত্রত

বিত্ত (কৰাৰোপন) বিভাগে এখন কার্য্যালয় জ্ঞাপন (O.M.) জাৰি কৰিছে। সেই কার্য্যলয়ৰ জ্ঞাপন মর্ম্মে এজন বিষয়াৰ চেক গেটৰ কার্য্যকাল এবছৰীয়া কৰা হৈছে। এজন কৰ অধীক্ষকক ৩ বছৰ আৰু এজন কৰ পৰিদর্শকক ২ বছৰ সম্পূর্ণ নকৰাকৈ পুনৰ চেকগেটলৈ বদলিকৰণ কৰা নহ'ব আৰু কোনো বিষয়াকে একেখন চেকগেটত ২ য় বাৰ কার্য্যকালৰ কাৰণে বিবেচনা কৰা নহ'ব।

UNSTARRED

QUESTION AND ANSWERS

বিষয় ঃ- পথৰ দৈর্ঘ্যতা।

শ্রীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

১৬৫। **মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) বৰপেটা জিলাৰ বৰপেটা ৰোডৰ পৰা মানস অভয়াৰণ্যলৈ যোৱা পথছোৱাৰ দৈর্ঘ্যতা কিমান ?

খ) এই পথছোৱা পর্য্যটকৰ সুবিধার্থে আধুনিকীকৰণৰ ব্যৱস্থা চৰকাৰে ল'ব নেকি ?

গ) যদি লৈছে, সেই কাম কি পর্য্যায়ত আছে আৰু কিমান ধন আৱণ্টন কৰা হৈছে ?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) বৰপেটা ৰোডৰ পৰা মানাহ অভয়াৰণ্যলৈকে ৰাস্তাৰ মুঠ দৈর্ঘ্য হ'ল ২১.৮০ কিঃ মিঃ।

খ) হয়। এই পথছোৱা বিশ্ববেংকৰ অধীনত AACP আঁচনিৰ অধীনত উন্নীতকৰণৰ বাবে ৫১২.৩০ লাখ টকাৰ প্রাক্কলন প্রস্তুত কৰি ইতিমধ্যে বিশ্ববেংকৰ ওচৰত দাখিল কৰা হৈছে। ইয়াৰ ওপৰিও উক্ত পথছোৱা উন্নতিকৰণৰ বাবে ১২.৫০ কোটিৰ DPF প্রস্তুত কৰি NLCPR ত অনুমোদনৰ বাবে DONER লৈ প্রেৰণ কৰা হৈছে।

গ) বর্ত্তমানে DPR সমূহ World Bank আৰু DONER ৰ বিবেচনাধীন হৈ আছে। এতিয়ালৈকে কোনো ধন আৱণ্টন পোৱা নাই।

বিষয় ঃ- অঙ্গনবাদী কেন্দ্ৰ।

শ্ৰীৰনজিৎ দত্তই সুধিছে ঃ

১৬৬। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বিহালী সমষ্টিৰ বাঘমৰা উন্নয়ন খণ্ড এলেকাত অঙ্গনবাদী কেন্দ্ৰ নথকাটো চৰকাৰৰ অৱগতনে ?

খ) যদি অৱগত, উক্ত উন্নয়ন খণ্ড এলেকাত অঙ্গনবাদী কেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰে আঁচনি লৈছে নেকি ?

শ্ৰীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়, অৱগত।

খ) অনুমোদন আৰু মঞ্জুৰীৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

বিষয় ঃ- স্বীকৃতি/নামভৰ্ত্তি বাতিল।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

১৬৭। মাননীয় পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৮/৭/২০০৫ তাৰিখৰ "দৈনিক জনমভূমি" আৰু ২১/৭/২০০৫ আৰু ২৩/৭/২০০৫ তাৰিখৰ "দৈনিক বাতৰি" কাকতত প্ৰকাশিত লখিমপুৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ স্বীকৃতি বাতিল/নামভৰ্ত্তি বাতিল সম্পৰ্কীয় বাতৰিসমূহ চৰকাৰৰ দৃষ্টিগোচৰ হৈছেনে ?

খ) যদি হৈছে, উক্ত বাতৰিসমূহৰ সত্যতা আছেনে ?

গ) চৰকাৰে মহাবিদ্যালয়খন লখিমপুৰ জিলাতে কাৰ্য্যক্ষম কৰি ৰাখিবলৈ কি ব্যৱস্থা লৈছে ? (বিতংকৈ জনাব)

ঘ) মহাবিদ্যালয়খনৰ আন্তঃগাঠনি উন্নয়নৰ বাবে চৰকাৰৰ নিজা উদ্যোগত কি ব্যৱস্থা লৈছে ?

ঙ) বৰ্ত্তমান মহাবিদ্যালয়খনত কিমান ছাত্ৰ-ছাত্ৰী অধ্যয়নৰত হৈ আছে ? (শ্ৰেণী আৰু বৰ্ষ অনুসৰি পৃথক পৃথককৈ সদনৰ মেজত দাখিল কৰিব)

শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বাতৰিটো দৃষ্টিগোচৰ হৈছে।

খ) হয়, সত্য।

গ) বিশ্ববিদ্যালয়ৰ সঞ্চালকমণ্ডলীৰ সভাত ভাৰতীয় পশুচিকিৎসা পৰিষদে লখিমপুৰ পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ ক্ষেত্ৰত লোৱা সিদ্ধান্তৰ বিষয়ে বিতং আলোচনা কৰে আৰু সেই মৰ্ম্মে বিদ্যালয়ৰ তৰফৰ পৰা ভাৰতীয় পশুচিকিৎসা পৰিষদৰ সিদ্ধান্ত পুনৰ বিবেচনাৰ বাবে অনুৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

ঘ) বিশ্ববিদ্যালয়ে ১৯৯৮-৯৯ বৰ্ষ পৰ্য্যন্ত পোৱা ৬২৬০০০০০ লাখ বিশ্ববিদ্যালয়ৰ বাবে পোৱা ধন যি উদ্দেশ্যেৰে দিয়া হৈছিল সেই উদ্দেশ্যতে খৰছ কৰা হৈছে। খৰছৰ বিতং তথ্য (Annexure - I) সন্নিবিষ্ট কৰা হৈছে। (See Annexure - XXVIII)

ঙ) বৰ্ত্তমান ২০ গৰাকী ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়ত অধ্যায়ন কৰি আছে। ভাৰতীয় পশুচিকিৎসা পৰিষদৰ নিৰ্দ্দেশৰ আধাৰত চলিত শৈক্ষিক বছৰত কোনো ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তি কৰা হোৱা নাই।

Sub :- Upliftment of Dispensary.

Shri Premodhar Bora asked :

168. **Will the Minister of Health be pleased to state :**

a) How many Doctor's are there at Narayanpur State Dispensary under Narayanpur Town area of Lakhimpur District ?

b) Will the Government take necessary action for upliftment of this Dispensary ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare) replied :

a) At present Dr. Atul Khound, MBBS, M & HO-I, is working at Narayanpur SHC.

b) State Government has plan for repair and renovation of Health Institutions. The repair and renovation of the said SHC will be taken into consideration when fund is available.

বিষয় ঃ- গড়কাপ্তানী সংমণ্ডলসমূহলৈ ধন আৱণ্টন।

শ্রীজগদীশ ভূঁঞাই সুধিছে ঃ

১৬৯। **মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ২০০১ বৰ্ষৰ পৰা ২০০৫ বৰ্ষলৈ গড়কাপ্তানী বিভাগে অসমৰ গড়কাপ্তানী সংমণ্ডল (গৃহ/পথ)সমূহলৈ কিমান টকা মুকলি কৰি দিছে ? (সংমণ্ডল ভিত্তিত আৰু বৰ্ষ ভিত্তিত সদনৰ মেজত দাখিল কৰিব)

খ) সংমণ্ডল ভিত্তিত মুকলি কৰি দিয়া উক্ত টকাৰ পৰা কিমান টকা সেই সময়ৰ কামৰ বিপৰীতে আদায় দিয়া হৈছে (Payment of present works) আৰু কিমান টকা পুৰণা কামৰ (Old liabilities) ৰ বিপৰীতে আদায় দিয়া হৈছে? (সদনৰ মেজত তথ্য দাখিল কৰিব)

গ) পুৰণা কামৰ টকা (Old liablities) সমূহ কোন সংমণ্ডলত কোন ঠিকাদাৰ বা প্রতিষ্ঠানক কিমান কিমান টকা কোন বৰ্ষৰ কামৰ বিপৰীতে আদায় দিয়া হৈছে ? (তথ্য সদনৰ মেজত দাখিল কৰিব)

শ্রীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ২০০১ বৰ্ষৰ পৰা ২০০৫ বৰ্ষলৈ গড়কাপ্তানী বিভাগে অসমৰ গড়কাপ্তানী সংমণ্ডল (গৃহ) সমূহলৈ মুঠ ২২৩০৭.৫২ লাখ টকা বৰ্ষ ভিত্তিত মুকলি কৰি দিয়ে, ইয়াৰ বিস্তৃত বিৱৰণ সংলগ্ন পত্র-১ (ক) ত দিয়া হৈছে। (See Annexure - XXIX)

২০০১ বর্ষৰ পৰা ২০০৫ বর্ষলৈ গড়কাপ্তানী বিভাগে অসমৰ পথ সংমণ্ডলসমূহলৈ মুঠ ৬৩৩৭৬.৩৭ লাখ টকা মুকলি কৰি দিছে (সংমণ্ডল ভিত্তিক আৰু বর্ষ ভিত্তিক তালিকা Annexure - I (B) ত সন্নিবিষ্ট কৰা হ'ল) (See Annexure-XXX)

খ) গড়কাপ্তানী (গৃহ) ৰ সংমণ্ডল ভিত্তিত মুকলি কৰি দিয়া টকাৰ পৰা সেই সময়ৰ কামৰ বিপৰীতে আদায় দিয়া টকাৰ বিস্তৃত বিৱৰণ সংলগ্ন কৰি দিয়া সহপত্ৰ ২ (ক)ত দাখিল কৰা হ'ল। (See Annexure - XXXI)

গড়কাপ্তানী (পথ)ৰ সংমণ্ডল ভিত্তিত মুকলি কৰি দিয়া টকাৰ পৰা সেই সময়ৰ কামৰ বিপৰীতে (Payment for present works) আৰু পুৰণা কামৰ বিপৰীতে (Old liabilities) ৰ আদায় দিয়া টকাৰ তথ্য Annexure-II (B) ত সন্নিবিষ্ট কৰা হ'ল। (See Annexure-XXXII)

গ) গড়কাপ্তানী (গৃহ)ৰ সংমণ্ডল ভিত্তিত পুৰণা কামৰ টকা আদায় দিয়া ঠিকাদাৰ আৰু প্ৰতিষ্ঠানসমূহৰ নামৰ তালিকা সংলগ্ন কৰি সহপত্ৰ ৩ (ক)ত দিয়া হ'ল। (See Annexure-XXXIII)

গড়কাপ্তানী (পথ)ৰ সংমণ্ডল ভিত্তিত পুৰণা কামৰ টকা আদায় দিয়া ঠিকাদাৰ আৰু প্ৰতিষ্ঠানসমূহৰ নামৰ তালিকা (Annexure-III (B) ত সন্নিবিষ্ট কৰা হ'ল। (See Annexure-XXXIV)

বিষয় ঃ- অৱসৰপ্ৰাপ্ত বিষয়া/কৰ্মচাৰীৰ চিকিৎসা খৰচ।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ

১৭০। **মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত বিষয়া/কৰ্মচাৰীসকলে নিজৰ আৰু তেখেতৰ ওপৰত ভৰষা কৰা পৰিয়ালৰ সদস্যসকলৰ চৰকাৰী চিকিৎসালয়ত কৰা চিকিৎসা খৰচৰ ধন ঘুৰাই পোৱাৰ নিয়ম আছেনে ?

খ) যদি আছে, তেনেহ'লে অৱসৰপ্ৰাপ্ত নিয়োগ বিভাগৰ উপ-সঞ্চালক শ্ৰীৰবীন্দ্ৰ নাথ শৰ্মাই তেওঁৰ পত্নীৰ গলব্লাডাৰ অসুখৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ২০০৪ চনৰ নৱেম্বৰ মাহত কৰা চিকিৎসাৰ খৰচ বিভাগীয়ভাৱে চিকিৎসা সঞ্চালকলৈ জানুৱাৰী ২০০৫ চনত প্ৰেৰণ কৰাৰ পাছতো আজি

পর্য্যন্ত অনুমোদন নিদিয়াৰ কাৰণ কি ?

গ) এই সম্পর্কে অতিৰিক্ত মুখ্য সচিব শ্রীচন্দ্র কান্ত দাসলৈ যোৱা তিনি মাহৰ আগতে বিষয়টো নিস্পত্তিৰ বাবে জনোৱা আবেদন আজিও নিস্পত্তি নকৰাৰ কাৰণ কি ?

ঘ) শ্রীশর্মাই শীঘ্রেই প্রাপ্য ধনখিনি পোৱাৰ চৰকাৰে ব্যৱস্থা কৰিবনে ?

ডাঃ ভূমিধৰ বর্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হয়, আছে। এই সুবিধা কেৱল স্বামী স্ত্রীৰ মাজত সিমীত।

খ) শ্রীবৰীন্দ্র নাথ শর্মাৰ পত্নীৰ গলব্লাডাৰ অসুখৰ চিকিৎসাৰ বাবদ যাৱতীয় ঔষধ আৰু অন্যান্য ৰছিদকে আদি বিভিন্ন নথি পত্র শ্রম আৰু নিয়োগ বিভাগৰ অৱৰ সচিবৰ জড়িয়তে পোৱা হৈছিল। পৰীক্ষা কৰি দেখা গৈছে যে অধিক সংখ্যক ৰছিদ আৰু নথি-পত্র Assam Medical Attendence Rule, 1976 ৰ নিয়ম আনুযায়ী নহয়। সেয়েহে স্বাস্থ্য সঞ্চালকৰ ফালৰ পৰা দিবলগীয়া অনুমোদন তথা Admissibility Report যথা সময়ত দিব পৰা নহ'ল। উল্লেখ কৰা হয় যে Admissibility Report দিয়াৰ পিছত কর্মচাৰী/বিষয়াৰ সংশ্লিষ্ট বিভাগে চিকিৎসাৰ বাবদ খৰছৰ ধন আদায় দিব লাগে। অৱশ্যে ইতিমধ্যে সমূহ নথি পত্র প্রয়োজনীয় সংশোধনৰ বাবে শ্রম আৰু নিয়োগ বিভাগলৈ ওভোতাই পঠাই দিয়া হৈছে।

গ) এনেকুৱা কোনো আবেদন বিভাগত বিছাৰি পোৱা নগ'ল।

ঘ) Assam Medical Attendence Rules, 1976 ৰ চর্ত্তসমূহ পুৰণ হ'লে স্বাস্থ্য বিভাগে এনে ধন মোকলাই দিয়াৰ বাবে সংশ্লিষ্ট বিভাগক ছুপাৰীশ কৰিব।

বিষয় ঃ- দলং পকীকৰণ।

শ্রীপ্রবীণ গগৈয়ে সুধিছে ঃ

১৭১। **মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) গোলাঘাট জিলাৰ গেলাবিল নদীৰ ওপৰত থকা হাঁহছোৱা দলঙৰ পকীকৰণ নাৱার্ডৰ অধীনত অন্তর্ভুক্ত কৰা হৈছে নেকি ?

খ) যদি হৈছে, কেতিয়াৰপৰা কাম আৰম্ভ হ'ব ?

শ্রীমতী অজন্তা নেওঁগ (গড়কাপ্তানী বিভাগব বাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

i) DPR প্রস্তুত কৰি থকা হৈছে।

ii) প্রযোজ্য নহয়।

Sub :- Doomdooma 30 Beded Hospital.

Shri Dileswar Tanti asked :

172. Will the Minister of Health be pleased to state :

a) Whether the Government is aware that the 30 bedded hospital at Doomdooma is still lacking of the facilities of electricity lights & fans etc. till date ?

b) Whether such arrangements were not there in the plan estimates of the scheme ?

Dr. Bhumidhar Barman (Minister of Health & F.W. Department) replied :

a) Government is aware that the present arrangement is not adequate and Government is taking urgent steps to improve it.

b) The provision was made in the plan and estimate. The matter is being taken up with P.W.D. for completion of works.

বিষয় ঃ- পথ বাচনি।

শ্রীমতিন্দ্র বসুমতাৰীয়ে সুধিছে ঃ

১৭৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) 2005-06 বিত্তীয় বছৰৰ বাবে বঙাইগাওঁ PWD (Roads) Division

(সংমণ্ডল) এলেকাধীনৰ পৰা PMGSY আঁচনিত কিমান দৈর্ঘ্যৰ পথ অন্তর্ভুক্ত কৰি অনুমোদন দিয়া হ'ল ?

খ) উক্ত Division ৰ অনুমোদিত পথসমূহৰ ভিতৰত ৩১ নং চিদলী (জনজাতি) আৰু ৩৩ নং বিজনী সমষ্টিৰ পৰা কিমান দৈর্ঘ্যৰ পথ আঁচনিত অন্তর্ভুক্ত হৈছে ?

গ) চৰকাৰে BTC এলেকাৰ পৰা PMGSY পথ বাচনিৰ ক্ষেত্রত নতুনকৈ গঠিত জিলা যেনে চিৰাং বাগছা আৰু ওদালগুৰি জিলাসমূহৰ উপায়ুক্তসকলক পথ বাচনি কৰিবলৈ দিয়াৰ ব্যৱস্থা হাতত লব'নে ?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ২০০৫-০৬ বিত্তীয় বর্ষত PMGSY আঁচনিৰ অধীনত কোনো ৰাস্তাৰ অনুমোদন দিয়া হোৱা নাই।

খ) প্রশ্ন নুঠে।

গ) PMGSY আঁচনিৰ Guide Line অনুসৰি জিলা পৰিষদসমূহে বাচনি কৰি দিয়া পথসমূহ আঁচনিভুক্ত কৰা হয়। গতিকে উপায়ুক্তৰ দ্বাৰা পথ বাচনি কৰাৰ ব্যৱস্থা ল'ব পৰা নাযায়।

Sub :- Repairing of Road.

Shri Rajendra Prasad Singh asked :

174. Will the Minister of P.W.D. be pleased to state :

a) Is it a fact that the works of Tinsukia Town portion of N.H.-37 was taken up for construction and completed but it was damaged just after a month of its completion ?

b) If so, will the Government stop the payment of the contractor ?

c) When the damaged portion of the road will be repaired ?

d) Will the contractor be blacklisted ?

Smti. Ajanta Neog (Minister of State, P.W.D.) replied :

a) Yes. It is a fact that works of improvement and Flood damages repairs were under taken in Tinsukia Town portion of NH and were completed. Subsequently, some damages appeared and rectifications of damages by the concerned contractors at their cost have already been under process and is likely to be completed within a week.

b) Yes. The contractor will not be paid until rectifications of defects appeared on his completed works are made at his own cost.

c) It will be completed within a week.

d) Yes. The blacklisting of the contractor may be made only after failure of all sorts of punitive measures against the contractors for rectification of bad works as per tender agreement.

বিষয় ঃ- এ. কে. দেৱ পথৰ কাম।

শ্রীহেমন্ত তালুকদাৰে সুধিছে ঃ

১৭৫। **মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) গুৱাহাটীৰ ফটাশিলৰ পৰা গড়চুকলৈ এ. কে. দেৱ পথটো খৰতকীয়াকৈ নির্মাণৰ কাম আৰম্ভ কৰাৰ বাবে কি ব্যৱস্থা গ্রহণ কৰিছে ?

খ) কিমান দিনৰ ভিতৰত উক্ত ৰাস্তাৰ কাম সম্পূর্ণ কৰা হ'ব ? (বিতংকৈ জনাব)

গ) বাট-পথৰ Repairing ৰ বাবে Maintenance Budget আছেনে? যদি আছে তেন্তে গড়কাপ্তানী বিভাগে সময় উপযোগী পদক্ষেপ লৈছেনে ?

ঘ) যদি লোৱা নাই, কি ব্যৱস্থা ল'ব ?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ফটাশিলৰ পৰা গড়চুকলৈ এ. কে. দেৱ পথটো নির্মাণৰ বাবে অসম চৰকাৰৰ ২০০৫-০৬ বর্ষৰ বার্ষিক পৰিকল্পনাত ৯.৯০ কোটি টকাৰ অনুমোদন হৈছে আৰু ইতিমধ্যে কাম আৰম্ভ কৰা হৈছে।

খ) আৱশ্যকীয় পুঁজিৰ আৱণ্টন পালে অতি সোনকালে কাম সম্পূর্ণ কৰিব পৰা হ'ব।

গ) হয় আছে। ব্যৱস্থা লোৱা হৈছে।

ঘ) প্রশ্ন নুঠে।

বিষয় ঃ- NEC রাস্তার কাজ।

শ্রীছিদ্দিক আহমেদ জিজ্ঞাসা করেছেন ঃ

১৭৬। **মাননীয় গড়কাপ্তানী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি ঃ**

ক) বাজারঘাট হইতে রামকৃষ্ণ নগর হয়ে হাইলাকান্দি NEC রাস্তার কাজের কি Progress হয়েছে ? এই রাস্তার কাজ কত দিনের মধ্যে আরম্ভ হবে ?

খ) চরখোলা হইতে মিজোরাম ভায়া বাজারঘাট রাস্তার কাজের জন্য NEC তে কোন Proposal আছে কি ? যদি আছে, কখন Survey এর কাজ আরম্ভ হবে ?

গ) যদি নাই, তবে এই রাস্তার Proposal লওয়া হ'বে কি ?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) উল্লেখিত পদৰ কোনো অনুমোদন নাই। গতিকে কাম আৰম্ভ কৰাৰ প্রশ্নই নুঠে।

খ) নাই। Survey ৰ কাম আৰম্ভ কৰাৰ প্রশ্নই নুঠে।

গ) বর্ত্তমান তেনে কোনো পৰিকল্পনা নাই।

বিষয় ঃ- মূল পথ নির্মাণ।

শ্রীদিলীপ কুমাব শইকীয়াই সুধিছে ঃ

১৭৭। মাননীয় গড়কাপ্তানী বিভাগব মন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে ঃ

ক) গুৱাহাটী মহানগৰীত সদ্যহতে কোন কোন মূল পথব নির্মাণ কার্য্য চলি আছে ?

খ) এই কাম কেনে কোনে কৰি আছে ?

গ) এই মূল পথ নির্মাণ কার্য্যৰ বাবে কিমান টকাৰ বাজেট ধৰা হৈছে ?

ঘ) এই মূল পথৰ বাহিৰেও মহানগৰীখনৰ অন্যান্য বাট-পথ, নলা-নর্দমা আদিৰ কাম হৈ আছে নেকি ?

ঙ) যদি নির্মাণ হৈ আছে, এনে নির্মাণ কার্য্যৰ বাবে কিমান ধন খৰচ কৰা হৈছে ?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগব বাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) গুৱাহাটী মহানগৰীত সদ্যহতে তলত উল্লেখ কৰা মূল পথ সমূহৰ নির্মাণ কার্য্য চলি আছে—

১) হাটীগাওঁ ভেটাপাৰা পথ,

২) বেলতলা বশিষ্ঠ পথ আৰু খানাপাৰা বেলতলা পথ,

৩) গুৱাহাটী চিলং পথৰ উলুবাৰীত উৰণীয়া সেতুৰ কাম,

৪) গোপীনাথ বৰদলৈ পথ-প্রথম পর্য্যায়,

৫) ভি. আই. পি. পথ,

৬) কাহিলীপাৰা ওদালবাক্রা পথ,

৭) নৱগ্রহ পথ,

৮) গুৱাহাটী গড়ভাঙ্গা পথ আৰু

৯) এ. কে. দেৱ পথ।

খ) কাম কৰি থকা ঠিকাদাৰসকলৰ নাম তলত উল্লেখ কৰা হ'ল—

১) হাটীগাওঁ ভেটাপাৰা পথ— (i) ইয়ং কনষ্ট্রাকচন আৰু
(ii) হাইটেক কনষ্ট্রাকচন

২) বেলতলা বশিষ্ঠ পথ— (i) উমেশ দাস আৰু
(ii) পৰাগ শর্মা

৩) খানাপাৰা বেলতলা পথ— (i) উমেশ দাস আৰু
(ii) বিনন্দী কলিতা

৪) জি. এন. বি. পথ— (i) মের্চাচ লোহিত কনষ্ট্রাকচন

৫) ভি. আই. পি. পথ— (i) মের্চাচ আসাম ভেলী কনষ্ট্রাকচন আৰু
(ii) ইয়ং কনষ্ট্রাকচন

৬) কাহিলীপাৰা ওদালবাক্রা পথ— (i) ইয়ং কনষ্ট্রাকচন

৭) নৱগ্রহ পথ— (i) কুনালদ্বীপ পুৰকায়স্থ

৮) গুৱাহাটী গড়ভাঙ্গা পথ— (i) মের্চাচ চাউথ ৱেষ্ট

৯) এ. কে. দেৱ পথ— (i) লোহিত কনষ্ট্রাকচন

গ) এই মূল পথসমূহৰ নির্মাণৰ বাবে প্রাক্কলন মতে প্রয়োজনীয় ধনৰ পৰিমাণ ৫১৪৯.৪৫ লাখ টকা।

ঘ) হয় আছে।

ঙ) এনে নির্মাণ কার্য্যৰ বাবে বিভিন্ন শিতানত খৰচ হোৱা ধনৰ পৰিমাণ মুঠ ৬২৭.৬৭ লাখ টকা।

বিষয় ঃ- ৰাষ্ট্রীয় ঘাইপথৰ নির্মাণ কার্য্য।

শ্রীপবিন্দ্র ডেকাই সুধিছে ঃ

১৭৮। **মাননীয়া গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে ঃ**

ক) ১৫২ নং ৰাষ্ট্রীয় ঘাইপথ (National Highway) ৰ নির্মাণ কার্য্য বর্ত্তমানলৈ কিমান হৈছে ?

খ) বর্ত্তমান নির্মাণ কার্য্য বন্ধ ৰখাটো সঁচানে ?

গ) যদি সঁচা, কিয় বন্ধ ৰখা হৈছে ?

ঘ) উক্ত পথটোৰ নির্মাণ কার্য্যৰ বাবে ২০০৫-০৬ বিত্তীয় বর্ষত কিমান টকা ধার্য্য কৰা হৈছে ?

ঙ) এই পথটোৰ নির্মাণ কার্য্য কেতিয়া সম্পূর্ণ কৰা হ'ব ?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ৩৮ কিঃ মিঃ দৈর্ঘ্যৰ ১৫২ নং ৰাষ্ট্রীয় ঘাই পথটোৰ বাবে কেন্দ্রীয় চৰকাৰৰ পথ পৰিবহণ ও ৰাষ্ট্রীয় পথ মন্ত্রালয়ে এতিয়ালৈকে অনুমোদন জনোৱা ২.১৫০ কিঃ মিঃ পথৰ কাম সম্পূর্ণ হৈছে।

খ) নহয়। কাৰণ এতিয়ালৈকে বাকী থকা পথৰ কামৰ অনুমোদন ভাৰত চৰকাৰৰ পথ পৰিবহণ ও ৰাষ্ট্রীয় পথ মন্ত্রালয়ৰ পৰা পোৱা নাই।

গ) ভাৰত চৰকাৰৰ অনুমোদন ব্যতিৰেকে কাম আৰম্ভ কৰা সম্ভৱ নহয়। গতিকে কাম বন্ধ ৰখাৰ প্রশ্ন নুঠে।

ঘ) উক্ত পথটোৰ নির্মাণ কার্য্যৰ বাবে ২০০৫-০৬ বিত্তীয় বর্ষত কোনো টকাৰ অনুমোদন হোৱা নাই।

ঙ) যিহেতু কেন্দ্রীয় চৰকাৰৰ পথ পৰিবহণ ও ৰাষ্ট্রীয় পথ মন্ত্রালয়ে বাকী অংশৰ নির্মাণৰ বাবে এতিয়ালৈকে অনুমোদন জনোৱা নাই গতিকে অনুমোদন জনোৱাৰ পিচতে এই বিষয়ে জনাব পৰা হ'ব।

বিষয় ঃ- প্রকল্পৰ বাবে মঞ্জুৰী।

শ্রীকৰেন্দ্র বসুমতাৰীয়ে সুধিছে ঃ

১৭৯। **মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) মাজবাট সমষ্টিৰ অন্তর্গত ৰৌতা উন্নয়ন খণ্ডৰ অধীনত সমন্বিত শিশু উন্নয়ন আঁচনিৰ প্রকল্প (ICDS Project) স্থাপন হৈছেনে ?

খ) কেন্দ্রীয় চৰকাৰে উক্ত প্রকল্পৰ মঞ্জুৰী দিছেনে ?

গ) উক্ত প্রকল্পৰ সন্দর্ভত ৰাজ্য চৰকাৰে বিগত ২০০২-০৩ চনতেই কেন্দ্রলৈ প্রস্তা
প্রেৰণ কৰাটো সঁচানে ?

ঘ) যদি সঁচা, বর্ত্তমান কি পর্য্যায়ত আছে ?

শ্রীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হোৱা নাই।

খ) বর্ত্তমানলৈ দিয়া নাই।

গ) হয়, সঁচা। কেন্দ্রীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

ঘ) - ঐ -

বিষয় ঃ- পোকালাগী পশু উপ-কেন্দ্রৰ কাম।

শ্রীদীনেশ চন্দ্র সৰকাৰে সুধিছে ঃ

১৮০। **মাননীয় পশুপালন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিৰ পোকালাগী Vety. Sub-centre ৰ কামৰ অগ্রগতি সন্তোষজনক নহয়, এই কথা চৰকাৰ অৱগতনে ?

খ) উক্ত চাব-চেণ্টাৰৰ কাম কৰাৰ সময়ত ঠিকাদাৰৰ সৈতে কিবা Agreement কৰা হৈছিলনে? যদি হৈছিল, উক্ত Agreement ৰ বয়ান কি আছিল ?

গ) কিমান দিনৰ ভিতৰত উক্ত কামটো সম্পূর্ণ কৰা হ'ব ?

শ্রীগোবিন্দ চন্দ্র লাংথাচা (পশুপালন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) গোলকগঞ্জ সমষ্টিৰ অন্তর্গত পোকালাগী পশুচিকিৎসা উপকেন্দ্রটো সীমান্ত এলেকা উন্নয়ন আঁচনিৰ অধীনত নির্মাণৰ বাবে মুঠ ৩ (তিনি) লাখ টকা মঞ্জুৰ কৰা হৈছিল।

ধুবুৰী জিলাৰ পশুপালন বিষয়াই নিবিদা আহ্বান কৰি তথা প্রাক্কলন পৰীক্ষা তথা সংমোদন কৰি চুক্তি অনুসাৰে যি গৰাকী অনুমোদিত ঠিকাদাৰক কাম কৰিবলৈ দিছিল সেই কাম যথা সময়ত সম্পূর্ণ নোহোৱাত তথা ঠিকাদাৰৰ গাফিলতিৰ কাৰণে তেওঁৰ আৰণ্টন বাতিল কৰিব বুলি জিলা পশুপালন বিষয়াই সেই কাম ঠিকাদাৰজনক ২ মাহৰ ভিতৰত সম্পূর্ণ কৰিবলৈ নির্দ্দেশ দিছে।

খ) অনুমোদিত ঠিকাদাৰৰ সৈতে হোৱা চুক্তি অনুসৰি ঠিকাদাৰজনে ২ (দুই) মাহৰ ভিতৰত কামটো সম্পূর্ণ কৰিব লাগিছিল যদিও অধিক সময় বিচাৰি ঠিকাদাৰজনে আবেদন জনোৱাৰ কাৰণে কিছু সময় দিয়া হয়।

গ) চুক্তিৰ ম্যাদ উকলি যোৱাত আৰু ঠিকাদাৰজনে সময় মতে কামটো সম্পূর্ণ কৰিব নোৱাৰাত ধুবুৰী জিলাৰ পশুপালন আৰু পশুচিকিৎসা বিষয়াই এই কামটো ২ (দুই) মাহৰ ভিতৰত সম্পূর্ণ কৰিবলৈ নির্দ্দেশ দিছে।

বিষয় ঃ- খোৱা পানী যোগান আঁচনি।

শ্রীবনজিৎ দত্তই সুধিছে ঃ

১৮১। **মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) যোৱা (২০০৫) বিধান সভাৰ বাজেট অধিবেশনত প্রশ্নৰ উত্তৰত বিভাগীয় মন্ত্রী মহোদয়ে বিহালী সমষ্টিৰ ডেকা পথাৰত খোৱাপানীৰ যোগান আঁচনি এখন স্থাপন কৰা হ'ব বুলি উত্তৰত কোৱাটো সত্যনে ?

খ) বিভাগীয় মন্ত্রী মহোদয়ে কেতিয়া আধাৰ শিলা স্থাপন কৰিব ?

শ্রীদীনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হয়, সত্য। ডেকা পথাৰ পাইপ পানী যোগান আঁচনি এখনৰ কাৰিকৰী অনুমোদন পোৱা হৈছে আৰু প্রয়োজনীয় প্রাক্কলন প্রস্তুত কৰি প্রশাসনীয় অনুমোদনৰ (Administrative Approval) ব্যৱস্থা হাতত লোৱা হৈছে।

খ) প্রয়োজনীয় প্রশাসনীয় অনুমোদন পোৱাৰ পিচত আধাৰশিলা স্থাপনৰ বিষয়টো বিবেচনা কৰা হ'ব।

Sub :- Appointment on Compassionate Ground.

Sri Bimolangshu Roy asked :

182. **Will the Minister of Health & F. W. be pleased to state :**

a) What action has been taken by the Government on the

letter of the Director, Health & Family Welfare, Assam bearing No. HSE/Comp./138/2002/2285 dated 8.3.2005 regarding appointment on compassionate ground in the District of Cachar, Assam ?

b) Whether approval for appointment has already been accorded by the Government ?

c) If so, place a copy of approval letter and copy of onward communication made to the Joint Director, Health Service, Cachar, Silchar by the Director of Health Services, Assam, Hengrabari, Guwahati, for disposal of the long pending case, sent to Directorate vide Joint Director, Health Service, Cachar letter No. DH/Estt./ Comp/200 dated 09.1.2001 ?

d) Whether 5% of the vacant posts in the cadre of Grade-III in the District of Cachar under Health & Family Welfare Department have been filled up by appointing Candidates on compassionate ground ?

e) If so, submit year-wise list of appointed candidates, mentioning names, place of posting, designation etc. with effect from 2000-2001, 2001-2002, 2002-2003, 2003-2004, 2004-2005 ?

f) If not, why, state reasons and actions taken against the responsible concerned officers ?

Dr. Bhumidhar Barman (Minister of Health & F.W.) replied :

a) A proposal for approval for appointment on compassionate ground in the post of Gr.-III and Gr.-IV in respect of–

1. Sri Sumit Deb, S/o- Late Nilima Rani Deb.
2. Smti. Bhanumati Das, D/o- Late Brajamani Das.
3. Sri Ajit Deb, S/o- Late Joy Kumar Deb.
4. Sri Tapash Roy, S/o- Late Tarani Roy.

was received from the Director of Health Services, Assam vide his letter No. HSE/Comp/138/2002/2285 dt. 8.3.2005 on 9.3.2005. In view of the modification of policy for appointment on compassionate ground all proposals including the above one were returned to the Director of Health Services, Assam, vide letter No. HLA.1380/2004/303 dt. 2.5.2005 to re-submit as per guidelines and statements issued by the Finance Department accordingly, the Director of Health Services has referred all papers to the Joint Director of Health Services, Cachar for submission of proposal as per the latest guidelines.

b) No.

c) Does not arise.

d) No.

e) Does not arise.

f) Does not arise.

বিষয় ঃ- চিকিৎসালয় মেৰামতি।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

১৮৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) দুলীয়াজান সমষ্টিৰ অন্তর্গত বকুলনী ৰাজ্যিক চিকিৎসালয়খনৰ মেৰামতি ও পুনৰ নির্মাণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে ?

খ) এই চিকিৎসালয়খন কিমান চনত স্থাপিত হৈছিল ?

গ) চিকিৎসালয়খন স্থাপনৰ বাবে চৰকাৰে কিমান বিঘা মাটি আৱণ্টন দিছিল ?

ঘ) উক্ত চিকিৎসালয়খনৰ বাবে কিমানজন কৰ্ম্মচাৰী নিয়োগ কৰা হৈছে ?

ঙ) দুলীয়াজান সমষ্টিত কেইখন উপ-স্বাস্থ্য কেন্দ্ৰ আছে ?

চ) বৰ্ত্তমান এই সমষ্টিত কেইখন স্বাস্থ্য উপকেন্দ্ৰ ভাড়া ঘৰত আছে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বৰ্ত্তমানে লোৱা হোৱা নাই।

খ) চিকিৎসালয়খন ১৯৫৯ চনত স্থাপিত হৈছিল।

গ) উক্ত চিকিৎসালয়খনৰ স্থাপনৰ বাবে চৰকাৰে ২৫ বিঘা মাটি আৱণ্টন দিছিল।

ঘ) উক্ত চিকিৎসালয়খনৰ বাবে অনুমোদিত পদৰ সংখ্যা এনেধৰণৰ—

M & HO - I	-	১ জন
Pharmacist	-	১ জন
Grade - IV	-	১ জন

ঙ) দুলীয়াজান সমষ্টিত ৩২ টা উপ স্বাস্থ্য কেন্দ্ৰ আছে।

চ) ইয়াৰে বৰ্ত্তমান ২৪ টা উপ-স্বাস্থ্য কেন্দ্ৰ ভাড়া ঘৰত আছে

Sub :- Improvement of road.

Shri Mission Ranjan Das asked :

184. Will the Minister of P.W.D. be pleased to state :

a) What action has been taken on the representation dated 18.06.2005 submitted to the Government for sanction of fund under State Annual Plan 2005-2006 for improvement of two urban roads namely 1) Ration Godown P.W.D. road and 2) Karimganj-Lakhibazar P.W.D. road (Town portion) under Karimganj P.W.D. Road Division ? (Please state in the detail) ?

b) What steps have been taken on the representation dated 16.03.2005 submitted to Government for construction of one R.C.C. Bridge in place of SPT bridge No. 3/1 on Shyamaprasadpur P.W.D. Road under Karimganj P.W.D. (R) Division under RIDF-X and state in detail the latest position ?

c) What are the steps taken on the representation dated 05.07.2005 submitted to the Hon'ble Minister of State for P.W.D. for construction of Fakirabazar-Tilain via Girishganj P.W.D. road under Karimganj P.W.D. (R) Division with fund from Asian Development Bank or any other fund ?

Shrimati Ajanta Neog (Minister of State, P.W.D.) replied :

a) i) Ration Go-down P.W.D. Road-The Road has been taken-up under ASRB maintenance fund with an estimated amount of Rs. 1.14 Lakhs. The percentage of progress is 20%.

ii) Karimganj Lakhibazar Road- It is proposed to take up the road under ASRP with fund Assistence from World Bank for an amount of Rs. 128.36 Lakhs.

b) The construction of RCC Bridge No. 3/1 Shyamaprasadpur P.W.D. road under Karimganj P.W.D. Road Division was considered under RIDF-X of NABARD and estimate was sent to NABARD for sanction. The project is yet to be sanctioned. The project will be started as soon as approval of the same is received.

c) The Road in question has been proposed to be taken-up under ASRP with fund assistence of World Bank.

বিষয় ঃ- লখিমপুৰ নগৰ পানী যোগান আঁচনি।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

১৮৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) লখিমপুৰ নগৰ পানী যোগান আঁচনিখনৰ ২ য় খন্দৰ (ফেজ-II) শুভ আৰম্ভ বিভাগীয় মন্ত্ৰী মহোদয়ে কোন তাৰিখে কৰিছিল ?

খ) মন্ত্ৰী মহোদয়ে শুভ আৰম্ভ কৰা এই আঁচনিখন বৰ্ত্তমান কাৰ্য্যক্ষম হৈ আছেনে ?

গ) যদি নাই, কিমান তাৰিখৰ পৰা বিকল হৈ আছে ?

ঘ) আঁচনিখন কাৰ্য্যক্ষম কৰিবলৈ চৰকাৰে কি ব্যৱস্থা লৈছে ?

ঙ) আঁচনিখনে জিলাখনৰ কিমান জনসাধাৰণক সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে ?

চ) আঁচনিখনৰ অধীনত নিয়মীয়া পানী যোগান কেতিয়াৰ পৰা কৰাৰ ব্যৱস্থা হ'ব, সেই সম্বন্ধে কোনো একশ্বন প্লেন চৰকাৰৰ আছে নে ? যদি আছে, বিতংকৈ সদনৰ মেজত দাখিল কৰিব নে ?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) প্ৰাপ্ত তথ্যমতে লখিমপুৰ নগৰ পানী যোগান আঁচনিখনৰ ২য় খন্দৰ শুভাৰম্ভ নগৰ উন্নয়ন দপ্তৰৰ মাননীয় মন্ত্ৰী মহোদয়ে যোৱা ২৫-২-২০০৪ তাৰিখে কৰিছিল।

খ) যিহেতু বৰ্ত্তমানে আঁচনিখন নগৰ পানী যোগান আৰু পয় প্ৰণালী পৰিষদৰ তত্বাবধানত, জনস্বাস্থ্য কাৰিকৰী বিভাগ এই বিষয়ে অৱগত নহয়।

গ) - ঐ -

ঘ) - ঐ -

ঙ) প্ৰাক্কলন অনুসৰি আঁচনিখন লখিমপুৰ নগৰৰ ৱাৰ্ড নং - ১১, ১২ আৰু ১৪ৰ একাংশ জনসাধাৰণক সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে।

চ) ২য় খণ্ডৰ পাইপ লাইন ব্যৱস্থাৰ দায়িত্ব জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ওপৰত এতিয়ালৈ ন্যস্ত আছে। প্ৰয়োজনীয় শিতানত পুঁজি আৱণ্টন হ'লে বাকী থকা পাইপ লাইন বহুৱাৰ কাম সম্পূৰ্ণ কৰি পৰিষদক হস্তান্তৰ কৰা হ'ব।

নিয়মীয়া পানী যোগান ব্যৱস্থাৰ একশ্বন প্লেন (Action Plan) সম্বন্ধে পৰিষদহে অৱগত।

Sub :- Upliftment of Medical Centre.

Shri Premodhar Bora asked :

184. Will the Minister of Health be pleased to state :

a) Is it a fact that the Government has taken upliftment process of six Medical Sub-Centres namely, Badati, Lahalial, Borbali, Bonpuroi, Jamuguri, Bholabori and Dharamgar under 109 Bihpuria LAC of Lakhimpur District ?

b) Is it true that the Govrnment has prepared estimate for upliftment of these six Medical Sub-centres ?

c) If so, why the improvement process is still not carried out ?

d) Whether the Government will take quick necessary action for improvement of these six Medical Sub-centres for the greater interest of the backward and proper people of the said places ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare) replied :

a) It is not a fact. The Government has been trying to improve conditions of Sub-centres under of RCH-II programme in a phased manner. Till now the list has not been finalised.

b) The Government in Health & F.W. Department has received plan and Estimate from Public Works Department.

c) The process will start during this year.

d) As has been replied at (a) above.

বিষয় ঃ- ঔষধ আৰু সামগ্ৰীৰ যোগান।

শ্ৰীজগদীশ ভূঞাই সুধিছে ঃ

১৮৭। **মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) "PRIMUSA HEALTH CARE" আৰু "AMAL DRUG DISTRIBUTORS" নামৰ ফাৰ্ম দুখনক ২০০২-০৩, ২০০৩-০৪, ২০০৪-০৫ বৰ্ষত স্বাস্থ্য বিভাগে কিমান টকাৰ ঔষধ আৰু চাৰ্জিকেল সামগ্ৰী যোগানৰ দায়িত্ব দিছে আৰু তাৰ বিপৰীতে কিমান টকা আদায় দিয়া হৈছে ? (সবিশেষ তথ্য দিব)

খ) এই প্ৰতিষ্ঠান দুটাৰ স্বত্বাধীকাৰৰ নাম কি? (নাম আৰু ঠিকনা জনাব)

গ) "কেপিটেল ফাৰ্নিচাৰ" নামৰ ফাৰ্মখনক "MOTORIZED EYE OPERATION TABLE" যোগানৰ বাবে অৰ্ডাৰ দিয়া হৈছে নেকি ?

ঘ) যদি হৈছে, প্ৰতিখন এনে টেবুলৰ বাবদ কিমান টকা চৰকাৰে ধাৰ্য্য কৰিছে ?

ঙ) উক্ত ফাৰ্মখনক এই সামগ্ৰী যোগানৰ নিৰ্দেশ কেতিয়া দিয়া হৈছে ?

চ) যোৰহাট জিলাত এই "MOTORIZED EYE OPERATION TABLE" যোগান দিয়া হ'ল নেকি ?

ছ) উক্ত "কেপিটেল ফাৰ্নিচাৰ" নামৰ ফাৰ্মখনক এনে ধৰণৰ কিমান সংখ্যক টেবুলৰ অৰ্ডাৰ দিয়া হৈছে ? (সবিশেষ জনাব)

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) "PRIMUSA HEALTH CARE" ৰ নামত ঔষধ যোগানৰ বাবদ দিয়া

টকাৰ পৰিমাণ এনে ধৰণৰ ঃ-

২০০২-০৩	বিত্তীয় বৰ্ষত মুঠ	=	৫,৬৫,৪৮৮.০০ টকা
২০০৩-০৪	বিত্তীয় বৰ্ষত মুঠ	=	২৩,০২,৮৪৯.০০ টকা
২০০৪-০৫	বিত্তীয় বৰ্ষত মুঠ	=	৩৭,৬৮,৩৬৪.০০ টকা
	সৰ্ব মুঠ	=	৬৬,৩৬,৭০১.০০ টকা
	আদায় দিয়া হ'ল	=	(-) ৫৮,৯৮,৮৭৪.০০ টকা
	আনাদায়	=	৭,৩৭,৮২৭.০০ টকা

"AMAL DRUGS DISTRIBUTORS" নামৰ ফার্মখনক ঔষধ যোগানৰ বাবদ দিয়া টকাৰ পৰিমাণ এনেধৰণৰ ঃ—

২০০৪-০৫	বিত্তীয় বৰ্ষত মুঠ	=	৪১,৭৫,৫০৫.০০ টকা
	আদায় দিয়া হ'ল মুঠ	=	(-) ৩৬,৮০,৬০০.০০ টকা
	আনাদায়	=	৪,৯৪,৯০৫.০০ টকা

খ) প্ৰতিষ্ঠান দুটাৰ স্বত্বাধিকাৰীৰ নাম আৰু ঠিকনা তলত দিয়া হ'ল ঃ—

M/s Primusa Health Care, Guwahati.
Proprietor - Smti. Bandita Barman.
Rupnagar, Jyoti Path, Guwahati - 29

M/s Amal Drugs Distributors, Guwahati.
Proprietor - Mrs. A. K. Nath.
House No. 3, Khandhyachal Nagar,
Lalmati, Beltola, Guwahati - 29

গ) হয়, হৈছে।

ঘ) প্ৰতিখন টেবুলৰ মূল্য অনুমোদিত Institutional Firm Rate– ৰ মতে ২.৪৬ লাখ টকা।

ঙ) জৰুৰী প্ৰয়োজনীয়তাৰ বাবে উক্ত Eye Operation Table খন কেপিটেল ফার্নিচাৰ, অসমক AISDC Ltd. ৰ পৰা নিৰ্দ্দেশ দিয়াত তেওঁলোকে

১২/৬/০৫ তাৰিখে টেবুলখন যোৱহাটৰ জননায়ক দেবেশ্বৰ শর্মাৰ অসামৰিক চিকিৎসালয়ত যোগান ধৰে। পিছত AISDC Ltd. ৰ ২৫/৭/০৫ তাৰিখৰ চিঠিৰ মর্মে স্বাস্থ্য সঞ্চালকে তেওঁৰ ২৭/৭/০৫ তাৰিখৰ নির্দ্দেশ মর্মে উক্ত যোগান নিয়মীয়া কৰে।

চ) হয়, হৈছে।

ছ) দুখন টেবুল দিবলৈ নির্দ্দেশ দিয়া হৈছিল। এখন যেৱহাটৰ বাবে আনখন নলবাৰীৰ বাবে।

Sub :- Silbari Mini CHC.

Shri Abdul Jabbar asked :

188. Will the Minister of Health and Family Welfare be pleased to state :

a) Whether Government is aware that Silbari area of Dalgaon LAC is just like an island having limited connection/communication with the remaining parts of the constitutency vis-a-vis the district ?

b) If so, considering this special circumstance will the Government send any Doctors to the already halfdone Mini CHC for the firsthand treatment of the people ?

c) As the Doctors Mini CHC of Silbari needs upliftment and upgradation also, will the Government take steps to fulfill these conditions ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare) replied :

a) Government is aware that Silbari is an interior place with difficult communication.

b) It is a Mini PHC and not Mini CHC. It is at half done stage.

c) Government will take steps for creation of posts and posting of doctors etc. when the building are ready.

বিষয় ঃ- বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ।

শ্ৰীআলী আকৰৰ মিঞাই সুধিছে ঃ

১৮৯। **মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) ধুবুৰী পথ সংমণ্ডলৰ অন্তৰ্গত BLPIB-Mayerchar কেচা ৰাস্তাইদি ব্যৱসায়ীসকলক গধুৰ যান-বাহন চলাবলৈ দিয়াৰ ফলত ৰাস্তাটো বহি যায় বাবেই বানপানীত ৰাস্তাটো ভাঙি যায় বুলি সদনত ১১/৩/০৫ ৰ তৰাচিহ্নিত প্ৰশ্ন নং ১৫০ ত স্বীকাৰ কৰা হ'ল কিন্তু ৰাস্তাটোয়েদি গাড়ী চলাব দিয়া বিষয়াসকলৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল ? (ব্যৱস্থা গ্ৰহণীয় পত্ৰৰ কপি দিব)

খ) ৰাস্তাটো ভাঙি যোৱাত ৰাইজে চলাচলৰ দিশত কষ্ট কৰিব লগা হৈছে, ৰাস্তাটো মেৰামতিৰ বাবে ১০/১৫ লাখ টকা খৰচ কৰিব লগা হ'ল আৰু এই ক্ষয়-ক্ষতিৰ বিৰুদ্ধে ৰাইজে দিয়া অভিযোগৰ বিপৰীতে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল ? (ব্যৱস্থা গ্ৰহণীয় পত্ৰৰ কপি দিব)

গ) ধুবুৰীৰ E.E. জনে নয়াহাট-সাপটগ্ৰাম ৰাস্তাৰ A.S.R.B. maintenance fund ৰ Estimate প্ৰস্তুত কৰোতেও ৰাজনীতিত লিপ্ত হোৱা সংক্ৰান্তত ৰাইজে ১০/৩/০৫ তাৰিখে তেওঁৰ বিৰুদ্ধে যি অভিযোগ দিলে তাৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল ? (ব্যৱস্থা গ্ৰহণীয় পত্ৰৰ কপি দিব)

ঘ) নয়াহাট-সাপটগ্ৰাম ৰাস্তাৰ কাম PMGSY ৰ অধীনত কৰি থকা হৈছে, কামৰ অৰ্ডাৰ কেতিয়া হ'ল আৰু কামটো আৰম্ভ কৰা হ'ল কেতিয়া ? (অৰ্ডাৰৰ কপি দিব)

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) প্ৰশ্নত উল্লেখিত ৰাস্তাইদি যান-বাহন চলাচলৰ উপৰিও যোৱা বছৰ হোৱা

প্রলয়ংকাৰী বানপানীৰ ফলতহে ৰাস্তাটোৰ বিস্তৰ ক্ষতিসাধন হয়, সেয়েহে কোনো বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই।

খ) ৰাস্তাটোৰ ক্ষতিগ্ৰস্থ অংশ বিলাক ২০০৩-০৪ চনৰ DRRMP (ARIASP), ২০০৪-০৫ চনৰ বাৰ্ষিক পৰিকল্পনা (AP) ইত্যাদি শিতানসমূহত মেৰামতি কৰি ৰাস্তাটোৰ যাতায়ত সূচল কৰি থকা হৈছে।

গ) প্ৰশ্নত উল্লেখিত ৰাস্তাটোৰ ASRB ৰ Maintanance fund শিতানত estimate বিভাগীয় নিয়মমতে প্ৰস্তুত কৰা হৈছে। ইয়াত Executive Engineer জন কোনো ৰাজনীতিত লিপ্ত হোৱা নাই। সেয়েহে ইং ১০/৩/০৫ তাৰিখে দিয়া ৰাজহুৱা অভিযোগৰ ভিত্তিত বিষয়াজনৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা হোৱা নাই।

ঘ) নয়াহাট (বৰকান্দা) সাপটগ্ৰাম ৰাস্তাৰ কামৰ অৰ্ডাৰ যোৱা ১৯/২/০৫ তাৰিখে দিয়া হৈছে। আৰু ইতিমধ্যে কামটো আৰম্ভ হৈছে। (অৰ্ডাৰৰ কপি গাঁঠি দিয়া হ'ল) (See Annexure - XXXV)

বিষয় ঃ- পানী যোগান আঁচনি।

শ্ৰীসুশীল দত্তই সুধিছে ঃ

১৯০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) লামডিং সমষ্টিৰ ৩২ খন গাঁৱৰ পানী যোগান আঁচনি ৰূপায়ণ বৰ্ত্তমান কি অৱস্থাত আছে ?

খ) এই চৰকাৰৰ কাৰ্য্যকালতে এই আঁচনি ৰূপায়ণ কৰিবলৈ চৰকাৰে ব্যৱস্থা ল'বনে ?

গ) লামডিং সমষ্টিৰ অন্তৰ্গত কিমানখন পানী যোগান আঁচনি কাৰ্য্যক্ষম আৰু কিমানখন আঁচনি অচল হৈ আছে? অচলবিলাক কাৰ্য্যক্ষম কৰাৰ বাবে কি কি ব্যৱস্থা লৈছে ? (বিতংকৈ জনাব)

ঘ) লামডিং সমষ্টিৰ অন্তৰ্গত এজাৰবাৰী পানী যোগান আঁচনিখন কি অৱস্থাত আছে আৰু ইয়াক কাৰ্য্যক্ষম কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্রীদীনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) লামডিং সমষ্টিৰ উল্লেখিত ৩২ খন গাওঁ সামৰি পকী কুৱা বহুৱাৰ বাবে A.R.P. আঁচনিৰ অধীনত এখন আঁচনি প্রস্তুত কৰা হৈছে।

খ) আঁচনিখন ৰূপায়ণ কৰিবৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হ'ব।

গ) লামডিং বিধান সভা সমষ্টিৰ অন্তর্গত ২৮ খন পাইপ পানী যোগান আঁচনি আছে। ইয়াৰ ভিতৰত ৯ খন আঁচনি বর্ত্তমানে কার্য্যক্ষম অৱস্থাত আছে আৰু ৫ খন আঁচনি বর্ত্তমান অচল অৱস্থাত আছে। বাকী ১৪ খন আঁচনিৰ কাম চলি আছে, এতিয়াওঁ সম্পূর্ণ হৈ উঠা নাই। অচল আঁচনি কেইখন কার্য্যক্ষম কৰিবলৈ পুঁজি আৱণ্টন সাপেক্ষে ব্যৱস্থা লোৱা হ'ব। (অচল আঁচনিৰ তথ্য Annexure-I ত সংলগ্ন কৰা হ'ল) (See Annexure-XXXVI)

ঘ) লামডিং সমষ্টিৰ অন্তর্গত এজাৰবাৰী পানী যোগান আঁচনিখন সম্পূর্ণ কৰি তোলা হৈছে আৰু বর্ত্তমান ২০০৫ চনৰ ১ জুলাইৰ পৰা পৰিশোধিত পানী যোগান ধৰি থকা হৈছে।

বিষয় ঃ- শিশু খাদ্যৰ যোগান।

ডাঃ তাৰাপ্রসাদ দাসে সুধিছে ঃ

১৯১। **মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) যোৱা বিত্তীয় বর্ষত শিশুখাদ্য যোগান ধৰা সম্পর্কত কিমান টকা কেন্দ্রীয় চৰকাৰৰ পৰা লাভ কৰিলে ?

খ) শিশুখাদ্য ক্রয় কৰা সম্পর্কত চৰকাৰে কি ক্রয় নীতিৰ জড়িয়তে সামগ্রী ক্রয় কৰিছিল ?

গ) প্রত্যেকটো প্রকল্পৰ অধীনত কিমান পৰিমানৰ কি কি খাদ্য ক্রয় কৰিলে, ক্রয় কৰা সামগ্রীৰ বাবদ কিমান টকা ব্যয় কৰিলে আৰু ইয়াৰ জড়িয়তে কিমান শিশু উপকৃত হল ? (প্রকল্পসমূহৰ নিজ নিজ এলেকা হিচাপে পৃথক পৃথকভাৱে সামগ্রীৰ পৰিমান টকাৰ পৰিমান আদিৰ বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

শ্রীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) যোৱা বিত্তীয় বর্ষত শিশুখাদ্য যোগান ধৰা সম্পর্কত ৪৭,৬২,০০,০০০ টকা কেন্দ্রীয় চৰকাৰৰ পৰা লাভ কৰা হৈছে।

খ) অসম চৰকাৰৰ স্বীকৃতিপ্রাপ্ত প্রতিষ্ঠান, অসম ক্ষুদ্র উন্নয়ণ নিগম আৰু অসম চৰকাৰৰ বেচা কিনা নিগমৰ জড়িয়তে শিশু খাদ্য ক্রয় কৰা হৈছিল।

গ) প্রকল্পসমূহৰ পৰা তথ্য বিচৰা হৈছে।

Sub :- Construction / Reconstruction of Building.

Shri Monilal Gowala asked :

192. Will the Minister of Health & Family Welfare be pleased to state :

a) Whether the Government will sanction for construction/ Reconstruction of building grants to three Nos. of PHC/ MPHC/State dispensary in L.A. 2 Patharkandi Constituency as per assurance given in last three sitting of the Assembly session ? (i.e. for Patharkandi PHC/ Bazaricherra PHC/Nagrabazar MPHC) ?

b) If not, why and if so, when ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare Department) replied :

a) An amount of Rs. 3.00 lakhs (Rupees three lakhs) in 2000-2001 and Rs. 2.90 lakhs (Rupees two lakhs ninety thousand) in 2001-2002 under PMGY was sanctioned for Patharkandi PHC. Further, an amount of Rs. 15.00 lakhs (Rupees fifteen lakhs) has been sanctioned for

Patharkandi CHC under Border Areas Development Programme (BADP) during 2004-2005.

No fund sanctioned for Bazaricherra PHC and Nagrabazar MPHC during the period.

b) Government will take into consideration when fund is available for the purpose.

বিষয় ঃ- এইড্‌চৰ বিৰুদ্ধে সচেতনতা।

শ্রীৰাজু চাহুয়ে সুধিছে ঃ

১৯৩। **মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) তিনিচুকীয়া আৰু ডিব্রুগড় জিলাত এইড্‌চৰ বিৰুদ্ধে সচেতনতা জগাই তোলাৰ বাবে স্বাস্থ্য বিভাগৰ কিবা আঁচনি আছে নেকি ?

খ) যদি আছে, তেন্তে জিলা দুখনলৈ উক্ত আঁচনিৰ বাবে কিমান ধন আৱণ্টন দিয়া হৈছে ?

গ) জনসাধাৰণৰ জ্ঞাতাৰ্থে এইড্‌চ সম্পৰ্কে কেনে ধৰণৰ প্রচাৰ চলোৱা হৈছে?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হয় আছে। ৰাষ্ট্রীয় এইড্‌চ নিয়ন্ত্রণ আঁচনিৰ অধীনত তথ্য, শিক্ষা আৰু যোগাযোগ শিতানত, অসম ৰাজ্যিক এইড্‌চ নিয়ন্ত্রণ সমিতিয়ে সমগ্র অসমত এইড্‌চৰ বিৰুদ্ধে সচেতনতা জগাই তোলাৰ বাবে বিস্তৃত্ব কার্য্যসূচী ৰূপায়ণ কৰি আছে। অসমৰ অন্য জিলাসমূহৰ লগতে তিনিচুকীয়া আৰু ডিব্রুগড় জিলাতো নিম্নলিখিত ধৰণে এই কার্য্যসূচী ৰূপায়ণ কৰি থকা হৈছে।

১। ছপা মাধ্যমৰ যোগেদি

২। দেৱাল লিখন আৰু জিলা দুখনৰ গুৰুত্বৰ পূর্ণ স্থানত হৰ্ডিং স্থাপন কৰা হৈছে।

৩। ইলেক্ট্রনিক মাধ্যমৰ যোগেদি।

৪। ভ্রাম্যমান থিয়েটাৰৰ জড়িয়তে।

৫। পঞ্চায়ত কার্য্যসূচীৰ যোগেদি।

৬। মহিলাৰ বাবে বিশেষ সজাগতা অভিযান।

৭। হটলাইন সেৱাৰ জড়িয়তে।

৮। পৰিয়াল স্বাস্থ্য সজাগতা অভিযান।

৯। কেতবোৰ বিশেষ বিশেষ স্থানত সভা-সমিতি অনুস্থিত কৰি।

খ) উক্ত আঁচনিসমূহৰ বাবে ব্যয় কৰা ধনৰ পৰিমাণ এনে ধৰণৰ —

ডিব্রুগড় জিলাত ঃ

২০০০-২০০১ ত - ২২,৬৫,১২৫ টকা (আনুমানিক ব্যয়)

২০০১-২০০২ ত - ১৩,৭২,২০০ টকা (আনুমানিক ব্যয়)

২০০২-২০০৩ ত - ৪১,৩৫,৪২০ টকা (আনুমানিক ব্যয়)

২০০৩-২০০৪ ত - ৩১,৭৯,৬০৬ টকা (আনুমানিক ব্যয়)

২০০৪-২০০৫ ত - ৪৮,৭২,৮৬৪ টকা (আনুমানিক ব্যয়)

তিনিচুকীয়া জিলাত ঃ

২০০০-২০০১ ত - ৪,৩৫,০০০ টকা (আনুমানিক ব্যয়)

২০০১-২০০২ ত - ৩,৯২,২০০ টকা (আনুমানিক ব্যয়)

২০০২-২০০৩ ত - ১৮,৭৫,৯২০ টকা (আনুমানিক ব্যয়)

২০০৩-২০০৪ ত - ২৩,১৫,৪০০ টকা (আনুমানিক ব্যয়)

২০০৪-২০০৫ ত - ২৭,৯৬,৩১৬ টকা (আনুমানিক ব্যয়)

গ) প্রশ্নোত্তৰ 'ক' ত উল্লেখ কৰা হৈছে।

বিষয় ঃ- প্রাথমিক স্বাস্থ্য কেন্দ্র স্থাপন।

শ্রীসর্বানন্দ চৌধুৰীয়ে সুধিছে ঃ

১৯৪। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) সংখ্যালঘু অধ্যুষিত অতিকৈ পিছপৰা অঞ্চল ভৱানীপুৰ সমষ্টিৰ অন্তর্গত মাজগাওঁ অঞ্চলত P.H.C. এখন স্থাপন কৰাৰ বাবে ৰাইজে কৰা দাবী

সম্পর্কে চৰকাৰ অৱগতনে ? যদি অৱগত, মাজগাৱঁত অনতিপলমে এখন ডাক্তৰখানা স্থাপন কৰাৰ পৰিকল্পনা আছেনে? যদি আছে, কেতিয়া কাম আৰম্ভ হ'ব ?

খ) স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত খালী হৈ থকা পদসমূহ সোনকালে পূৰণ কৰাৰ ব্যৱস্থা কৰিছেনে ?

গ) R.C.H. Programme ৰ অধীনত ২০০০ চনতে Laboratory Technician GNM আৰু ANM ৰ চাকৰিত কিছু প্ৰাৰ্থীক মকৰল দিয়া হৈছিল যদিও ৩১-৩-০৫ চনত সেইসকলক Discontinue কৰাৰ নিৰ্দ্দেশ দিয়াটো সঁচানে ? যদি সঁচা, এইসকল Retrenched ব্যক্তিক পুনৰ মকৰল দিয়াৰ কিবা ব্যৱস্থা কৰা হৈছেনে? যদি হোৱা নাই, কেতিয়া কৰিব ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ বাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) মাজগাওঁ অঞ্চলত PHC স্থাপনৰ বাবে ৰাইজে দাবী কৰি আহিছে। যথা সময়ত বিবেচনা কৰা হ'ব।

খ) স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগত খালী হৈ থকা ৩য় আৰু ৪র্থ শ্রেণীৰ পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা লৈ থকা হৈছে। বিত্ত বিভাগৰ অনুমোদন পালে পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা ল'ব পৰা যাব।

গ) এইসকল লোকক RCH Programme ৰ অধীনত contract basis ত নিয়োগ কৰা হৈছিল। যোৱা ৩১ মার্চ তাৰিখৰ পৰা কেন্দ্রীয় চৰকাৰৰ RCH Programme উঠি যোৱা বাবদ তেওঁলোকক আতৰাই দিব লগীয়া হয়। এনেকুৱা ব্যক্তিয়ে ভৱিষ্যতে চাকৰি ওলালে অৰ্হতাৰ ভিত্তিত অন্যান্যসকলৰ লগত তেওঁলোকৰ নিয়োগৰ বিষয়ে বিবেচনা কৰিব পৰা যাব।

বিষয় ঃ- পশু চিকিৎসালয় মেৰামতি।

শ্রীশৰৎ শইকীয়াই সুধিছে ঃ

১৯৫। **মাননীয় পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) শিৱসাগৰ জিলাৰ মাহমৰা বিধান সভা সমষ্টিৰ অন্তর্গত পশু চিকিৎসালয়সমূহৰ

বাবে ঘৰ-দুৱাৰ মেৰামতিৰ ব্যৱস্থা কৰিছে নেকি আৰু ২০০১ চনৰ পৰা আজিলৈকে এই চিকিৎসালয়সমূহৰ বাবে বিভাগৰ পৰা কিমান টকাৰ আৱণ্টন দিছিল আৰু ঔষধ-পাতি, চিকিৎসক ও কৰ্মচাৰীসকলৰ নিয়মীয়া যোগান আৰু উপস্থিতি কেনে আছিল, বৰ্ত্তমান কিমানজন চিকিৎসক এই চিকিৎসালয়সমূহত আছে ? (তালিকা সদনৰ মেজত দিব)

খ) গড়গাওঁ গাওঁ পঞ্চায়ত এলেকাত নির্মিত ভোগবাড়ী পশু চিকিৎসালয়খন মুকলি কৰাৰ বিষয়ে কিবা চিন্তা কৰিছেনে ? এই চিকিৎসালয় নির্মাণ কৰোতে কিমান ধন আৱণ্টন দিছিল আৰু ইয়াৰ চাৰিসীমা বনাবৰ বাবে কিবা ব্যৱস্থা কৰিবনে ?

গ) কাকতিবাৰী গাওঁ পঞ্চায়ত এলেকাৰ ভলুকাগুৰি পশু চিকিৎসালয়খন আৰু মিলন গাওঁ পঞ্চায়তৰ কছুমাৰী আৰু মৰাণ নগৰত অৱস্থিত চিকিৎসালয় কেইখনৰ উন্নতিৰ কাৰণে কিবা আঁচনি চৰকাৰে লৈছে নেকি ?

ঘ) মৰাণ নগৰত প্রতিষ্ঠা কৰা কণী, মাংস, গাখীৰ আদি বিক্রী কেন্দ্রটো বন্ধ হৈ থকাৰ কাৰণ কি ?

ঙ) কেন্দ্রীয় চৰকাৰৰ আঁচনিৰ অধীনত বৰ্ত্তমান নিবনুৱা সমস্যা দূৰীকৰণৰ কাৰণে পশুপালন বিভাগৰ মাহমৰা সমষ্টিৰ বাবে ডাঙৰ আঁচনি ল'বনে ?

চ) "সোণালী গাই" আঁচনিখনৰ অধীনত মাহমৰা সমষ্টিত প্রভাৱ পেলাবলৈ বিভাগে কিবা আঁচনি লৈছেনে ?

শ্রীগোবিন্দ চন্দ্র লাংথাছা (পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) মাহমৰা বিধান সভা সমষ্টিৰ অন্তর্গত পশুচিকিৎসালয়সমূহৰ ঘৰ-দুৱাৰৰ মেৰামতিৰ কাম ধনৰ অভাৱত হাতত ল'ব পৰা হোৱা নাই যদিও, বিশ্ববেংকৰ অর্থ সাহায্যত প্রয়োজন ভিত্তিত মৰাণহাট পশুচিকিৎসালয়, সোণাৰি উন্নয়ন খণ্ড পশুচিকিৎসালয়, মথুৰাপুৰ পশুচিকিৎসালয় আৰু কাকতিবাৰী পশুচিকিৎসা উপকেন্দ্রৰ মেৰামতি কৰা হয়। প্রতিটো কেন্দ্রৰ বাবে ২০,০০০.০০ টকাকৈ মুঠ ৮০,০০০.০০ টকা খৰছ কৰা হৈছে। এই কেন্দ্র কেইটাত দৰৱ-পাতি যোগান ধৰা হৈছে আৰু পশুচিকিৎসককে ধৰি অন্যান্য কর্মচাৰীসকলে নিয়মীয়াকৈ সেৱা আগবঢ়াই আহিছে। বৰ্ত্তমান মাহমৰা সমষ্টিৰ অন্তর্গত ৩

খন পশুচিকিৎসালয়ত ২ জন পশুচিকিৎসক আৰু এখন খণ্ড উন্নয়ন পশুচিকিৎসালয়ত এগৰাকী পশু চিকিৎসা সম্প্রসাৰণ বিষয়াই সেৱা আগবঢ়াই আছে।

মাহমৰা সমষ্টিৰ অধীনৰ পশুচিকিৎসানুষ্ঠান সমূহ হৈছে—

১। মৰাণহাট পশু চিকিৎসালয়।

২। মথুৰাপুৰ পশু চিকিৎসালয়।

৩। সোণাৰি উন্নয়ন খণ্ড পশুচিকিৎসালয়।

৪। ঘিলাগুড়ি পশুচিকিৎসা উপকেন্দ্র।

৫। কচুমাৰি পশুচিকিৎসা উপকেন্দ্র।

৬। কাকতিবাৰী পশুচিকিৎসা উপকেন্দ্র।

৭। কেৰোকানি পশুচিকিৎসা উপকেন্দ্র।

খ) গড়গাওঁ গাওঁ পঞ্চায়ত এলেকাৰ অন্তর্গত ভোগবাড়ীত কোনো পশুচিকিৎসালয় নাই তাত এখন চৰকাৰী গাহৰি পামহে আছে। বর্ত্তমান পামখনৰ মেৰামতিৰ কাম সম্পূর্ণ হৈছে আৰু পামত ৫ টা মতা আৰু ২০ জনী উন্নত জাতৰ মাইকী গাহৰি যোগান ধৰা হৈছে। ২০০৩-০৪ বিত্তীয় বর্ষত পামখনৰ মেৰামতিৰ শিতানত ১,৫০,০০০.০০ টকা আৰু উন্নত জাতৰ ২৫ টা গাহৰি কিনাৰ বাবদ ৪২,০০০.০০ টকা খৰছ কৰা হৈছে।

গ) কেৱল মৰাণহাট পশু চিকিৎসালয়ৰ উন্নতিৰ বাবে বিশ্ববেংকৰ অর্থ সাহায্যত ২০,০০০.০০ টকা মেৰামতিৰ বাবে খৰছ কৰা হৈছে। কাকতিবাৰী গাওঁ পঞ্চায়ত এলেকাৰ ভলুকাগুৰি পশুচিকিৎসালয় আৰু মিলন গাওঁ পঞ্চায়তৰ কছুমাৰী চিকিৎসালয়ৰ মেৰামতিৰ বাবে কোনো আঁচনি বর্ত্তমান লোৱা হোৱা নাই।

ঘ) মৰাণ নগৰত প্রতিষ্ঠিত কণী, মাংস, গাখীৰ আদি বিক্রী কেন্দ্রটো বিক্রেতাৰ লগত হোৱা চুক্তিৰ ম্যাদ উকলি যোৱাৰ বাবদ বন্ধ আছে। বিক্রী কেন্দ্রটো পশুধন আৰু হাঁহ -কুকুৰা নিগমৰ অধীনত পুনৰ কার্য্যক্ষম কৰি তোলাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

ঙ) তেনে ডাঙৰ আঁচনি বর্ত্তমান নাই যদিও নিবনুৱা যুৱক-যুৱতী তথা আত্ম সহায়ক গোট সমূহক উদগনি দি তথা নিবনুৱা সমস্যা দূৰীকৰণৰ উদ্দেশ্যে বিশ্ববেংকৰ অর্থ সাহায্যত এখন আঁচনি ৰূপায়ণ কৰা হৈছে।

চ) সোণালী গাই আঁচনিৰ বিষয়ে সম্যক জ্ঞান দিয়াৰ উদ্দেশ্যে শুকুৰবৰীয়া আলোচনা চক্র অনুষ্ঠিত কৰি পশুপালক তথা কৃষক ৰাইজক কৃত্রিম প্রজননৰ জড়িয়তে গো-পালন তথা প্রতি-পালনকে ধৰি সোণালী গাই উৎপাদনৰ বাবে প্রয়োজনীয় সকলো দিশ সামৰি ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰি সুফল পোৱা গৈছে।

বিষয় ঃ- গৃহনির্মাণৰ বাবে ধন আৱণ্টন।

শ্রীমতী কমলী বসুমতাৰীয়ে সুধিছে ঃ

১৯৬। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) ২০০৪-০৫ বিত্তীয় বর্ষত অঙ্গনবাদী কেন্দ্রৰ গৃহ নির্মাণৰ কাৰণে কিমান টকা আৱণ্টন দিয়া হ'ল ?

খ) এই আৱণ্টিত ধনেৰে কেইটা গৃহ নির্মাণ কৰা হ'ব ?

গ) প্রত্যেকটো গৃহ নির্মাণৰ বাবদ কিমান টকা ধার্য্য কৰা হৈছে ?

ঘ) দৰং আৰু ওদালগুৰি জিলাত কোনটো ICDS Project ৰ অধীনত কিমানটা কেন্দ্রৰ গৃহ নির্মাণৰ কাৰণে টকা আৱণ্টন দিয়া হ'ল ? (ICDS Project গৃহৰ সংখ্যা দিব)

শ্রীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ২০০৪-০৫ চনৰ বিত্তীয় বর্ষৰ বাবে কেন্দ্রীয় চৰকাৰৰ পৰা ২৯,৬২,৫০,০০০/- টকা আৱণ্টন পোৱা হৈছে।

খ) ২৩৭০ টা।

গ) ১,২৫,০০০ টকা।

ঘ) তথ্য বিচৰা হৈছে।

বিষয় ঃ হেলথ কেয়াৰ আঁচনিৰ টকা।

শ্রীজামাল উদ্দিন আহমেদে সুধিছে ঃ

১৯৭। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) বিত্তীয় বর্ষ ২০০৫-০৬ ত কৰিমগঞ্জ জিলাত Health care আঁচনিৰ অধীনত কিমান টকা দিয়া হৈছে ?

খ) কৰিমগঞ্জ জিলা ৯৬ টা গাওঁ পঞ্চায়ত আৰু বদৰপুৰ টাউন কমিটিৰ ৪টা ৱার্ড আৰু কৰিমগঞ্জ পৌৰ সভাৰ ২৭ টা ৱার্ডে কত কিমানজন হিতাধিকাৰীক (Beneficiaries) দিয়া হৈছে ? (তথ্য সদনৰ মেজত দিব)

শ্রীগৌতম বয় (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ২০০৫-০৬ বিত্তীয় বর্ষত Health care আঁচনিৰ অধীনত কৰিমগঞ্জ জিলাত বর্ত্তমানে কোনো টকা দিয়া হোৱা নাই।

খ) প্রশ্ন নুঠে।

Sub :- Construction of 30 bedded Hospital.

Shri Rajendra Prasad Singh asked :

198. **Will the Minister of Health & Family Welfare be pleased to state :**

a) Whether the Government had assured to sanction the amount for proposed Bordubi 30 bedded Civil Hospital ?

b) If so, when the construction works will be taken up ?

c) Will the Hon'ble Minister visit this place to expedite the work ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare) replied :

a) & b) Administrative approval was accorded against an esti-

mated amount of Rs. 92.32 lakhs under State Plan Vide Letter No. HLA 593/93/31 dated 31.3.95 for Bardubi 30 bedded Civil Hospital as per report from P.W.D. 11% Physical progress was made with Rs. 5.92 lakhs works could not be progressed due to non-availability of fund.

c) I will explore possibilities for resource mobilisation to complete the work.

বিষয় ঃ পথ, দলং আদি নির্মাণ।

শ্রীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

১৯৯। **মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) গুৱাহাটী মহানগৰীৰ পথ, দলং, নলা আদি নির্মাণৰ নামত বর্তমানলৈকে কিমান ধন খৰছ কৰা হৈছে (যোৱা চাৰিটা বছৰত) ?

খ) এই কামৰ বাবে নিবিদা আহ্বান কৰা হৈছিল নেকি ?

গ) কোন কোন ঠিকাদাৰক এই কামৰ দায়িত্ব দিয়া হৈছে ?

ঘ) মহানগৰীখনৰ ৰাস্তা-ঘাট, নলা-নর্দমা আদি মেৰামতি কৰাৰ বাবদ কিমান ধন যোৱা চাৰিটা বছৰত আদায় দিয়া হৈছে ?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) যোৱা চাৰিটা বছৰত বার্ষিক ভিত্তিত হোৱা খৰচ তলত দিয়া হ'ল।

২০০১-২০০২	=	৯৪০.৩৫ লাখ টকা।
২০০২-২০০৩	=	৮৭০.০১ লাখ টকা।
২০০৩-২০০৪	=	২৩১২.৫১ লাখ টকা।
২০০৪-২০০৫	=	১৭০৭.১৫ লাখ টকা।
মুঠ	=	৫৮৩০.০২ লাখ টকা।

খ) হয়, হৈছিল।

গ) ঠিকাদাৰসকলৰ নাম Annexure 'A' ত উল্লেখ কৰা হৈছে। (See Annexure-XXXVI)

ঘ) যোৱা চাৰিটা বছৰত হোৱা খৰচৰ পৰিমাণ তলত দিয়া হ'ল।

২০০১-২০০২	=	৩৩৩.৩৩ লাখ টকা।
২০০২-২০০৩	=	২৭৭.৯৫ লাখ টকা।
২০০৩-২০০৪	=	৪১০.০২ লাখ টকা।
২০০৪-২০০৫	=	৭৭৩.৭৫ লাখ টকা।
মুঠ	=	১৭৯৫.০৫ লাখ টকা।

বিষয় ঃ সামগ্রী ক্রয়।

শ্রীপবিত্র ডেকাই সুধিছে ঃ

২০০। **মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ২০০৩-০৪, ২০০৪-০৫ আৰু ২০০৫-০৬ বিত্তীয় বর্ষ কেইটাত চৰকাৰে মুঠ কিমান কিমান টকাৰ সামগ্রী কিনিছে ?

খ) সামগ্রীসমূহ কি কি ?

গ) সামগ্রীসমূহৰ প্রতিবিধ সামগ্রী কিমান টকা দৰত কিনা হৈছে ?

ঘ) এনে সামগ্রীৰ বজাৰ দৰ কিমান ?

শ্রীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ২০০৩-০৪ চনত মুঠ ৬৮,০৪,৩৩,১৫৫/- টকা।

২০০৪-০৫ চনত মুঠ ১১৩,৫৬,৪০,০০০/- টকা।

২০০৫-০৬ চনৰ বর্ত্তমানলৈ মুঠ ৩৮,৬৫,৭৭,১৯৪/- টকা।

খ) তথ্য বিচৰা হৈছে।

গ) - ঐ -

ঘ) সামগ্রী প্রত্যক্ষভাৱে বজাৰৰ পৰা ক্রয় কৰা নহয়। অসম চৰকাৰৰ স্বীকৃতি

প্রাপ্ত প্রতিষ্ঠান অসম বেচা-কিনা নিগম আৰু অসম ক্ষুদ্র উদ্যোগ উন্নয়ন নিগমৰ অনুমোদিত হাৰত ক্রয় কৰা হয়।

Sub :- Appointment on Compassionate Ground.

Shri Mission Ranjan Das asked :

201. Will the Minister of Health & Family Welfare be pleased to state :

a) What action has been taken on the representatation dated 18.6.2005 of Shri Sanjoy Das S/o Late Ranadhir Das (Pharmacist) of Karimganj District submitted to the Hon'ble Health Minister for his appointment on compassionate ground to a post of grade-IV due to the death of his father in 1995 ?

b) When his appointment will be made ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare) replied :

a) It is an old case in which Government in the year 1995 accorded approval for appointment.

b) His case will be considered along with similarly situated candidates when appointment is made.

Sub :- Black Topping of Road.

Shri Premodhar Bora asked :

202. Will the Minister of P.W.D. be pleased to state :

a) Is it a fact that the Government has prepared the estimate for Black Topping of the Historical Badati

Jamuguri P.W.D. Road ?

b) If so, please state the estimated amount ?

c) When the construction works of the Road will be started ?

Smti. Ajanta Neog (Minister of State P.W.D.) replied :

a) No.

b) Does not arise.

c) Does not arise.

বিষয় ঃ ৰাস্তা মেৰামতি।

শ্রীদীনেশ চন্দ্র সৰকাৰে সুধিছে ঃ

২০৩। **মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) ধুবুৰী জিলাৰ ধুবুৰী-কছুগাওঁ পথৰ বালাজানৰ পৰা তামাহাটলৈ যোৱা পথছোৱা অত্যন্ত শোচনীয় আৰু বহুতো দ-গাতৰ সৃষ্টি কৰি যাতায়তৰ অসুবিধা হোৱাটো সঁত্যনে ?

খ) যদি সত্য, উক্ত পথছোৱাৰ মেৰমতি কৰাৰ ব্যৱস্থা কৰিবনে ?

গ) ডি. কে. ৰোডৰ FDR/CRF কামৰ ৭৩,৩৯,৫০০/- টকাৰ কামৰ বিল ইতিমধ্যে পৰীক্ষা-নিৰীক্ষা নকৰাকৈয়ে পৰিশোধ কৰি দিয়া হ'লনে ?

শ্রীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) পথছোৱা ক্ষতিগ্রস্থ হৈছে যদিও যান-বাহনৰ চলাচল অব্যাহত আছে।

খ) পদক্ষেপ লোৱা হৈছে।

গ) নাই। কোনো ধৰণৰ ধন আদায় দিয়া হোৱা নাই।

বিষয় ঃ মেলেৰীয়া আক্রান্ত অঞ্চল।

শ্রীসুশীল দত্তই সুধিছে ঃ

২০৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) লামডিং সমষ্টিৰ অন্তর্গত ডেৰাপথাৰ, কাকী, নখুটি, খাগৰীজান, লালমাতি, টঙ্গিয়াত প্রতিবছৰে June মাহৰ পৰা August মাহলৈ Malaria ৰোগত বহুলোক আক্রান্ত হয় আৰু মৃত্যু মুখত পৰে, তাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা ল'বনে ?

খ) চৰকাৰে এই অঞ্চলটো Malaria effected অঞ্চল বুলি ঘোষণা কৰিবনে ?

গ) লামডিং সমষ্টিত ২০০২-২০০৩, ২০০৩-২০০৪, ২০০৪-২০০৫, ২০০৫-২০০৬ চনৰ June মাহলৈকে কিমান মানুহৰ মৃত্যু হ'ল ?

ডাঃ ভূমিধৰ বর্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) প্রশ্নত উল্লেখিত অঞ্চলবোৰত জুন মাহৰ পৰা আগষ্ট মাহলৈকে মেলেৰীয়া ৰোগত বহু লোক আক্রান্ত হয় যদিও ২০০২ চনৰ পৰা ২০০৫ চনৰ জুনলৈকে মেলেৰীয়া আৰু মেলেৰীয়া সদৃশ ৰোগত মুঠ ৬ (ছয়) জন লোকৰ মৃত্যু হয়। বিভাগীয়ভাৱে ক্ষেত্র ভিত্তিক লোৱা ব্যৱস্থাৰ খতিয়ান তলত উল্লেখ কৰা হ'ল—

১। মেলেৰীয়া ক্ষেত্র কর্মীসকলে তেজৰ নমুনা সংগ্রহ কৰি মেলেৰীয়া প্রতিৰোধক দৰৱ দি আছে।

২। D.D.C. (ঔষধ বিতৰণ কেন্দ্র) আৰু F.T.D. (জ্বৰ চিকিৎসা কেন্দ্র)ৰ জড়িয়তে সেই অঞ্চলৰ স্বেচ্ছাসেৱক আৰু বে–চৰকাৰী সংস্থাই বিনামূলীয়াকৈ মেলেৰীয়াৰ দৰব বিতৰণ কৰি আছে।

৩। যোৱা ১৮ এপ্রিল, ০৫ ইং তাৰিখৰ পৰা প্রথম পর্য্যায়ৰ D.D.T. ছটিওৱা কাম সেই অঞ্চলসমূহত কৰি থকা হৈছে।

৪। ইংৰাজী জুন মাহটো মেলেৰীয়া প্রতিৰোধ মাহ হিচাপে অন্যান্য অঞ্চলৰ লগতে সেই অঞ্চলতো স্বাস্থ্য পৰীক্ষা শিবিৰ ও মেলেৰীয়া সজাগতা সভা অনুষ্ঠিত কৰা হয়।

খ) উক্ত অঞ্চলটো মেলেৰীয়া আক্রান্ত অঞ্চল বুলি ঘোষণা কৰাৰ বিষয়ে চৰকাৰে বর্ত্তমান ভবা নাই, যিহেতু উক্ত অঞ্চলত মেলেৰীয়া পৰিস্থিতি বর্ত্তমান

নিয়ন্ত্রনাধীন। অসমৰ কিছুমান অঞ্চলৰ দৰে উল্লেখিত অঞ্চলসমূহো মেলেৰীয়া High Risk অঞ্চল হিচাপে গণ্য কৰা হয় আৰু সেইমতে প্ৰতিৰোধ ব্যৱস্থা লৈ থকা হৈছে।

গ) ২০০২-২০০৩ চনৰ পৰা ২০০৫-২০০৬ চনৰ জুন মাহলৈকে লামডিং সমষ্টিত মেলেৰীয়া তথা মেলেৰীয়া সদৃশ ৰোগত মুঠ ৬ (ছয়) জন লোকৰ মৃত্যু হয়। বছৰ অনুযায়ী মৃত্যুৰ পৰিসংখ্যা তলত উল্লেখ কৰা হ'ল —

বছৰ	মৃত্যু		মুঠ মৃত্যুৰ সংখ্যা
	মেলেৰীয়া	মেলেৰীয়া সদৃশ ৰোগত	
২০০২	নাই	নাই	
২০০৩	১ জন	৩ জন	৪ জন
২০০৪	১ জন	নাই	১ জন
২০০৫	১ জন	নাই	১ জন
		মুঠ	৬ জন

বিষয় ঃ কাঠৰ দলং পকীকৰণ।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

২০৫। **মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) গড়কাপ্তানী বিভাগৰ অধীনত থকা কাঠৰ দলংসমূহ কেতিয়া পকীকৰণ কৰা হ'ব ?

খ) যোৱা বিত্তীয় বৰ্ষত কাঠৰ দলঙৰ মেৰামতিৰ নামত মুঠ কিমান টকা ব্যয় কৰা হ'ল আৰু কিমানখন কাঠৰ দলং ইয়াৰ জড়িয়তে যাতায়তৰ সূচল কৰা হ'ল? (জিলা ভিত্তিত টকাৰ পৰিমাণ সহ বিতং তথ্য দাখিল কৰিব)

গ) যোৱা বিত্তীয় বৰ্ষত বৰপেটা জিলাত কিমানখন কাঠৰ দলং মেৰামতি কৰা হ'ল? (নাম সহকাৰে টকাৰ পৰিমাণ সদনৰ মেজত দাখিল কৰিব)

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) পৰ্য্যায়ক্ৰমে পকীকৰণৰ কাম কৰি থকা হৈছে।

খ) যোৱা বিত্তীয় বর্ষত কাঠৰ দলং মেৰামতিৰ নামত FDR (CRF) শিতানত প্রত্যক্ষভাৱে কোনো পুঁজিৰ মঞ্জুৰী পোৱা হোৱা নাই যদিও পথ আৰু কাঠৰ দলংৰ মেৰামতিৰ বাবদ উক্ত শিতানত সর্ব্বমুঠ ১০১৪৯.৭৬৮ লাখ টকা মঞ্জুৰীৰ বিপৰীতে ৮৯৭.০৫ লাখ টকা ৰাজহ বিভাগৰ পৰা আৱণ্টন পোৱা হৈছে। (সংমণ্ডল ভিত্তিত মঞ্জুৰী পোৱা ধনৰ তালিকা অনুৱদ্ধ 'ক' (Annexure-A) ত সংলগ্ন কৰা হ'ল। তদুপৰি যোৱা বিত্তীয় বর্ষত ৰাষ্ট্রীয় ঘাইপথৰ অন্তর্গত কোকৰাঝাৰ জিলাত এখন, নলবাৰী জিলাত এখন আৰু গোলাঘাট জিলাত এখন কাঠৰ দলং মেৰামতিৰ বাবদ মুঠ ৮৯.৪২ লাখ টকা ব্যয় কৰা হৈছে। (See Annexure-XXXVII)

গ) যোৱা বিত্তীয় বর্ষত ৰৰপেটা জিলাত মুঠ ৩৫ খন কাঠৰ দলং মেৰামতি কৰা হৈছে। (বিশদ বিৱৰণ ইয়াৰ সৈতে অনুৱদ্ধ 'খ'ত সন্নিবিষ্ট কৰা হ'ল) (See Annexure -XXXVIII)

Sub :- Orang C.H.C.

Shri Karendra Basumatary asked :

206. Will the Minister of Health & Family Welfare be pleased to state :

a) Whether the power and functions of Health & Family Welfare Department have been transferred to BTAD ?

b) If not, who is looking after the works of the Department in BTAD ?

c) Has construction work of the orang C.H.C. (30 bedded hospital) been completed for inauguration ?

d) Whether the Government has sanctioned the posts of Doctors and staff for orang C.H.C. in Mazbat L.A.C. ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare) replied :

a) The Health & Family Welfare is a transferred subject and it has been formally handed over to BTAD. However, the process of transfer has not been fully completed.

b) The existing officials having juridiction earlier over the areas now falling under BTAD are looking after the works.

c) The construction of Orang CHC is completed except few minor things and supply of furniture and equipments.

d) It is under process.

Sub :- Post of A.N.M. / G.N.M.

Shri Monilal Gowala asked :

207. **Will the Minister of Health & Family Welfare be pleased to state :**

a) Whether the Government knows that a large nos. of posts of A.N.M. / G.N.M. have been lying vacant against the F.W. Sub-Centre ?

b) Whether the Government also knows that a good nos. of trained A.N.M. / G.N.M. who have not got employment ?

c) If so, would the Government take step for filling up vacancies of A.N.M. & G.N.M. shortly ?

Dr. Bhumidhar Barman (Minister of Health & Family Welfare) replied :

a) The State Government is aware.

b) Yes, the Government is aware.

c) The appointments of about 300 ANM and 50 GNM have been held up due to Court Cases in Hon'ble High Court. The Government also proposes to engage a large number of ANM on contract basis under centrally sponsored RCH programme and necessary advertisement has been made to that effect.

বিষয় ঃ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়।

শ্রীৰাজু চাহুয়ে সুধিছে ঃ

২০৮। **মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) অসমত থকা ব্যক্তিগত খণ্ডৰ চিকিৎসালয় সমূহে ৰোগীসকলক চিকিৎসা কৰোতে নিজ খেয়াল খুচি মতে ধন দাবী কৰাটো চৰকাৰ অৱগতনে ?

খ) যদি অৱগত, তেনেহ'লে ইয়াক ৰোধ কৰিবলৈ চৰকাৰৰ হাতত আইনৰ কিবা ব্যৱস্থা আছে নেকি ?

গ) যদি আছে ব্যৱস্থা সমূহ কি কি ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) অসমত থকা ব্যক্তিগত খণ্ডৰ চিকিৎসালয় সমূহত Uniform Charge নথকাটো সঁচা। বিষয়টো চৰকাৰৰ পৰীক্ষাধীন হৈ আছে। খেয়াল খুচি মতে ধন দাবী কৰাৰ কোনো লিখিত অভিযোগ নাই।

খ) বৰ্তমান থকা আইনৰ ব্যৱস্থা পর্য্যাপ্ত নহয়। চৰকাৰে Health Establishment আৰু Act, 1995 ৰ অধীনত rule প্রণয়ন কৰাৰ বিষয়ে পৰীক্ষা নিৰীক্ষা কৰি থকা হৈছে।

গ) - ঐ -

Sub :- Nutan Kanchanpur Bridge.

Shri Bimolangshu Roy asked :

209. Will the Minister of P.W.D. be pleased to state :

a) Why the Nutan Kanchanpur Bridge over river Gagra in LA 9 (Silchar) Constituency sanctioned under RIDF has not yet commenced ? when the work will be commenced and completed ? who has been entrusted for the job ?

b) Why the work of Annual Plan for a sum of Rs. 25 Lacs promised to be sanctioned for LA 9 by the Hon'ble Minister, PWD in the last Budget Session has not seen the light of the day? What is the present status? Will the work be executed before the tenure of the Government? What is the total sum allocated for the state under Annual Plan in the year 2004-05 ? What was in 2003-04 ?

c) What is the status of CM's Path Pakikaran Scheme in LA 9 & how much fund have been allocated in 2004-05 and 2005-06 ?

d) What is the present status of PMGSY Schemes in Assam ? What are the road and fund allocated in Cachar district Constituency-wise ?

Shrimati Ajanta Neog (Minister of State, PWD) replied :

a) The work of RCC Bridge No. 2/1 on Natun Kanchanpur Bridge was sanctioned under RIDF-IX and work has already been started. Target date of completion of work as per formal work order is 11.05.07. The work alloted to Sri Mayur Talukdar, contractor.

b) The scheme for Rs. 25.00 Lakhs was not sanctioned during 2004-05. However, 18 (eighteen) Nos. of schemes under Silchar LAC were sanctioned during 2004-05 for Rs. 329.91 Lakhs, which are now under execution.

Total sum allocated for Annual Plan :

2003-04 = 4612.79 Lac

2004-05 = 5704.22 Lac

c) 2 (two) nos. of road viz. (a) Saratapally Uttarachal Kanakpur Road (b) Gorakuripar Kathal Road having length 2.5 + 2.5 Km. with an estimated amount of Rs. 128.57 lacs under Silchar LAC has been taken up (MPNA Package No. 9) Present Progress is 19%.

A sum of Rs. 72.00 crore has been allocated for the year 2004-05 under MPNA. An additional fund of Rs. 70.00 crore has been earmarked under A.P. 2005-06.

d) Status of PMGSY schemes are enclosed at Annexure-"A" constituency wise fund allocation in Cachar District enclosed at Annexure-"B" (See Annexure-XXXVIX)

বিষয় ঃ সচল পানী যোগান আঁচনি।

শ্রীজামাল উদ্দিন আহমেদে সুধিছে ঃ

২১০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) বদৰপুৰ সমষ্টিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিশুদ্ধ খোৱাপানী যোগান আঁচনি আজিলৈকে কেইটা চলি আছে ?

খ) বদৰপুৰ সমষ্টিৰ বড়তল পানী যোগান আঁচনি কিমান চনত Sanction কৰা হৈছিল ?

গ) এই আঁচনিৰ কাম আৰম্ভ হৈছে নেকি ?

ঘ) যদি আৰম্ভ হোৱা নাই, তেনেহ'লে কেতিয়া আৰম্ভ হ'ব ?

শ্রীদীনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) বদৰপুৰ সমষ্টিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত ১৭ টা বিশুদ্ধ খোৱা পানী যোগান আঁচনি বৰ্তমান চলি আছে।

খ) বদৰপুৰ সমষ্টিৰ বৰথল (বড়তল) পানী যোগান আঁচনিখন ১৯৯৭ চনৰ ফেব্রুৱাৰী মাহত ARP ৰ অধীনত Sanction (Administrative Approval) কৰা হৈছিল।

গ) এতিয়ালৈকে এই আঁচনিত কাম আৰম্ভ হোৱা নাই।

ঘ) যদিও ১৯৯৭ চনত আঁচনিখন মঞ্জুৰী দিয়া হৈছিল। ২০০২ চনৰ নবেম্বৰ মাহতহে আঁচনিৰ যাৱতীয় মাটি অধিগ্রহণ পোৱা হৈছে। ইয়াৰ উপৰি পানীৰ উৎস চিনাক্তকৰণত বিলম্ব হোৱা বাবে উক্ত আঁচনিখন নতুনকৈ প্রাক্কলন প্রস্তুত কৰি যাৱতীয় অনুমোদনৰ ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ সংৰক্ষিত আসনত নাম ভর্তি।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

২১১। **মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

ক) M.B.B.S. Course ২০০৫ বৰ্ষত অধ্যায়নৰ বাবে চিকিৎসা মহাবিদ্যালয় (তিনি) খনত চাহ ও প্রাক্তন চাহ জনজাতীয় লোকৰ বাবে সংৰক্ষিত আসন কেইখনত অ-চাহ জনজাতীয় ছাত্র-ছাত্রী কেইগৰাকীমান ভুৱা প্রমাণ পত্রৰে দখল কৰাৰ বিষয়ে চৰকাৰ অৱগতনে ?

খ) যদি অৱগত, উক্ত অ-চাহ জনজাতীয় Student কেইজনৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হ'ব ?

গ) দুলীয়াজান সমষ্টিৰ কৃতী ছাত্রী শ্রীমতী নিজৰা কুৰ্মী H.S.S.L.C. (Sc.) Exam ত ৭০.২২ (সত্তৰত ই Tea & Ex-tea Tribe সম্প্রদায়ৰ সর্বোচ্চ

নম্বৰ) পোৱা সত্বেও চাহ জনজাতীয় লোকৰ বাবে সংৰক্ষিত ৭ খন আসনৰ এখনতো যোগ্য বুলি বিবেচিত নহ'ল কিয় ?

ঘ) উক্ত সংৰক্ষিত আসন কেইখন দখল কৰা ছাত্ৰ-ছাত্ৰীসকলৰ নাম ও পৰিয়ালৰ তালিকা সদনৰ মেজত দাখিল কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) চৰকাৰ অৱগত নহয়।

খ) প্ৰশ্ন নুঠে।

গ) শ্ৰীমতী নিজৰা কুৰ্মীয়ে Councelling ৰ সময়ত জাতিৰ প্ৰমান পত্ৰ দিব নোৱাৰা বাবদ তেওঁৰ নামভতীকৰণ স্থগিত ৰখা হৈছে আৰু তেওঁৰ জাতিৰ বিষয়ে জিলা প্ৰশাসনৰ পৰা প্ৰতিবেদন বিচৰা হৈছে।

ঘ) উক্ত ছাত্ৰ-ছাত্ৰীসকলৰ নাম, পিতাৰ নাম ও ঠিকনা সদনৰ মেজত দাখিল কৰা হ'ল। পৰিয়ালৰ তালিকা স্বাস্থ্য বিভাগৰ লগত নাই।

বিষয় ঃ আৰ. চি. চি. দলং নিৰ্মাণ।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

২১২। **মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) ধেমাজি জিলাৰ আই চিংগামা থানৰ বুটিকুৰ মাছখোৱা হৈ যোৱা পাইপুলীয়া নৈৰ ওপৰত আৰ. চি. চি. দলং নিৰ্মাণৰ বাবে চৰকাৰে ব্যৱস্থা কৰিছেনে ?

খ) যদি ব্যৱস্থা কৰিছে এই দলং নিৰ্মাণৰ বাবে কিমান পুঁজিৰ খচৰা তৈয়াৰ কৰিছে ?

গ) এই দলংখনৰ নিৰ্মাণ কাৰ্য্য কেতিয়া আৰম্ভ হ'ব ?

শ্ৰীমতী অজন্তা নেওগ (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) উক্ত দলংখন নিৰ্মাণৰ বাবে বৰ্তমানলৈ একো ব্যৱস্থা লোৱা হোৱা নাই।

খ) প্ৰযোজ্য নহয়।

গ) প্ৰযোজ্য নহয়।

Sub :- Water Supply Scheme.

Shri Mission Ranjan Das asked :

213. **Will the Minister of P.H.E. be pleased to state :**

a) Which are the defunct Water Supply Schemes in Karimganj North L.A.C. and from when these are defunct and what are the steps taken for revival of these schemes and from when these will be revived ?

b) What are the latest positions of the proposed/sanctioned schemes at Dharakuna, Kalima, Umapali and Nandanbond ?

c) Whether Government will consider for sanctioning one Water Supply Scheme at village Chebra under Karimganj North L.A.C. ? If so, when and if not, state reasons thereof ?

Shri Dinesh Prasad Goala (Minister of P.H.E.) replied :

a) In Karimganj North L.A.C., two Water Supply Schemes, viz- Panighat Water Supply Scheme and Brahmanssassan Water Supply Scheme are defunct. These two Scheme remained defunct since July, 98 and November, 98 respectively. Due to major technical Snag in the treatment systems etc., the Panighat W/S/S became beyond repairable. Now fresh proposal being planned for revival of the Schemes. A new Brahmanssassan Pt-II W/S/S has been proposed under ARP and technical clearance is already obtained and Administrative Approval is awaited. This will cover the entire command area of the defunct Brahmanssassan W/S/S.

b) Position of proposed/sanctioned Water Supply Schemes

are as follows–

i) Dharakuna W/S/S :- Administrative Approval for this Scheme was accorded in January/2003. Work yet to be started due to non-finalisation of adequate Land. Efforts are being made to finalisation of land matter or priority basis.

ii) Khilma (Kalima) W/S/S, Umapati W/S/S and Nandanbond W/S/S :- Technical clearance in respect of above three schemes was accorded in March/2005. The matter of obtaining Administrative Approval under process and after getting the same work will be started.

c) Village Chebra was originally covered by the spot sources. Most of the spot sources out-lived their life. Accordingly the sources attained the status of not covered habitation as per fresh habitation status survey during, 2003. The fresh status Survey list is under process of re-validation by the Agency deployed by the Government of India, fresh proposal for Piped Water Supply Scheme, if feasible will be considered.

Sub :- Construction of Permanent Bridge.

Shri Premodhar Bora asked :

214. Will the Minister of P.W.D. be pleased to state :

a) It is a fact that the Government has prepared the Estimate to construct the Permanent bridge over Dorang river near the Border of Assam-Arunachal Pradesh ?

b) If so, please state the estimated amount ?

c) Is it true that the foundation stone of this bridge was laid by the Hon'ble Speaker of Assam Legislative Assembly ?

d) When the construction work of this Bridge will be started ?

Shrimati Ajanta Neog (Minister of State, PWD) replied :

a) Yes, the estimate is prepared under RIDF-X of NABARD.

b) Rs. 785.85 Lakhs.

c) Yes.

d) Construction work will be started as soon as necessary sanction received from NABARD.

POINT OF ORDER

* **শ্রীপবিন্দ্র ডেকা** ঃ- মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অফ অর্ডাৰ। ইয়াৰ আগতে অ-বি-বি শিক্ষকসকলৰ লগত আলোচনা কৰি তেওঁলোকৰ সমস্যা সমাধান কৰা হৈছিল। কিন্তু যোৱা কালি নলবাৰী জিলাৰ অ-বি-বি শিক্ষকসকলে ১৫ তাৰিখে আত্মজাহ্ জাব বুলি কৈছে। গতিকে এই পৰিপ্রেক্ষিতত মন্ত্রী মহোদয়ে ব্যৱস্থা গ্রহণ কৰিব লাগে আৰু এটা বিবৃত্তি দিব লাগে বুলি অনুৰোধ জনালো। অর্থাৎ এটা ব্যাখ্যা দাঙি ধৰিব লাগে বুলি অনুৰোধ জনালো।

* **শ্রীৰিপুন বৰা (শিক্ষা মন্ত্রী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পবিন্দ্র ডেকা ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে এই পৰিপ্রেক্ষিতত মই ক'ব বিচাৰিছো যে যোৱা এ-জি-পি চৰকাৰৰ দিনত ইলেকচনৰ আগে আগে জানুৱাৰী মাহত ৭০৬৬ পোষ্টৰ এগেইনষ্টত নলবাৰী আৰু মঙ্গলদৈত অবৈধ এপইণ্টমেন লেটাৰ ইচু কৰে আৰু লগে লগে কেনচেল ও কৰে অবৈধ বুলি জনাৰ পাচত। জেনুইন পোষ্ট আছিল ৫৯০০। গতিকে এতিয়া যিখিনি নিয়োগ প্রার্থীৰ নিয়োগ পত্র কেনচেল কৰা হৈছিল সেই খিনি প্রার্থীয়ে এই কথা কৈছে। এইটো কৰিব পৰা নাযাব। যিহেতুকে ৫ বছৰ আগতে এই নিয়োগ পত্র দিয়া হৈছে।

* Speech not corrected

✱ **শ্রীপানীৰাম ৰাভা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই তাকৰীয়া প্রশ্ন তিনিটা দিছিলো কিন্তু সদনৰ মজিয়ালৈ মাত্র এটাহে আহিল। এই বিষয়ে অধ্যক্ষ মহোদয়ে জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ- এইটো মই চাম।

✱ **শ্রীবৃন্দাবন গোস্বামী ঃ-** অধ্যক্ষ ডাঙৰীয়া, মই আপোনাক সবিনয় অনুৰোধ জনাব বিচাৰিছো। আজি আমি এখন.....।

মাননীয় অধ্যক্ষ ঃ- জি'ৰ আৱাৰটো হৈ লওঁক।

✱ **শ্রীবৃন্দাবন গোস্বামী ঃ-** জি'ৰ আৱাৰৰ আগত আলোচনা কৰিব বিচাৰিছো। আমি এটা নটিচ দিছিলো।

মাননীয় অধ্যক্ষ ঃ- দিছিল। মই পাইছো। কিন্তু তেতিয়া নাহিলেই। মই কুৱেচ্চন আকৌ আৰম্ভ কৰিয়েই দিলো।

✱ **শ্রীবৃন্দাবন গোস্বামী ঃ-** ইয়াৰ পাচত দিব নেকি অধ্যক্ষ ডাঙৰীয়া ?

মাননীয় অধ্যক্ষ ঃ- না, এতিয়া নহয়। এইটোতেই দিব পৰা নহ'ব। এই কাৰণেই যে মেটাৰটো মই চাইছো। ইয়াত হ'ল কি আমাৰ জুদিছিয়াৰী আৰু লেজিচ্লেচাৰৰ এটা পৰম্পৰা আছে। আমি কোনো ক্ষেত্রতে ডাইৰেক্টলি হওক বা ইনডাইৰেক্টলি হওক কোনো জাজৰ এগেইনষ্টত হাইকোর্ট বা চুপ্রিম কোর্টত ডাইৰেক্টলি-ইনডাইৰেক্টলি কেতিয়াও কৰিব নোৱাৰো আৰু সেইটো ক্ষেত্রত যেতিয়া কাৰোবাৰ কোনোৱা জাজ বা কোনোবা যদি ইন্ভল্বমেন্ট থকা দেখো সেইটো মই কেতিয়াও-এলাও কৰিব নোৱাৰিম আৰু সেই কাৰণেই নাই।

(সদনত হুলুস্থুল)

✱ **শ্রীবৃন্দাবন গোস্বামী ঃ-** অধ্যক্ষ ডাঙৰীয়া, গোচৰটোৰ লগত আমাৰ মন্ত্রী জড়িত হৈ আছে।

(সদনত হুলুস্থুল)

মাননীয় অধ্যক্ষ ঃ- মন্ত্রী জড়িত হ'লেও ডাইৰেক্টটো নহয়। এইটো হাইকোর্টৰ কথা।

✱ **শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা মন্ত্রী) ঃ-** এইটো আলোচনা হ'বই নোৱাৰে।

মাননীয় অধ্যক্ষ ঃ- মই কৈছো, ডাইৰেক্টলি-ইনডাইৰেক্টলি কোন জড়িত আছে সেইটো কথা নহয়। কিন্তু তাত জড়িত হৈ আছে এজন জার্জ। গতিকে সেইটো ক্ষেত্রত নাই। সেইটো উচ্চন্যায়ালয়ে তেওঁলোকে চাব। আপোনালোক দিছিলে ৩১৫ আৰু ৩১৬.....।

*** শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা মন্ত্রী)** ঃ- এইটো এনচাৰ কুৰেচ্ন আৱাৰ চলি আছে।

Mr. Speaker : I have received as many as twelve Zero Hour Notices from the Hon'ble Members, Shri Sarvananda Choudhury, Dr. Idris Ali, Shri Prafulla Kumar Mahanta, Shri Karendra Basumatary, Shri Motindra Basumatary, Shri Madan Kalita, Shri Nilamoni Sen Deka, Shri Pani Ram Rabha, Smti. pramila Rani Brahma, Shri Hemendra Nath Brahma, Shri Matindra Basumatary, Shri Karendra Basumatary, shri Premodhar Bora, Shri Pranab Kalita, Shri Pabindra Deka, Shri Bimolangshu Roy, Shri Mission Ranjan Das, Shri Ranjit Dutta, Shri Sushil Dutta, Shri Brindaban Goswami, Shri hitendra Nath Goswami, Shri Dilip Kumar Saikia, Shri Sahidul Alam Choudhury, Shri Babul Das.

I have selected 3 Notices as per Rules.

(সদনত হুলস্থুল)

না, সেইটো দিব নোৱাৰো। এটা কথা হ'ল যে আপোনালোকে ৩১৫ আৰু ৩১৬ ত দিলে আৰু ৩১৫,৩১৬ মানে কুৰেইচন আৱাৰ। কুৰেইচন আৱাৰ অলৰেডি পাৰ হৈ গ'ল আৰু যিহেতু মই মেটাৰটো ভালকৈ চাইছো, ডাইৰেক্টলি কোনো মন্ত্রী বা কোনোবা ইনভল্বব আছে সেইটো কথা নহয়। কথা হ'ল যে ইয়াত এজন জার্জ ইনভল্বদ। গতিকে এইটো ক্ষেত্রত আমি কেনেকুৱা আলোচনা কৰো ডাইৰেক্টলি অথবা ইনডাইৰেক্টলি। এইটো জুদিচিয়াৰী মেটাৰ। তেওঁলোকে যদি.....।

*** শ্রীহিতেন্দ্র নাথ গোস্বামী** ঃ- পবিত্রতা ৰক্ষা হ'ব লাগিব। মাটি যিখিনি এলটমেন্ট দিছে ২৯ তাৰিখে, অর্ডাৰ দিছে ১ তাৰিখে। এই দুদিনৰ কথাটো লৈ পেলাই.....। (সদনত হুলস্থুল)

মাননীয় অধ্যক্ষ ঃ- এইটো হাইকোর্টে চাব।

** Speech not corrected*

✱ শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ- হাইকোর্টৰ পবিত্রতা ৰক্ষা কৰিব লাগিব।

মাননীয় অধ্যক্ষ ঃ- সেইটো তেওঁলোকৰ কথা।

✱ শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্রমা মন্ত্রী) ঃ- সেইটো আমি আলোচনা কৰাই নাই।

Mr. Speaker :- It is not our concern. It is their duty to look after it. Now, I call upon Hon'ble Member, Smti Pramila Rani Brahma, Shri Hemendra Nath Brahma Shri Matindra Basumatary and Shri Karendra Basumatary, to raise their Zero Hour Motion which was published in "The Amar Asom" dated 20-07-2005 under the caption– "প্রধান সচিব অবিহনে চলিছে বি-টি-এ-ডি নাই কোনো সচিব-সঞ্চালক চৰকাৰৰ ভূমিকাত ক্ষোভ, ৰাজ্যপালক অভিযোগ।

Now, Smti Pramila Rani Brahma.

শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম ঃ- মাননীয় অধ্যক্ষ মহোদয়,

(সদনত হুলস্থুল)

মাননীয় অধ্যক্ষ ঃ- না না মই এইটো নিদিওঁ। মই এইটো দিব নোৱাৰো। এইটো কেনেকুৱা হ'ব।

(সদনত হুলস্থুল)

We cannot discuss the conduct of any Judge directly or indirectly what ever may be. The constitution provision is clearly..... It is their duty.

✱ শ্রীবৃন্দাবন গোস্বামী ঃ- মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি নিদিয়ে আমি সদনত ভাগ ল'ব নোৱাৰো। ইয়াত হাইকোর্টৰ পবিত্রতাৰ কথা আছে। গতিকে এইটো ডাঙৰ কথা।

(সদনত হুলস্থুল)

(এ-জি-পি আৰু বি-জে-পি দলৰ সদস্যসকলে সদন ত্যাগ কৰে)

✱ Speech not corrected

DISCUSSION ON ZERO HOUR MATTER

Mr. Speaker :- Now, I call upon Smti Pramila Rani Brahma, Shri Hemendra Nath Brahma, Shri Matindra Basumatary and Shri Karendra Basumatary to raise their Zero Hour Motion which was published in "The Amar Asom" dated 20.7.2005 under the caption– প্রধান সচিব অবিহনে চলিছে বি. টি. এ. ডি.। নাই কোনো সচিব, সঞ্চালক— চৰকাৰৰ ভূমিকাত ক্ষোভ, ৰাজ্যপালক অভিযোগ"।

*** শ্রীমতী প্রমীলা বাণী ব্রহ্ম ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা কালিয়েই এটা নোটিচ দিছো আৰু মই ভাবিছো এই বিষয় কেইটাত মাননীয় মুখ্য মন্ত্রী মহোদয়ে দায়িত্ব ললেহে কাম হ'ব বুলি ভাবিছো। আমাৰ ডব্লিউ. পি. টি. বিভাগৰ মিনিষ্টাৰে এই ক্ষেত্রত যদিও বিপ্লাই দিব কিন্তু মুখ্য মন্ত্রীয়ে দায়িত্ব নললে কাম বিলাক নহ'ব। সেই কাৰণে মই আমাৰ ৰেভিনিউ মিনিষ্টাৰকো ধন্যবাদ জনাইছো তেখেতে আমাৰ ক্ষোভবোৰ মুখ্য মন্ত্রী ডাঙৰীয়াক জনাম বুলি কৈছে আৰু এই ক্ষেত্রত মুখ্য মন্ত্রী মহোদয়ে অৱগত হৈ তৎকালীন ব্যৱস্থা গ্রহণ কৰিব বুলি আমি আশা কৰিছো।

অধ্যক্ষ মহোদয়, যোৱা ২০ জুলাই তাৰিখৰ "আমাৰ অসম" কাকতত প্রকাশিত এটা বাতৰিৰ প্রতি মই চৰকাৰৰ দৃষ্টি নিক্ষেপ কৰিব খুজিছো। এই বাতৰিটো এনে ধৰণে প্রকাশ হৈছে যে— "প্রধান সচিব অবিহনে চলিছে বি.টি.এ.ডি. নাই কোনো সচিব, সঞ্চালক— চৰকাৰৰ ভুমিকাত ক্ষোভ, ৰাজ্যপালক অভিযোগ।" এই বিষয়টো অতি চিৰিয়াচ। আজি বি.টি.চি. চুক্তি স্বাক্ষৰিত হোৱা দুবছৰ পাৰ হৈ গ'ল আৰু বি.টি.এ.ডি.ৰ চেয়াৰমেন, কাউন্সিলাৰ আদিৰো নির্বাচন হৈ গ'ল আৰু ইয়াৰ লগে লগে বি.টি.এ.ডি. এলেকাত নতুনকৈ তিনিখন জিলাও গঠন কৰা হ'ল। কিন্তু অতি পৰিতাপৰ কথা যে এই জিলা সমূহত যি ধৰণে বিষয়া কর্মচাৰী নিযুক্তি দি প্রশাসনৰ কাম কাজ নিয়াৰিকৈ চলোৱাৰ ব্যৱস্থা কৰিব লাগিছিল তেনে কোনো ব্যৱস্থা চৰকাৰে লোৱা নাই। সেই কাৰণে এই কথা বিলাক দৃষ্টিগোচৰ কৰাৰ কাৰণে আজি কিছুদিন আগতে পৰিষদৰ উপ-মুখ্য কার্য্যবাহী সদস্য শ্রীচন্দন ব্রহ্মা আৰু কার্য্যবাহী সদস্য শ্রীখাম্পা বৰগয়াৰী সহ কেইজনমান লোকে ৰাজ্যপাল শ্রীঅজয় সিংহক ৰাজভৱনত সাক্ষাৎ কৰি এক দীঘলীয়া আলোচনাত মিলিত হৈ বি.টি.চি. প্রশাসনক শীঘ্রে পূর্ণাঙ্গ ৰূপ দিয়াৰ দাবী তোলে।

অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকর্ষণ কৰি জনাব

** Speech not corrected*

খোজো যে বি.টি.এ.ডি.ৰ ৪ খন জিলাত উপায়ুক্ত, আৰক্ষী অধীক্ষকৰ নিযুক্তি দিয়া হ'ব যদিও আন কোনো প্রশাসনীয় বিষয়া ও কর্মচাৰী নিযুক্তি দিয়া হোৱা নাই। খণ্ড উন্নয়ন কার্য্যলয়সমূহো স্থাপন কৰা হোৱা নাই। বি.টি.এ.ডি.ত আয়ুক্ত সচিব হিচাবে শ্রীহৰিশ সোনোৱালক নিযুক্তি দিয়া হৈছিল যদিও তেখেতক তাৰ পৰা কি কাৰণত বদলি কৰি অনা হ'ল সেইটো আমি বুজি নাপালো। আকৌ পৰিষদৰ অধীনৰ বিভিন্ন বিভাগৰ সচিব সঞ্চালক সমূহৰো নিযুক্তি এতিয়ালৈ হোৱা নাই। ইয়াৰ ফলত চৰম প্রশাসনীয় শূন্যতাত ভোগা পৰিষদখনে কোনো ধৰণৰ আঁচনি ৰূপায়নৰ সিদ্ধান্ত লৈ জাননী জাৰি কৰিব পৰা নাই। গতিকে মই চৰকাৰক পুনৰ অৱগত কৰিব খুজিছো যে প্রশাসনীয় ব্যৱস্থা সুদৃঢ় কৰাৰ কাৰণে অতি সোনাকালে ব্যৱস্থা গ্রহণ কৰিব লাগে। যোৱা কালিও "দৈনিক অগ্রদূত" বাতৰি কাকতত এটা বাতৰি ওলাইছে— "আলফাৰ ধাৰাবাহিক বিস্ফোৰণে ৰাজ্যজুৰি ত্রাসৰ সৃষ্টি কৰাৰ সময়তো সুৰক্ষা ব্যৱস্থাক লৈ তৰুণ গগৈ চৰকাৰ যে অকনো চিন্তিত নহয় তাৰ স্পষ্ট প্রমান পোৱা যায় বি.টি.এ.ডি.ৰ চাৰিওখন জিলা তথা কোকৰাঝাৰত স্থাপিত হোৱা সপ্তম আৰক্ষী বেটেলিয়নলৈ ৰাজ্য চৰকাৰে যোৱা ৪ মাহে মাহেকীয়া বাজেটৰ ধন আৱণ্টন দিয়া নাই।" অধ্যক্ষ মহোদয়, আজি আমাৰ ৰাজ্যখনত আইন শৃংখলা পৰিস্থিতিয়ে যিটো ৰূপ লৈছে তেনে ক্ষেত্রত যদি আৰক্ষী বিভাগটোকে কাম-কাজ চলোৱাৰ কাৰণে যিখিনি নিম্নতম খৰচৰ ধন আৱণ্টন দিব লাগিছিল সেইখিনি নিদিয়াৰ ফলত তেওঁলোকে কি আইন শৃংখলা ৰক্ষা কৰিব পাৰিব সেইটো বৰ চিন্তনীয় বিষয়। গতিকে তেওঁ লোকৰ বাজেটৰ ধনখিনি অতি সোনকালে মোকলাই দিবলৈ মই দাবী জনাইছো।

মাননীয় অধ্যক্ষ ঃ- আজি সময় বৰ কম। মাননীয় সদস্যা গৰাকীয়ে চমুকৈ কওঁক। আৰু কেইবাজনো মাননীয় সদস্যাই কবলৈ বাকী আছে।

*** শ্রীমতী প্রমীলা ৰাণী ব্রহ্ম ঃ-** অধ্যক্ষ মহোদয়, মই আৰু দীঘলীয়া নকৰো। বি.টি.এ.ডি. এলেকাত প্রশাসনীয় সকলো কাম কাজ সুচাৰুৰূপে চলোৱাৰ কাৰণে চৰকাৰে যিখিনি ব্যৱস্থা গ্রহণ কৰিব লাগে সেইখিনি তৎকালে ব্যৱস্থা গ্রহণ কৰিবলৈ আৰু আইন শৃংখলা ৰক্ষাৰ কাৰণে আৰক্ষী বিভাগটোক বাজেটৰ ধন সোনকালে মোকলাই দিয়াৰ ব্যৱস্থা কৰিব বুলি দাবী জনায় মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*** শ্রীহেমেন্দ্র নাথ ব্রহ্ম ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাত মাননীয় সদস্যা শ্রীমতী প্রমীলা ৰাণী ব্রহ্ম ডাঙৰীয়ানীয়ে যিটো বিষয় উত্থাপন কৰিছে সেই বিষয়টো সন্দর্ভতে দুষাৰমান কবলৈ ওলাইছো। বি.টি.এ.ডি.ৰ সম্পর্কত মই কব খোজো যে ইয়াৰ চাৰিখন জিলাত চাৰিজন ডি.চি. নিযুক্তি দিয়া হৈছে যদিও তাত অন্যান্য বিষয়া, কর্মচাৰী বা কার্য্যালয় গৃহ আদিৰ এতিয়ালৈকে কোনো ব্যৱস্থা নোহোৱাত

** Speech not corrected*

প্রশাসনীয় কাম-কাজ চলোৱাত অতি অসুবিধাই দেখা দিছে। আজি ৰাজ্যখনত যি আইন শৃংখলা পৰিস্থিতিয়ে দেখা দিছে তাক চম্ভালিবলৈ উপায় নাইকিয়া হৈ পৰিছে। প্রতিদিনে যি ধৰণে বোমা বিস্ফোৰণ আদি হৈ আছে সেইবোৰ চোৱা চিতা কৰিবলৈ আৰক্ষী বাহিনীটোক নিম্নতম যিখিনি সা-সুবিধা লাগে সেইখিনিও তেওঁলোকে পোৱা নাই। বি.টি.চি. এলেকাৰ চাৰিওখন জিলাৰ আৰক্ষী প্রশাসনে যিখিনি ধন পাব লাগে সেই ধন আজি চাৰি মাহেও পোৱা নাই বুলি অভিযোগ উঠিছে। প্রতিখন জিলাৰ আৰক্ষীয়ে মাহে ২০ লাখকৈ যিখিনি টকা পাব লাগিছিল সেই টকাৰ এটাও নোপোৱা বুলি কৈছে। এইটো যদি অৱস্থা হয় তেনেহ'লে তেওঁলোকে আইন শৃংখলা ৰক্ষাৰ ক্ষেত্রত কি ধৰণে কাম কৰিব সেইটো চিন্তনীয় বিষয়। অনাদায় হৈ থকা হেজাৰ হেজাৰ টকাৰ দাবীত পেট্রল ডিপ আৰু গেৰেজৰ মালিক সকলেও আৰক্ষীক সহায় সহযোগ কৰিবলৈ অসন্মত হৈছে বুলি প্রকাশ পাইছে। গেৰেজৰ মালিকসকলে আৰক্ষীৰ গাড়ী ৰিপেয়াৰ নকৰা হৈছে। সেই কাৰণে মই চৰকাৰৰ দৃষ্টি আকর্ষণ কৰি ক'ব খুজিছো যে বিশেষকৈ আইন শৃংখলা ৰক্ষাৰ কাৰণে এই চাৰিওখন জিলাৰ আৰক্ষীক যিখিনি টকা পইচা মোকালাই দিবলৈ বাকী আছে সেইখিনি সোনকালে মোকালাই দিয়াৰ বাবে দাবী জনাইছো আৰু তাৰ লগতে বি.টি.এ.ডি.ৰ প্রশাসনীয় কাম-কাজ সুচাৰুৰূপে চলোৱাৰ কাৰণে বিভিন্ন বিভাগৰ যি বিষয়া কর্মচাৰীৰ প্রয়োজন আছে আৰু গৃহ আদিবো যি প্রয়োজন সেইখিনি সোনকালে ব্যৱস্থা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰিলো।

*** শ্রীভৰত চন্দ্র নৰহ (অনুসূচীত জাতি, জনজাতি আদি কল্যান মন্ত্রী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাত মাননীয়া সদস্যা শ্রীমতী প্রমীলা ৰাণী ব্রহ্ম ডাঙৰীয়ানীয়ে ২০ জুলাই তাৰিখৰ "আমাৰ অসম" বাতৰি কাকতত প্রকাশিত "প্রধান সচিব অবিহনে চলিছে বি.টি.এ.ডি. নাই কোনো সচিব, সঞ্চালক— চৰকাৰৰ ভূমিকাত ক্ষোভ, ৰাজ্য পালক অভিযোগ" শীর্ষক বাতৰিটো আমাৰ দৃষ্টিগোচৰ হৈছে। মাননীয় সদস্যা গৰাকীয়ে প্রধান সচিবৰ বিষয়টোত যিটো কথা কৈছে সেই ক্ষেত্রত আমি ইতিমধ্যে ব্যৱস্থা গ্রহণ কৰিবলৈ লৈছো আৰু তাৰ কাৰণে বি.টি.এ.ডি.ৰ চি.ই.এম.ৰ লগত আলোচনা কৰি আমি ৫ জন অফিচাৰ চিলেক্ট কৰি দিছো। তাৰে যি কোনো এজনক তেওঁলোকে চিলেক্ট কৰি দিলেই দুই এদিনৰ ভিতৰতে আমি প্রধান সচিবজনৰ নিযুক্তি দিব পাৰিম। ইয়াৰ লগতে অন্যান্য বিভাগ সমূহৰ যিবিলাক কর্মচাৰীৰ পদত নিযুক্তি দিবলগীয়া আছে সেইবিলাক পুৰণ কৰাৰ কাৰণে আমি বিভিন্ন বিভাগক পৰামর্শ দিছো যাতে তেওঁলোকে সোনকালে পদোন্নতি কিম্বা নতুনকৈ পদ সৃষ্টি কৰি হলেও বিষয়া কর্মচাৰীসকলৰ নিযুক্তি সম্পূর্ণ কৰে।

** Speech not corrected*

বি.টি.চিত মুঠ অফিচাৰৰ সংখ্যা কম আছে, অতিৰিক্ত প্ৰধান সচিব এজন উপ সচিব আৰু অবৰ সচিব এজনকৈ আছে। চাৰিখন জিলা আৰু চাব-ডিভিজনত কৰ্মচাৰী সকলৰ গৃহ জিলাৰ কথাটোত প্ৰাইৰৰিটি হিচাবে লোৱা হৈছে। কৰ্মচাৰী দিয়াৰ কাৰণে আমি ব্যৱস্থা লৈছো।

*** শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম** ঃ- ব্যৱস্থা লোৱা স্বত্বেও নিযুক্তি দিয়া নাই, লিষ্টত নাম সোমোৱা নাই।

*** শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ- সোনকালে দিয়াৰ কাৰণে আমি চেষ্টা কৰি আছোঁ।

*** শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম** ঃ- অধ্যক্ষ মহোদয়, আৰক্ষী বিভাগটো বি.টি.চি.ৰ আন্দাৰত নাই, এইটো অসম চৰকাৰৰ তলত আছে। গতিকে বি.টি.চি.ৰ টকাটো সোনকালে মুকলি কৰি দিব লাগে।

*** শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ- এই বিষয়ে গৃহ বিভাগক জনোৱা হ'ব।

Mr. Speaker :- Now, I call upon Hon'ble Member, Shri Prafulla Kumar Mahanta to raise his Zero Hour Motion.

*** শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** ঃ- মাননীয় অধ্যক্ষ মহোদয়, কাছাৰৰ চেনি কলটো বন্ধ হৈ গ'ল। মন্ত্ৰীয়ে দায়িত্ব লোৱাৰ লগে লগে কামপুৰৰটোও বন্ধ হৈ গ'ল। এই মিলকেইটাৰ পুনৰোদ্ধাৰৰ ব্যৱস্থা লোৱা হোৱা নাই। কামপুৰৰ মিলটো বন্ধ হৈ যোৱাৰ কাৰণ হৈছে অৰ্থনৈতিক দুৰৱস্থা, বিষয়াসকলৰ অৱস্থা পানীত হাঁহ নচৰা হৈছে। অৰ্থনৈতিক দুৰৱস্থাই তেওঁলোকক জুৰুলা কৰি পেলাইছে। এই চেনি কলটো কাৰ্বি আংলঙৰ কুহিয়াৰেৰে চলিছিল, স্থানীয় উৎপাদন তাত নাই।

অধ্যক্ষ মহোদয়, ৰুগ্ন উদ্দ্যোগ সমূহ পুনৰজীৱিত কৰাৰ কাৰণে জাতীয় যুৱ পৰিষদে ধৰ্না দি আছে। মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছোঁ কামপুৰৰ চেনি কলটো পুনৰজীৱিত কৰাৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে? তেখেতৰ কাৰ্য্য কালতে এইটো পুনৰজীৱিত হ্ব নে কি? চাকৰিয়ালসকলৰ ভৱিষ্যত কাৰ্য্য পন্থাৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে? এই সকলো বিলাক কথা সদনত জ্ঞাত কৰাৰ কাৰণে মই বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

*** শ্ৰীমিচ বাহুল ইচলাম লস্কৰ (সমবায় বিভাগৰ মন্ত্ৰী)** ঃ- অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াক জনাব বিচাৰিছোঁ যে অসম সমবায়

** Speech not corrected*

খণ্ডত যিবিলাক ইণ্ডাষ্ট্রি আছে তাৰ ভিতৰত এটা মাত্ৰ ইণ্ডাষ্ট্রিহে ভালকৈ চলিছে। সমবায় খণ্ডৰ বাকীবোৰ ইণ্ডাষ্ট্রিৰ অৱস্থা একেই। কামপুৰৰ চেনিকলটো চলাবলৈ ৰ' মেটেৰিয়েল নাই, ৰ' মেটেৰিয়েল কাৰ্বি আলংঙৰ পৰা আনিব লগা হয়। দলং বেয়া হোৱাৰ ফলত তাৰ পৰা ৰ' মেটেৰিয়েল আনিব পৰা নাই।

কামপুৰত অৱস্থিত নগাওঁ সমবায় চেনী কলটো বানপানী আৰু পৰিবহণ ব্যৱস্থা সুচল নোহোৱাৰ বাবে হঠাৎ মিল কৰ্তৃপক্ষই চেনী কলটো বন্ধ কৰি দিয়ে। এই বন্ধ হৈ যোৱা কালচোৱাত চেনীকলৰ যন্ত্ৰ পাতিবোৰ কিছু পৰিমানে বেয়া হ'বলৈ ধৰাত মিল কৰ্তৃপক্ষই মিলৰ মেৰামতিৰ বাবে সিদ্ধান্ত লৈ চৰকাৰৰ ওচৰত আবেদন কৰে। এই আবেদন চৰকাৰে চালি-জাৰি চায়, ২০০৩-২০০৪ বৰ্ষত ৪৫ লাখ টকাৰ অনুমোদন দিয়ে। এই সাহায্যৰে মিল কৰ্তৃপক্ষই মিলৰ মেৰামতিৰ কাম আৰম্ভ কৰে। মিল কৰ্তৃপক্ষই জনোৱামতে মিলৰ মেৰামতিৰ কাম সম্পূৰ্ণ হৈছে। মেৰামতিৰ কাম সম্পূৰ্ণ হোৱাৰ পিচত মিল কৰ্তৃপক্ষই এই মিলটো চলাবলৈ কাৰ্য্যকৰী মুলধন হিচাবে ৭৫.০০ লাখ টকাৰ আৰ্থিক ঋণৰ বাবে অসম সমবায় এপেক্স বেঙ্কক আবেদন কৰে। কৰ্তৃপক্ষৰ আবেদন কাৰ্য্যকৰী নোহোৱাৰ বাবে এই ধনৰ বাবে মিল কৰ্তৃপক্ষই ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগমলৈ আৰ্থিক সাহাৰ্য্যৰ (Working capital) বাবে আবেদন কৰে। এই আবেদন এতিয়া ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগমত বিবেচনাধীন হৈ আছে।

এই সংক্ৰান্তত ডঃ পি. কে. চৌধুৰীৰ অধ্যক্ষতাত যোৱা ৬-৪-২০০৫ তাৰিখে এখন সভা অনুষ্ঠিত হয়। এই সভাৰ অনুমোদন মৰ্মে চৰকাৰৰ ফালৰ পৰাও নগাও সমবায় চেনী কলটো পুনৰুজীবিত (revival) কৰাৰ কাৰণে ৰাষ্ট্ৰীয় সমবায় বিকাশ নিগমলৈ এটা Study team পথোৱাৰ বাবে অনুৰোধ কৰা হৈছে।

ইতিমধ্যে নগাওঁ চেনীকলটোৰ পুনৰুদ্ধাৰৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈ নিম্ন লিখিত ধনসমূহ চেনী কলৰ কৰ্তৃপক্ষলৈ আগবঢ়োৱা হৈছে।

ক) ০৫-০২-২০০৫ - ৫.০০ লাখ টকা

খ) ০১-০৩-২০০৫ - ১০.০০ লাখ টকা

গ) ০৪-০৪-২০০৫ - ১০.০০ লাখ টকা

ঘ) ০৪-০৪-২০০৫ - ১০.০০ লাখ টকা

তাৰোপৰি ইতিমধ্যে নগাওঁ সমবায় চেনী কলৰ কৰ্মচাৰীসকললৈ ২০০৪-০৫ বিত্তীয় বৰ্ষত ২ (দুই) মাহৰ বেতন আদায় দিয়া হৈছে। আৰু এই বিত্তীয় বছৰত চেনীকলৰ

কর্মচাৰীসকললৈ ৬ (ছয়) মাহৰ বাবে সাময়িক সকাহৰ অৰ্থে মাননীয় উচ্চ ন্যায়ালয়ৰ নির্দ্দেশ মর্মে নিম্ন লিখিত ধন সমূহ দিবলৈ চৰকাৰে সিদ্ধান্ত গ্রহণ কৰিছে।

ক) Grade III and above = ২৫০০.০০ টকাকৈ প্রতিমাহে ধৰি ৬ মাহৰ বাবে।

খ) Grade IV and below = ১৫০০.০০ টকাকৈ প্রতিমাহে ধৰি ৬ (ছয়) মাহৰ বাবে।

নগাওঁ সমবায় চেনী কলটোৰ পুনৰুদ্ধাৰৰ বাবে চৰকাৰে চিন্তা চর্চ্চা কৰি সু-ব্যৱস্থা ল'বলৈ সমবায় বিভাগৰ অতিৰিক্ত পঞ্জীয়ক (জেঃ) মহোদয় বা নগাওঁ সমবায় চেনীকলৰ সভাপতি ও পৰিচালন সঞ্চালক হিচাবে নিযুক্তি দিছে।

✱ **ডাঃ অৰ্ধেন্দু কুমাৰ দে** ঃ- অধ্যক্ষ মহোদয়, কামপুৰৰ মিলটোলৈ হোজাই আৰু কার্বি আংলঙৰ পৰা কুহিয়াৰ সংগ্রহ কৰা হয়। হাৰভেষ্টিঙৰ ৪-৫ দিনৰ আগতে ট্রাকবোৰ লড কৰা হয়। নিয়ম মতে সেইবোৰ ৫-৬ দিনৰ ভিতৰত ট্রাকাচ কৰিব লাগে, নহ'লে ৰসটো শুকাই নাইকীয়া হৈ যায়। কামপুৰৰ মিলটোৰ ষ্টলিং ভাল নহয়, এই মিলটোৰ ভায়েবোল কৰিবলৈ হ'লে তাৰ আশে-পাশে কুহিয়াৰ খেতি কৰিব লাগিব। কিন্তু এইটো ভায়েবোল নহ'ব। এই কাৰণেই এইটো লাইনত চিন্তা কৰিব লাগে। অলমোষ্ট পলিটিকেল লাইনত চিন্তা কৰি কামপুৰত এটা মিল কৰা হ'ল।

✱ **শ্রীমিচবাহুল ইচলাম লস্কৰ (সমবায় মন্ত্রী)** ঃ- মানীয় অধ্যক্ষ মহোদয়, এইটো কথা সঁচা। মিলটো বনাওতে চাব লাগিছিল ক'ত কুহিয়াৰ খেতি বেচি হয়। প্রডাকচনৰ ডিচষ্টেন্চটো বেচি হৈছে। তাত এইট পার্চেন্টৰ বেচি প্রডাকচন নহয়। তাত পৰিবহনৰ কচ্ট বেচি পৰে।

✱ **শ্রীহিতেন্দ্র নাথ গোস্বামী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে লোকেচন আৰু ইনিচিয়েটিভ কৰাত ভুল হৈছে বুলি কৈছে। কিন্তু এনেকুৱাও হৈছে য'ত গোটেই অঞ্চলত কুহিয়াৰ খেতি হয় তাতো ফেইল কৰিছে। কামপুৰৰ কাষৰ মাটিতো কুহিয়াৰ খেতি কৰিব লাগে। অকল সেইটোৱেই কথা নহয়। অন্য কিছুমান কথাও চাব লাগিব।

✱ **ডাঃ অৰ্ধেন্দু কুমাৰ দে** ঃ- মাননীয় অধ্যক্ষ মহোদয়, গোস্বামী ডাঙৰীয়াৰ লগত মই আৰু কিছু কথা এড্ কৰিব খুজিছো। কামপুৰৰ কুহিয়াৰৰ যিটো কুৱালিটি সেইটো মিনিমাম কুৱালিটিহে। ডেৰগাঁৱৰ কুহিয়াৰৰ কুৱালিটিও মিনিমাম কুৱালিটি।

✱ **শ্রীহিতেন্দ্র নাথ গোস্বামী** ঃ- ডেৰগাওঁ মিলটো ভায়েবুল।

✱ Speech not corrected

✱ ডাঃ অর্ধেন্দু কুমাৰ দে ঃ- দেৰগাও মিলটো ভায়েবুল হোৱা নাই।

✱ শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ- মাননীয় অধ্যক্ষ মহোদয়, সমবায় খণ্ডত প্রতিষ্ঠিত ডেৰগাওঁ, কামপুৰ, কাচাৰ চেনী কল এই কেইটা উদ্দ্যোগ ৰাইজে নিজে চেষ্টা কৰি প্রতিষ্ঠা কৰে। কামপুৰ চুগাৰ মিলটো আগতে ভায়েবুল আছিল। এতিয়া অৱশ্যে ডায়েবুল নহয় বুলি কলেই নহ'ব। কুহিয়াৰ উৎপন্ন কৰাৰ কাৰণে কি ব্যৱস্থা কৰিছে? আজি কার্বি আংলঙত কুহিয়াৰ খেতি কৰিছে। এক্সট্রিমিষ্টে তাত টেক্স সংগ্রহ কৰিছে। তাত মানুহক গুলিয়াই মাৰিছে। কামপুৰৰ চুগাৰ মিলটো ভায়েবুল। মন্ত্রী ডাঙৰীয়াই মিলটো বনোৱাৰ যিটো কথা কৈছে সেইটো নহয়। খেতিয়কসকলক কুহিয়াৰ খেতি কৰাৰ কাৰণে উৎসাহিত কৰিব লাগিব। আজি মৰিচাচত যদি কুহিয়াৰ খেতি কৰিব পাৰে তেতিয়াহ'লে আমাৰ ইয়াত কিয় কুহিয়াৰ খেতি কৰিব নোৱাৰে। যিটো টেকনিকেল ডিফিকালটি আছে সেইটো নাইকীয়া কৰি সেই উদ্দ্যোগটো সোনকালে কার্য্যক্ষম কৰি তুলিব লাগে।

Mr Speaker :- I would request Hon'ble Member, Shri Pranab Kalita to raise his Zero Hour Motion.

✱ শ্রীপ্রণৱ কলিতা ঃ- মাননীয় অধ্যক্ষ মহোদয়, ২০০৫ চনৰ ৬ আগষ্ট তাৰিখৰ 'অগ্রদূত' কাকতত প্রকাশিত 'ছাত্র শিক্ষকৰ সংঘাটত উতপ্ত গুৱাহাটী', 'ছাত্র শিক্ষকৰ সংঘাটত উতপ্ত গুৱাহাটী কমার্চ কলেজ আৰু দৈনিক অসম কাকতত প্রকাশিত 'নিয়ম একাংশৰ বাবেই গুৱাহাটী কমার্চত আন্দোলন' শীর্ষক বাতৰিটোৰ প্রতি মই উচ্চ শিক্ষা মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিলো। শেহতীয়াভাবে মই কমার্চ কলেজৰ প্রসঙ্গটো এই কাৰণেই উত্থাপন কৰিব বিচাৰিছো যে সেই কলেজখনত কিছুমান উতপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছে। ছাত্র-ছাত্রীসকলে ৩ আগষ্টৰ পৰা কলেজ কর্তৃপক্ষৰ বিৰুদ্ধে আন্দোলন কৰিছে। কমার্চ কলেজত এই যিবিলাকৰ কাণ্ড কাৰখানা সংঘটিত হৈ আছে মই সেইটো মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। সেই কলেজখনত শিক্ষক আৰু ছাত্র-ছাত্রীৰ মাজত সমন্বয় সাধনত ব্যাঘাট জন্মিছে। অসমৰ শিক্ষা জগতত এইটো এটা অশুভ পৰিস্থিতি হৈছে বুলি অভিহিত কৰিব পাৰি। এখন কলেজত ছাত্রই পঢ়িবলৈ যায়। কিন্তু তাত পঢ়াৰ সেই পৰিবেশটো নাইকীয়া হৈছে আৰু এখন যুদ্ধ ক্ষেত্রত পৰিণত হৈছে। আমি সেই সম্পর্কে চিন্তা-চর্চা কৰিব লাগে। আচলতে কলেজত ১০০ টা মান পাঠদান হয়। যিবিলাক ছাত্র-ছাত্রীয়ে নুন্যতম ১০ টা পাঠদানত অনুপস্থিত থাকিব তেওঁলোকক ডিচার্জ কৰিব লাগে আৰু পৰীক্ষাত বহিবলৈ দিব নালাগে। কিন্তু শেহতীয়াভাবে এই ক্ষেত্রত কি ব্যৱস্থা লোৱা হৈছে সেইটো এটা চিন্তনীয় বিষয় হৈ পৰিছে। তাত ইউনিফর্ম প্রচলন কৰা কার্য্যক আমি স্বাগতম জনাবই লাগিব। কি কাৰণত এই ঘটনাটো সংঘটিত হৈছে সেইটো চাব লাগে।

শিক্ষা অনুষ্ঠানৰ ওচৰত নীতি বহির্ভূতভাবে থকা মদৰ দোকানবোৰ চৰকাৰে আজিলৈকে কিয় বন্ধ কৰিব পৰা নাই। বহুতো শিক্ষা অনুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে আধুনিকতাৰ দোহাই দি কলেজত মদ খাই ক্লাচ কৰিবলৈ যায়। বাতৰি কাকত বিলাকত ছাত্ৰ-ছাত্ৰীসকলৰ সেই অশোভনীয় পৰিস্থিতিৰ কথা প্ৰকাশ পাইছে। কিছুমান শিক্ষকো প্ৰত্যক্ষভাবে কিছুমান কু-কার্য্যত জড়িত আছে। কিন্তু তেওঁলোককো শাস্তি দিব পৰা নাই। কিছুমান অনিয়ম কার্য্যত কলেজৰ অধ্যক্ষও প্ৰত্যক্ষভাবে জড়িত আছে। টকাৰ লোভত ছাত্ৰ-ছাত্ৰীসকলৰ বহি পৰীক্ষা নকৰাকৈয়ে পাছ কৰি দিয়াৰ যিটো নিকৃষ্ট প্ৰবণতা সেইটোৱে এক ভৈয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। অৱশ্যে এই বিলাক ক্ষেত্ৰত আইনগত ব্যৱস্থাৰ মাধ্যমৰ মাজেদি চাওতে আমাৰ কিছুমান অসুবিধা হয়। যিসকল ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক এনেকুৱা নিকৃষ্ট কামত জড়িত আছে তেওঁলোকক পোনপটীয়াকৈ শাস্তি দিয়াৰ ব্যৱস্থা কৰিব নে এইটো সন্দেহৰ বিষয়। মই উদাহৰণ হিচাবে এটা কথা ক'ব বিচাৰিছো সেইটো হ'ল এজন ঠেলাৱালাৰ ল'ৰাই শতকৰা ৯০ ভাগ নম্বৰ পাই হাইস্কুল শেষান্ত পৰীক্ষা পাছ কৰি গুৱাহাটী কর্মাচ কলেজত পঢ়িবলৈ আহিছিল। তাত পঢ়িবলৈ আহোতে বাপেকে সেই ল'ৰাজনক এহেজাৰ টকা দি পঠিয়াইছিল। কিন্তু ৰেগিঙৰ নামত কিছুমান ছাত্ৰই সেই ল'ৰাজনৰ পৰা ১ হাজাৰ টকাতো কাঢ়ি লৈ গ'ল। সেই ল'ৰাজনে ১০ কিলোমিটাৰ খোজ কাঢ়ি যেতিয়া ঘৰলৈ দৌৰিছিল তেতিয়া বাপেক-মাকৰ সেই দৃশ্য চাব পৰা অৱস্থা নাছিল। ৰেগিঙৰ নামত বিভৎস অৱস্থাৰ সৃষ্টি হৈছে। কমার্চ কলেজখন সমগ্ৰ অসমৰ ভিতৰতেই এখন আগশাৰীৰ কলেজ। সমগ্ৰ অসমতেই ছাত্ৰ-ছাত্ৰীসকল শৈক্ষিক পৰিবেশত ভীতিগ্ৰস্থ হৈ যাতে শিক্ষা জীৱন আধাতেই শেষ কৰিবলগীয়া নহয় তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। যিহেতু কলেজৰ গভার্ণিং বডিৰ ম্যাদ শেষ হ'ব সেয়েহে অহা টার্নত যাতে মন্ত্ৰী বিধায়কক কলেজৰ গভার্ণিং বডিৰ অধ্যক্ষ বা চেয়াৰমেন নিয়োগ কৰা নহয় তাৰ কাৰণেও মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

* **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, কমার্চ কলেজৰ বিষয়টো টাইমচ্ অব ইণ্ডিয়া কাকতত‌ো প্ৰকাশ পাইছে। ছাত্ৰ-ছাত্ৰীসকলৰ ইউনিফর্মৰ কথা লিখিছে। কলেজৰ ইউনিফর্মৰ কোট নির্দ্দিষ্ট ৫ খন দোকানৰ পৰা কিনিবলৈ কৈছে। যি কেইটা প্ৰতিস্থানক দিয়া হৈছিল তাৰে বনৰাজ নামৰ প্ৰতিস্থানটোৱে ৩৫০ টকাৰ ঠাইত ৫০০ টকা চার্জ কৰিছে। কল্পতৰুৱে ২৫০-৩০০ টকাতে দিব পাৰিম বুলি কৈছিল। এইটো মেনেজিং বৰ্ডে নাকচ কৰিছে। লহকৰ ডাঙৰীয়াই কৈছে এইটো তেওঁলোকৰ নিজা কথা। কলেজৰ ২২ জন ল'ৰাক এক্সপেল কৰা হৈছে বুলি কোৱা হৈছে যদিও ২ জনকহে কৰিছে। এই ক্ষেত্ৰত এটা স্পেচিফিক ৰুল থাকিব লাগে। ইয়াৰ বাবে প্ৰিন্সিপালক নির্দ্দেশ দিব

* *Speech not corrected*

লাগে। কলেজখনত অৰাজকতাৰ সৃষ্টি হৈছে। গুৱাহাটী কমার্চ কলেজ শিক্ষাৰ ফালৰ পৰা অতি উন্নত। বাংগালোৰৰ কমার্চ কলেজতকৈও আমাৰ কমার্চ কলেজৰ মানদণ্ড বহুত ওপৰত। শিক্ষাৰ পৰিবেশ যাতে বিনষ্ট নহয়, যাতে ডিটৰেট নকৰে তাৰ প্রতি লক্ষ্য ৰাখি চৰকাৰে হস্তক্ষেপ কৰাৰ প্রয়োজন আছে। সময় অতিক্রম হৈ গৈ আছে। মেঘালয়ত ছাত্রৰ আন্দোলন হৈছে। ২-৩ দিন ধৰি কার্ফিউ হৈছে। সেই কাৰণে মই কৈছো এই ক্ষেত্রত চৰকাৰে হস্তক্ষেপ কৰক। সময় থাকোতেই কথাটোত গুৰুত্ব দিব লাগে।

*** ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য কলিতা ডাঙৰীয়া আৰু লগতে গোস্বামী ডাঙৰীয়াইয়ো বক্তব্য ৰাখিছে। মই তেখেতসকলক ধন্যবাদ দিছো। অকল কর্মাচ কলেজতে নহয়, বি.এইচ. কলেজতো তলা বন্ধ হৈছে। এই বিষয়ত প্রশাসন, ছাত্র আৰু শিক্ষকসকলৰ লগত আলোচনা কৰিম। ২য়তে মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই সুধিছে, তাৰ উত্তৰত মই কও, ছাত্রসকলকো কৈছো আৰু প্রিন্সিপালকো জনাইছো। ইতিমধ্যে আমি আমাৰ ডাইৰেক্তৰ হায়াৰ এডুকেচন ডাঙৰীয়াক নির্দেশ দিছো। তেখেত সংশ্লিষ্ট সকলোৰে লগত আলোচনা কৰি এই ক্ষেত্রত ব্যৱস্থা কৰিব। আমি ব্যৱস্থা গ্রহণ কৰিম। আইনত থাকিলে এই ঘটনাবিলাক হয়। তাৰ কাৰণে বহুতো ছাত্র-ছাত্রীৰ জীৱন ধ্বংশ হৈছে। এইটো নিৰাময়ৰ কাৰণে আমি গুৰুত্বপূর্ণ ব্যৱস্থা ল'ম।

*** শ্রীদিলীপ কুমাৰ শইকীয়া ঃ-** মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অব্ অর্ডাৰ আছে। আই. এম. ডি. টি. সর্ম্পকে আমি নটিচ দিছিলো। এইটো গুৰুত্বপূর্ণ বিষয়। কিন্তু এই বিষয়টো আজি আলোচনা কৰিবলৈ নাপালে। এই আইন চুপ্রিম কোর্টে বাতিল কৰিছে।

মাননীয় অধ্যক্ষ ঃ- এইটো মই চাইছো। জিৰ' আৱাৰত তিনিটা বিষয় আলোচনা কৰাৰ সুবিধা থাকে। কিবা কথা থাকিলে (হুলস্থুল)— I am concerned with all the matters (Notice) you may agree or not, It is up to you. I cannot allow.

*** শ্রীদিলীপ কুমাৰ শইকীয়া ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি এই পবিত্র সদনত বিষয়টো আপুনি আলোচনা কৰিব নিদিলে। কিন্তু বিষয়টো অত্যন্ত ছিৰিয়াচ। এইটো আলোচনা কৰিব নিদিলে আমি সদন এৰি ওলাই যাম।

*** শ্রীবিমলাংশু ৰায় ঃ-** মাননীয় অধ্যক্ষ মহোদয়, চুপ্রিম কোর্টে ৰায় দিছে। গতিকে আই. এম. ডি. টি.ৰ বিষয়ে আলোচনা হ'ব লাগে। (হুলস্থুল)

*** শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আপুনি তিনিটা দিব পাৰে, তাৰ ওপৰত নোৱাৰে বুলি আমি জানো। আমি আলোচনাৰ সুবিধা দিব বুলি

ভাবিছিলো, কিন্তু আপুনি নিদিলে। ইয়াৰ প্ৰতিবাদত আমি সদন ত্যাগ কৰিম। (হুলস্থুল) (বি.জে.পি. আৰু এ.জি.পি. সদস্যসকলে হুলস্থুল কৰি অধ্যক্ষৰ আসনৰ ওচৰলৈ উঠি যায়।)

*** শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে মাননীয় অধ্যক্ষৰ সিদ্ধান্তক সন্মান নকৰে নেকি। (হুলস্থুল)

মাননীয় অধ্যক্ষ ঃ- এতিয়া আলোচনা কৰিবলৈ দিয়া নহয়। মই আগতেই কৈছো এতিয়া আলোচনা কৰিবলৈ দিয়া নহয়। (হুলস্থুল)

*** শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াৰ প্ৰতিবাদত দিনটোৰ বাবে সদনৰ কাৰ্য্যসূচি বৰ্জন কৰিলো। (বি.জে.পি. আৰু এ.জি.পি. সদস্যসকলে সদন ত্যাগ কৰে।)

CALL ATTENTION NOTICE

Mr. Speaker : Now, Smti Pramila Rani Brahma to call the attention of the Minister, Forests under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Amar Asom' dated 4th August, 2005 under the caption— "মানাহে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি হেকৰাৰ উপক্ৰম।"

*** শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ-** মাননীয় অধ্যক্ষ ডাঙৰীয়া, যোৱা ৪/৮/০৫ ইং তাৰিখৰ 'আমাৰ অসম' বাতৰি কাকতত এটা বাতৰি ওলাইছে। সেই বাতৰিটো মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। অভিজিৎ কাশ্যপ বৰা, তেখেতে বাতৰিটো উলিয়াইছে। হেড লাইনটো হৈছে 'মানাহে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি হেকওৱাৰ উপক্ৰম' এইটো আছে। মানাহ অভয়াৰণ্যক ব্যাঘ্ৰ প্ৰকল্পক সাঙুৰি লৈ ১৯৯২ চনত বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাবে ৰাষ্ট্ৰসংঘই স্বীকৃতি প্ৰদান কৰিছে। কিন্তু আজিলৈকে ব্যাঘ্ৰ প্ৰকল্পক যেনে ধৰণে ৰক্ষণা-বেক্ষণ দিব লাগিছিল তেনেধৰণে চৰকাৰৰ ফালৰ পৰা দিয়া হোৱা নাই। ৰাজ্য চৰকাৰৰ দীৰ্ঘদিনীয়া অৱহেলাৰ বলি হৈয়ে আন্তৰাষ্ট্ৰীয় স্বীকৃতিৰ পৰা মানাহ বঞ্চিত হোৱাৰ দিশত আগ বাঢ়িছে। দুৰ্দশাগ্ৰস্ত হৈ পৰা অভায়াৰণ্যখনৰ দুৰৱস্থাৰ ছবিখন স্পষ্ট হৈ পৰে ২০০৩ চনত চলোৱা পুনৰীক্ষণ প্ৰতিবেদনত। এই প্ৰতিবেদনখন দাখিল হোৱাৰ পিচত ৰাষ্ট্ৰীয় উদ্যানখনৰ অৱস্থা চৰ জমিন অধ্যায়নৰ বাবে ডেভিদ ছেফার্ড আৰু কিশোৰ ৰাওৰ নেতৃত্বত 'ইউনেস্ক' আৰু আই.ইউ.চি.এন.ৰ বিষয়াৰ দল এটা মানাহলৈ আহে।

** Speech not corrected*

বিষয়াৰ দলটোৱে অনুসন্ধান চলাই দাখিল কৰা শেহতীয়া প্ৰতিবেদনৰ ভিত্তিতে ৰাষ্ট্ৰ সংঘই মানাহক 'বিপদাপন্ন বিশ্ব ঐতিহ্য ক্ষেত্ৰ' ৰূপে ঘোষণা কৰি ৰাজ্য চৰকাৰক চাৰি দফীয়া চৰ্ত বান্ধি দিয়ে। ৰাজ্য চৰকাৰৰ হেমাহিত বাধ্য হৈ তেখেতসকলে মানাহক "ওৱাল্ড হেৰিটেজ চাইট ইন ডেঞ্জাৰ" বুলি শ্ৰেণীভুক্ত কৰিছে। এয়া হ'ল 'ওৱাল্ড হেৰিটেজ চাইট'ৰ স্বীকৃতি বাতিল হোৱাৰ প্ৰাথমিক পদক্ষেপ। ১৯৯২ চনত ইউনেস্ক'ৰে বিশ্ব ঐশ্বৰ্য্য ক্ষেত্ৰ'ৰ মৰ্যদা প্ৰদান কৰিছিল। আমাৰ চৰকাৰক প্ৰতিবেদন দাখিল কৰিছিল। কিন্তু আমাৰ চৰকাৰে হেমাহি কৰিছে। ১৪২ টা পদ খালি হৈ আছে, তাৰ কৰ্মচাৰীসকলে অহা যোৱাৰ সুবিধা পাব লাগে। ৰাস্তা ঘাট পুনৰ নিৰ্মাণ কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰে যি ধন দিছে সেইটো সদ্ব্যৱহাৰ কৰিব লাগে। প্ৰতিবেদনত এইবিলাক চৰ্ত দিয়া হৈছিল। কিন্তু ইয়াৰ পিচতো আমাৰ চৰকাৰে অৱহেলা কৰি আছে। মানাহ অভয়াৰণ্যক যে বচাব পৰা যাব এইটো আমি দেখা নাই। দলং আৰু ৰাস্তা পুনৰ নিৰ্মাণৰ কাৰণে এক কোটি টকাৰ পেকেজ দিয়া হৈছিল। সেই পইচা মোকলাই দিয়া হৈছে। তাৰ কাৰণে প্ৰজেক্ট দিয়া হৈছে। গেষ্ট হাউচ ৰিপেয়াৰৰ কাৰণে ১.৫ লাখ টকা মোকলাই দিয়া হৈছে। মানাহ অভয়াৰণ্য সকলোৰে আকৰ্ষণ হ'ব পৰাকৈ চৰকাৰে ব্যৱস্থা হাতত ল'ব লাগে। এই ক্ষেত্ৰত মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়কো অনুৰোধ কৰিলো। এইবিলাক পুনৰ নিৰ্মাণৰ কাৰণে ব্যৱস্থা ল'ব লাগে। তাৰ কাৰণে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াকো অনুৰোধ জনাইছো। এই বিষয়ত কিবা ব্যৱস্থা লোৱা হৈছে নেকি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

*** শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী, বন বিভাগ) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়িকা শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মই যি প্ৰসঙ্গৰ কথা উল্লেখ কৰিছে সেয়া অতি গুৰুত্বপূৰ্ণ। মানাহ ৰাষ্ট্ৰীয় উদ্যান অসমৰ এক অমূল্য সম্পদ। এই ৰাষ্ট্ৰীয় উদ্যানখনৰ ৰক্ষণা বেক্ষণৰ কাৰণে অসম চৰকাৰে সকলো প্ৰকাৰে ব্যৱস্থা লৈছে। মাননীয় বিধায়িকা গৰাকীয়ে এখন বাতৰি কাকতৰ উদ্ধৃতি দি যিখিনি কথা কৈছে আৰু কাকতখনত দিয়া তথ্যখিনি এশ শতাংশই শুদ্ধ নহয়।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৫ চনত ইউনেচকো আৰু বিশ্ব বেংকে এই ৰাষ্ট্ৰীয় উদ্যানখনৰ ৫০০ বৰ্গ কিঃ মিঃৰ ৩০০ বৰ্গ কিঃ মিঃ স্বীকৃতি দিছিল। মানাহ ৰাষ্ট্ৰীয় উদ্যানখনত এনে কিছুমান ঘটনা ঘটিবলৈ ধৰিলে যে মই চাৰ আপোনাৰ জড়িয়তে সদনক অৱগত কৰিব বিচাৰিছো। এই ৰাষ্ট্ৰীয় উদ্যানখনত ৩৩ টা সশস্ত্ৰ বনৰক্ষী কেম্প আছিল, বনৰক্ষী আৰু বন বিষয়াৰ ১২ জনক হত্যা কৰা হ'ল, গোটেই উদ্যানখনৰ ২৫ খন কাঠৰ দলং জলাই দিয়া হ'ল।

*** শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে

** Speech not corrected*

মাননীয় মন্ত্রী মহোদয়ে যি ২৫ খন দলঙৰ কথা কৈছে সেইটো মই মানি নলওঁ, আপুনি এই ২৫ খন দলঙৰ কথা নোট কৰি ল'ব লাগিব।

